# হেম চন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় আলোচনী

College Library
No.
Date.



ৰূপালী জয়ন্তী

দশম সংখ্যা

১৯৯৪-৯৫ বৰ্ষ

সম্পাদক - নবীন চন্দ্ৰ গগৈ

# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

বছেৰেকীয়া প্ৰকাশ

১৯৯৪-৯৫ চন (দশম সংখ্যা)

H.C.D.G. COLLEGE LIBRARY
No...................
Date...................
Nitaipukhuri, Sibsagar, Assam

আন্তৰিক শুভেচ্ছাৰে

______________________________

______________________________ হাতত

আন্তৰিকতাৰে অৰ্পন কৰিলোঁ।

শ্ৰীনবীন চন্দ্ৰ গগৈ
সম্পাদক

সম্পাদক
শ্ৰীনবীন চন্দ্ৰ গগৈ।

# উছর্গা

বুৰঞ্জীয়ে ঢুকি পোৱা কালৰে পৰা
যিসকল ক্ষণজন্মা ব্যক্তিয়ে স্বদেশ – স্বজাতিৰ
মুক্তিৰ হকে আত্মবলিদান দি আহিছে,
সেইসকল জীৱন – মহান শ্বহীদৰ পুণ্য স্মৃতিত
ভক্তি – পুষ্প স্বৰূপে এই সংখ্যাৰ হেমচন্দ্ৰ দেৱগোস্বামী
মহাবিদ্যালয় আলোচনী উছর্গা কৰা হ'ল ।

— সম্পাদক ।

# শুভেচ্ছাবাণী

*Ananta Kumar Borgohain*
*President, Governing Body*
**H. C. D. G College, Nitaipukhuri.**

ALLOON NOGAR
P. O. Demow

*Date 8/12/95*

হেম চন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যায়ৰ ছাত্ৰ একতা সভাৰ মুখপত্ৰ বছেৰেকীয়া আলোচনীখন প্ৰকাশৰ পথত বুলি জানিবলৈ পাই অত্যন্ত সুখী। ছাত্ৰ—ছাত্ৰী সকলৰ অভিজ্ঞতাৰে পুষ্ট হৈ চুটী গল্প, কবিতা, প্ৰবন্ধ নাটক আদি যোগান ধৰি নিজৰ নিজৰ প্ৰতিভাক বিকাশ কৰিবলৈ সুবিধাৰ এক সুন্দৰ মাধ্যম। আশা ৰাখিছোঁ, বুৰঞ্জীপ্ৰসিদ্ধ 'নিতাই পখুৰী' নামটো সাহিত্য সাধনাৰ দলিলত আৰু অধিক স্থায়ী হৈ উঠক। ছাত্ৰ—ছাত্ৰী সকলৰ মাজৰ পৰাই নতুন যুগৰ নতুন লেখক - লেখিকা সৃষ্টি হৈ 'নিতাই পুখুৰী' নজহা নপমা কৰি তুলিবলৈ সমৰ্থ হওঁক। মহাবিদ্যালয়খন সৰু হলেও বিৰাট আশা দেখা ছাত্ৰ-ছাত্ৰী সকলে গঢ়ি তুলক যন্ত্ৰ যুগৰ বিপুল সমল।

শুভেচ্ছাৰে ——

শ্ৰী অনন্ত বৰগোঁহাই,
ডিমৌ।
৮/১২/৯৫

# বিশেষ কৃতজ্ঞতা স্বীকাৰ

অসমৰ মাননীয় মুখ্যমন্ত্রী
কৰ্মশ্ৰী শ্ৰীযুত হিতেশ্বৰ শইকীয়া দেৱলৈ আলোচনী প্ৰকাশৰ বাবে আৰ্থিক সাহায্য আগবঢ়োৱাৰ কাৰণে নিতাইপুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় ছাত্ৰ একতা সভা তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়
ছাত্ৰ একতা সভাৰ হৈ
আলোচনী সম্পাদক
শ্ৰী নবীন চন্দ্ৰ গগৈ

# কৃতজ্ঞতা স্বীকাৰ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনীৰ ১৯৯৪-৯৫ বৰ্ষ প্ৰকাশৰ বিভিন্ন দিশত নানাভাৱে দিহা-পৰামৰ্শ দি সহায়-সহযোগিতা আগবঢ়োৱা বাবে কৃতজ্ঞতা এইসকললৈ

*শ্ৰীযুত ডম্বৰুধৰ নেওগ, অধ্যক্ষ।*

*শ্ৰীযুত বাণীকান্ত গগৈ, অধ্যাপক।*

*শ্ৰীযুত দিগন্ত গগৈ, অধ্যাপক।*

*শ্ৰীযুত শিৱৰঞ্জন শৰ্মা, অধ্যাপক*

*শ্ৰীযুত ফণি শইকীয়া, অধ্যাপক।*

*শ্ৰীযুক্তা মানসী গগৈ, অধ্যাপিকা।*

*শ্ৰীযুক্তা ক্ষীৰপ্ৰভা লাহন, অধ্যাপিকা।*

*শ্ৰীযুক্তা ভদ্ৰাৱতী গগৈ, অধ্যাপিকা।*

বন্ধু : সৰ্বশ্ৰী হেমন্ত খনিকৰ, মিণ্টো বুঢ়াগোহাঁই, বিনোদ সন্দিকৈ, জিতেন শইকীয়া, দুল'ভ গগৈ, মুকুল সন্দিকৈ, বাবুলাল শইকীয়া কবুল বৰুৱা, তুতু বড়া, ৰঞ্জন সন্দিকৈ, ক্ষিৰুদ বৰুৱা, বিকাশ গগৈ, শ্যামন্ত গগৈ, ৰাতুল চেতিয়া, শীবা শৰ্মা, খগেন গগৈ, মাধুৰ্য খনিকৰ, গোপাল গগৈ, অতুল গগৈ, তৰুণ গগৈ, যদু দত্ত, অনিল দত্ত, প্ৰৱিত্ৰ চেতিয়া, প্ৰৱিত্ৰ গগৈ, জীৱন গগৈ, নবীন গগৈ, জয়ন্ত গগৈ, উৎপল কোঁৱৰ, জয়প্ৰকাশ শৰ্মা, শৈলেন চাংমাই আৰু মুকুল সন্দিকৈ।

বান্ধৱী : সৰ্ব্ব শ্ৰীমতী নিবেদিতা গগৈ, দিপ্তী চাংমাই, সোৱন শইকীয়া, মিনাক্ষী বড়া, কৰবী শইকীয়া, নিৰুপ্ৰভা গগৈ, গৌৰীকা গগৈ, নিৰ্মলা সন্দিকৈ, ৰূপা বৰুৱা, বিতু বৰুৱা মিৰা গগৈ, ৰেখা গগৈ, মিনু বৰুৱা, জিনু গগৈ, নিহাৰিকা ৰাজখনিকৰ আৰু জিতুমণি বৰগোহাঁই।

---

অসম চৰকাৰৰ 'ছাত্ৰ যুৱকল্যাণ'ৰ সহযোগত মাননীয় অসমৰ মুখ্যমন্ত্ৰী শ্ৰীযুত হিতেশ্বৰ শইকীয়াদেৱে আমাৰ মহাবিদ্যালয় ১৯৯৪-৯৫ বৰ্ষ আলোচনীখন প্ৰকাশৰ বাবে ২০,০০০ টকা অনুদান আগবঢ়োৱাত আমাৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

—সম্পাদক।

---

# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

## ১৯৯৪-৯৫ বৰ্ষ

# সম্পাদনাৰ মজিয়াত ঃ

উপদেষ্টা ঃ শ্ৰীযুত ডম্বৰুধৰ নেওগ, অধ্যক্ষ।

সভাপতি ঃ শ্ৰীযুত বাণীকান্ত গগৈ, অধ্যাপক।

ভাৰপ্ৰাপ্ত অধ্যাপক ঃ শ্ৰীযুত দিগন্ত গগৈ,
অধ্যাপক, অসমীয়া বিভাগ।

শ্ৰীযুত সুধিৰ কুমাৰ দাস,
অধ্যাপক, ইংৰাজী বিভাগ।

সম্পাদক ঃ শ্ৰী নবীন চন্দ্ৰ গগৈ।

সদস্য/সদস্যা ঃ শ্ৰী মুকুল সন্দিকৈ।
,, মিন্টো বুঢ়াগোহাঁই।
,, দুৰ্লভ গগৈ।
,, বাবুলাল শইকীয়া।
,, ৰশ্মিৰেখা গগৈ।

বেটুপাত পৰিকল্পনা আৰু অংকন :
শ্ৰী তৰুণ গগৈ, উদয়পুৰ।

ছপাশাল ঃ বৰুৱা প্ৰিন্টাৰ্চ, শিৱসাগৰ।

সম্পাদনা সমিতিৰ হৈ শ্ৰী নবীন চন্দ্ৰ গগৈৰ দ্বাৰা সম্পাদিত আৰু ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত।

# সূচীপত্ৰ


প্ৰবন্ধ :

★ আমাৰ শিক্ষা-ব্যৱস্থা, শিক্ষক আৰু শিক্ষক-নিযুক্তি — দুৰ্লভ গগৈ, স্নাতক ৩য় বৰ্ষ

★ যুৱ-সমাজৰ উচ্ছৃংখলতা — বাণীকান্ত গগৈ, প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

★ সংস্কৃতি, নৈতিকতা আৰু গণচেনতা — গোপাল গগৈ, প্ৰাক্তন ছাত্ৰ

★ কাৰবিসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ চমু আভাস — অঞ্জুমণি ফুলকোঁৱৰ, প্ৰাক্তন ছাত্ৰী

★ ৰহস্যবাদী কবি নলিনীবালা দেবী : এটা চমু টোকা — মিনাক্ষী বড়া, স্নাতক ১ম বৰ্ষ

★ ফুটবল খেল আৰু খেলপথাৰৰ জোখ-মাখ — নবীন গগৈ (প্ৰবীন) স্নাতক ২য় বৰ্ষ

গল্প :

★ তিতাফুলৰ গোন্ধ — দিগন্ত গগৈ, অধ্যাপক অসমীয়া বিভাগ

★ ৰহস্যময় অন্ধকাৰত পৰীক্ষা — বিকাশ গগৈ, উঃ মাঃ ২য় বৰ্ষ

★ হেৰুৱা দিনৰ সপোন — দুৰ্লভ গগৈ, স্নাতক ৩য় বৰ্ষ

★ অব্যক্ত প্ৰেম — তুলুমণি গগৈ, উঃ মাঃ ২য় বৰ্ষ

★ দুৰ্কপলীয়া — দেৱানন্দ বৰুৱা, স্নাতক ৩য় বৰ্ষ

★ এক মিনিট সময়তে — মিন্টু বুঢ়াগোঁহাই

★ বিভাগীয় সম্পাদকীয় চ'বা

কবিতা :

❋ সংবাদ মোৰ মনৰ — অনিল দত্ত

❋ এনিশাৰ সপোন — দুৰ্লভ গগৈ

❋ এই নদীয়েদি — পপী দুৱৰাগগৈ

❋ স্মৃতি —— বিজু দত্ত

❋ প্ৰশ্নবোধক — জিতুমণি বৰগোহাঁই



শ্ৰীযুত ডম্বৰুধৰ নেওঁগ (অধ্যক্ষ)   হেম চন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়

# মহাবিদ্যালয়ৰ গৌৰৱ



আন্ত : মহাবিদ্যালয়ৰ ফুটবল প্ৰতিযোগিতাত একে লেথাৰিয়ে ১৯৯৩-৯৪-৯৫ বৰ্ষৰ বানাচ্‌আপ হেম চন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ খেলুৱৈ সকল **সোঁফালৰ পৰা থিয়হৈ ক্ৰমে** শ্ৰী থানেশ্বৰ ভৰালী , ভাস্কৰ চোতিয়া , মেঘ নাথ ভূমিজ, শ্ৰীযুত ললিত তামুলি (মেনেজাৰ ও উপদেষ্টা) অনিল বড়া , বুবুল আহমেদ , ভীম ভট্ট , বাজেশ ভৰালী , বিবেক হাজৰিকা, অৰুণ দলে ,

**বাঁই বাওঁফালৰ পৰা:** নবীন গঁগে (ক্ৰীড়া /খেল বিভাগৰ সম্পাদক) লক্ষী ভূমিজ , বিনোদ কোঁৱৰ , তৰুণ গঁগে , মৃদুল সান্দিকৈ , আজিত হাজৰিকা , টিংকু সান্দিকৈ আৰু নোকিব আহমেদ। তেওঁৰ ফটো পোৱা নহল।

উল্লেখ যোগ্য যে , বিবেক আৰু মৃদুলে কলিকতাত অনুষ্ঠিত হোৱা ১৯৯৪-৯৫ বৰ্ষৰ আন্তঃ বিশ্ববিদ্যালয়ৰ ফুটবল প্ৰতিযোগিতাত ভাগ লবলৈ সক্ষম হৈছিল।

**১৯৯৪-৯৫ বৰ্ষ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয় ববীয়া**



**থিয়হৈ বাওঁফালৰ পৰা**

শ্ৰী নবীন গঁগে , শ্ৰী নে[illegible] আহমেদ/ ক্ৰীড়া সম্পাদক , শ্ৰী ৰঞ্জিত বড়া/ সাংস্কৃতিক সম্পাদক , নবীন চন্দ্ৰ গঁগে/ আলোচনী সম্পাদক, বিশ্বজিত বড়া / সমাজসেৱক , কল্যান বড়া/ ছাত্ৰ জিৰণি চৰা, মিণ্টো বুঢ়াগোহাঁই / আলোচনী সদস্য।

**বহি বাওঁফালৰ পৰা**

শ্ৰী দিগন্ত গঁগে ( অধ্যাপক) আলোচনী উপদেষ্টা, শ্ৰী বাণিকান্ত গঁগে /সভাপতি , শ্ৰীসুধিৰ কুমাৰ দাস/ আলোচনী উপদেষ্টা।

**ফটোত অনুপস্থিত :** সাধাৰণ সম্পাদক / শ্ৰী বাবুলাল শইকীয়া , পূৰ্ণিমা চাংমাই , ছাত্ৰী জিৰণীচৰা , শ্ৰীযুত ফণী শইকীয়া / উপদেষ্টা, মালবীকা দিহিঙিয়া বৰুৱা/ উপদেষ্টা, শিৱৰঞ্জন শৰ্ম্মা / উপদেষ্টা।

# মহাবিদ্যালয়ৰ কৃতিত্ব



শ্ৰী খগেন গঁগে।
বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ
১৯৯৪-৯৫ বৰ্ষ



শ্ৰী দুৰ্লভ গঁগে
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়
স্নাতক তৃতীয় বাৰ্ষিক। নিতাই পুখুৰী
আলোচনী সদস্য ও বছৰৰ শ্ৰেষ্ঠ লেখক



শ্ৰী খিৰুদ বৰুৱা।
শ্ৰেষ্ঠ কেৰম খেলুৱৈ
কলেজ সপ্তাহ ১৯৯৪-৯৫



শ্ৰী ৰিংকুমণি টায়ে
শ্ৰেষ্ঠ এথলেটিক (ছোৱালী)
১৯৯৪-৯৫



শ্ৰী অজন্তা গঁগে
শ্ৰেষ্ঠ মাৰাঠান দৌৰ বীৰ
১৯৯৪-৯৫



শ্ৰী প্ৰাঞ্জল শৰ্ম্মা
শ্ৰেষ্ঠ গায়ক
কলেজ সপ্তাহ ১৯৯৪-৯৫



শ্ৰী বিনুদ কোঁৱৰ
শ্ৰেষ্ঠ বেদমিণ্টন খেলুৱৈ
১৯৯৪-৯৫



কল্যান গঁগে

# হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় আলোচনী ৯৪-৯৫ বৰ্ষ

## সম্পাদনা সমিতি



অধ্যাপক বাণীকান্ত গগৈ
সভাপতি, ছাত্ৰ একতা সভা



শ্ৰী মিণ্টো বুঢ়াগোঁহাই
আলোচনী সদস্য ৯৪-৯৫



অ ধ্যাপক সুধিৰ কুমাৰ দাস
ভাৰপ্ৰাপ্ত অধ্যাপক, ইংৰাজী বিভাগ



শ্ৰী নবীন চন্দ্ৰ গগৈ
আলোচনী সম্পাদক



দিগন্ত গগৈ
আলোচনী উপদেষ্টা



শ্ৰী নবীন গগৈ (প্ৰবিন)
ক্ৰীড়া সম্পাদক ৯৪-৯৫



শ্ৰীমতী ৰশ্মীৰেখা গগৈ
আলোচনী সদস্যা ৯৪-৯৫



শ্ৰী মুকুল সন্দিকৈ
আলোচনী সদস্য ও ছাত্ৰ একতা সভাৰ
সভাপতি



শ্ৰী দুৰ্লভ গগৈ
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়
স্নাতক তৃতীয় বাৰ্ষিক। নিতাই পুখুৰী
আলোচনী সদস্য ও বছৰৰ শ্ৰেষ্ঠ লেখক



## সম্পাদকীয়



কুৰি শতিকাক পৃথিৱীবাসীয়ে বিদায় দিবলৈ আৰু মাত্ৰ কেইটামান বছৰহে বাকী। তাৰ পাছতেই আমি খোজ দিম একবিংশ শতিকাত। মানবজাতিৰ উত্তৰণৰ এটা অধ্যায় অন্ত পৰাৰ লগে লগেই ইতিহাসে পৰ্য্যালোচনাৰ বাট মুকলি কৰিব উত্তৰপুৰুষৰ কাৰণে। জোখ-মাখ হৰবিভীষিকাময় বিশ্বযুদ্ধ, উত্থান-পতনৰ ৰাজনীতি, ঈশ্বৰ-আল্লাৰ নামত হোৱা অমানুষিক হত্যাকাণ্ডবোৰৰ। প্ৰশ্ন হয়-এয়া জানো সচাঁই মানব সভ্যতাৰ উত্তৰণ। হত্যা যেন এই শতিকাৰ এটা সৰল শব্দ। হত্যাৰ কাৰণেই কোটি কোটি টকাৰ মূল্যৰ সমৰাস্ত্ৰৰ উদ্ভাৱনত মনোনিবেশ কৰা মানেই যুদ্ধৰ প্ৰস্তুতি নহয়জানো? মুঠৰ ওপৰত কুৰিশতিকাই মানবীয় অগ্ৰগতিত যেনে ধ্বংসৰ অৰিহণা যোগালে, ঠিক তেনেদৰে মানবীয় প্ৰমূল্যবোধৰ অৱক্ষয়ো আনি দিলে।

বৰ্ত্তমান ছাত্ৰসমাজক লৈ আলোচনাৰ সমালোচনাৰ অন্ত নাই। ৰাজনীতি আৰু ছাত্ৰ-জীৱন বৰ্ত্তমানৰ এটা আলোচ্য বিষয়। মানুহ হিচাপে প্ৰাপ্য অধিকাৰ আদায় কৰি এখন নিকা সমাজৰ অংশীদাৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যত শোষণ, নিস্পেষণ, অৰ্থসৰ্বস্ব ৰাজনীতিতন্ত্ৰ আৰু ইয়াৰ বহতীয়া ন্যায়তন্ত্ৰৰ বিৰুদ্ধে পৃথিবীৰ প্ৰান্তৰে প্ৰান্তৰে ছাত্ৰসমাজ বিদ্ৰোহী হৈ উঠিছে। ই ছাত্ৰসমাজৰ নৈতিক দায়িত্ব। কিন্তু অনেক ক্ষেত্ৰত দেখা যায় যে, যি যুক্তি আৰু প্ৰজ্ঞাৰ ভেটিত ছাত্ৰসমাজ সংগঠিত হয়, সেই ভেটি দৃঢ় নীতিৰ অভাৱতথৰক-বৰক হৈ পৰে। এনেবোৰ দুৰ্বলতাৰ বাবেই অৱশেষত চতুৰ ৰাজনৈতিক নেতাসকলে ছাত্ৰক ৰাজনীতিৰ ডবাখেলৰ গুটি হিচাপে ব্যৱহাৰ কৰাৰ সুযোগ গ্ৰহণ কৰে। যুক্তি আৰু আদৰ্শৰ ভেটিত ছাত্ৰসমাজ সুসংগঠিত হৈ অন্যায় অবিচাৰৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিবলৈ হলে ছাত্ৰসমাজ বৌদ্ধিকভাবে শিক্ষিত হবই লাগিব।

বৰ্ত্তমান ছাত্ৰসমাজখনক একেবাৰেই কলুষিত কৰিছে পৰীক্ষাত অৱলম্বন কৰা অসৎ কাযাই। কুৰি শতিকাৰ শেষৰ দুই দশক এই মহামাৰীৰ দ্বাৰা ভয়ানকভাৱে আক্ৰান্ত। পৰীক্ষাত কৰা ব্যাপক নকল কাযাই ছাত্ৰসমাজক ৰক্ষা কৰিব নোৱাৰিলে সমগ্ৰ সমাজখনৰ ভৱিষ্যৎ অন্ধকাৰ গহ্বৰত নিমজ্জিত হব।

ভাৰতবৰ্ষৰ শিক্ষা-পদ্ধতিৰ ওপৰত বহুতো আলোচনা হৈ আছে। ইয়াৰ কোনো উ ল্লেখ নকৰাকৈয়ে আমাৰ নিজস্ব উপলব্ধিৰেই কব পৰা যায় যে এই শিক্ষা-পদ্ধতিয়ে ছাত্ৰসমাজৰ এক বুজন অংশক অনিশ্চিত ভৱিষ্যতৰ কৰাল গ্ৰাসলৈহে ঠেলি পঠাইছে। প্ৰতিভাৰ পূৰ্ণবিকাশ আৰু উচিত বিচাৰৰ পৰা আমাৰ ছাত্ৰসমাজ বাৰুকৈয়ে বঞ্চিত হৈ পৰিছে। নিয়োগ, নামভৰ্তিকৰণ আদিৰ ক্ষেত্ৰত যি সংৰক্ষণ-ব্যৱস্থা, তাতো আসোঁৱাহে দেখা দিছে।গতিকে এনেবোৰ স্পৰ্শকাতৰ সমস্যা আবেগবৰ্জিত আলোচনা বিলোচনাৰ জৰিয়তে সমাধান নকৰিলে সামাজিক সম্প্ৰীতি ৰক্ষা কৰাটো টান হৈ পৰিব।

### সাহিত্যৰ ভৱিষ্যত :

সম্প্ৰতি অসমীয়া সাহিত্যই অন্যান্য ভাৰতীয় আঞ্চলিক ভাষা-সাহিত্যৰ সমানে আগুৱাই যাব পৰাটো শুভ লক্ষণ। সৃষ্টিশীল সকলো দিশতে এটা কথা সত্য হলেও কেতিয়াবা থমকি ৰব লগা হয় আমাৰ সাহিত্যই জানো সঁচাকৈয়ে জনতাৰ আশা আকাংক্ষাক প্ৰতিফলিত কৰিব পাৰিছে। সত্যৰ খাতিৰতে কব লগীয়া হয় যে, বহুসময়ত সমাজখন বহু আতঁৰতে পৰি থাকে। সাহিত্য সৃষ্টি হয় অন্য এখন সমাজত।

সাহিত্য সৃষ্টিৰ উৎস হল বাস্তৱ-অভিজ্ঞতা। অভিজ্ঞতাক চেতনাৰ অংগীভূত কৰিব নোৱাৰিলে সাৰ্থক সৃষ্টি সম্ভৱ নহয়। মানবীয় চেতনাৰ অংগীভূত বাস্তৱ অভিজ্ঞতাৰ ভেটিত সাৰ্থক সৃষ্টি কৰিবলৈ হলে সাহিত্যিক বা শিল্পীসকল সমাজ-সচেতন আৰু সামাজিক ভাৱে দায়বদ্ধ হব লাগিব।

বৰ্তমান আমাৰ সন্মুখত দেখা দিয়া আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যাটো হৈছে - সমন্বয়ৰ সমস্যা। আমাৰ সাত বাই - ভনীৰ এনাজৰীৰে বান্ধখাই থকা উত্তৰ-পূৰ্বাঞ্চলক দুৰ্ভাগ্যবশত আজি ৰাজনীতিৰ কিছুমান দালালে নিজৰ গাদী লাভৰ আশাত সকলোৰে মাজত বিভেদৰ বীজ সোমোৱাই সমগ্ৰ পূৰ্বাঞ্চলকে খণ্ড-বিখণ্ড কৰিলে। বৰ্তমান তেনে শ্ৰেণীৰ সমাজবিৰোধীলোক পুনৰ সক্ৰিয় হৈ উঠা দেখা গৈছে। গতিকে এই ক্ষেত্ৰত লেখক-সাহিত্যিক-শিল্পী সকলৰ দায়িত্ব হব - সমন্বয় সাধন কৰা। এই ক্ষেত্ৰত অসম সাহিত্য সভায়ো কেৱল প্ৰস্তাৱ গ্ৰহণ কৰিলেই নহব বাস্তৱমুখী আৰু উদ্দেশ্যধৰ্মী আঁচনি যুগুত কৰি আগভাগ লোৱাটো নিতান্ত প্ৰয়োজন হৈ পৰিছে।

## বিভাগীয় কাম-কাজৰ খতিয়ান :

১৯৯৪-৯৫ বৰ্ষৰ আলোচনী সম্পাদক হিচাপে যেতিয়াৰ পৰা মোক মহাবিদ্যালয় ছাত্ৰ-বন্ধুসকলে এই দায়িত্ব অৰ্পণ কৰিলে, তেতিয়াৰ পৰাই মই মোৰ কৰ্তব্যত নানান সমস্যাৰ মাজেদি আগবাঢ়ি যাবলৈ চেষ্টা কৰিছিলো। বহুতো কাম সময়ত কৰিব নোৱাৰাৰ বাবে মই দুখিত।

১৯৯৪ চনৰ ডিচেম্বৰ মাহৰ ১৫ তাৰিখৰ পৰা ২১ তাৰিখলৈকে সপ্তাহ জোৰা কাৰ্যসূচীৰে "মহাবিদ্যালয় সপ্তাহ" অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে আলোচনী বিভাগৰ উদ্যোগত কবিতা আবৃত্তি, তৰ্ক, কুইজ, স্বৰচিত গল্প-কবিতা আদি নানান বিষয়ক সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। সাহিত্য প্ৰতিযোগিতাত বহুতো প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি বঁটা লাভ কৰিবলৈ সক্ষম হয়।

১৭ জানুৱাৰী ৯৫ তাৰিখে মহাবিদ্যালয়ৰ আলোচনী বিভাগ, নিতাইপুখুৰী শাখা সাহিত্য সভা আৰু স্বৰগম সংগীতালয়ৰ উমৈহতীয়া উদ্যোগত প্ৰথম বাৰৰ বাবে মহাবিদ্যালয়ত "শিল্পী দিৱস" অনুষ্ঠিত হয়। আশাকৰো ভাবীকালৰ সম্পাদকসকলেও মহাবিদ্যালয়ত এনেবোৰ অনুষ্ঠান উদযাপন কৰি যাব।

## ৰূপালী জয়ন্তী :

মহাবিদ্যালয়খন প্ৰতিষ্ঠা হোৱা পঁচিশ বছৰ পাৰ হৈ যোৱাত আমাৰ কাৰ্য্যকাল বৰ্ষতে ১৭/১৮ এপ্ৰিল '৯৫ তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাবিদ্যালয়ত ৰূপালী জয়ন্তী উদযাপন কৰা হয়। শিক্ষক, ছাত্ৰ, অভিভাৱকৰ সমন্বিত প্ৰচেষ্টাত অনুষ্ঠিত হোৱা ৰূপালী জয়ন্তী উপলক্ষে শিক্ষামূলক আলোচনা চক্ৰ, ন-পুৰণি ছাত্ৰ-শিক্ষকৰ প্ৰীতি-সন্মিলন, শোভাযাত্ৰা, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত কৰা হয়। 'ৰূপতীৰ্থ' নামৰ স্মৃতিগ্ৰন্থ এখনো প্ৰকাশ কৰা হয়।

## ছাত্ৰ-ছাত্ৰী বন্ধুবৰ্গৰ প্ৰতি :

আলোচনী সম্পাদক হোৱাটো সহজ। কিন্তু আলোচনী সম্পাদকৰ দায়িত্ব আৰু কৰ্তব্য কাৰ্যত পৰিণত কৰা বৰ সহজ নহয়। কিয়নো আজি আমাৰ মাজত কেইজন লেখক-লেখিকা ছাত্ৰ-ছাত্ৰী আছে ? উপযুক্ত প্ৰবন্ধ-পাতিৰ অভাৱত এখন সৰ্বাংগসুন্দৰ আলোচনী প্ৰকাশ কৰা সম্ভৱ নহয়। মোৰ কাৰ্যকালত - আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট অভাৱ অনুভৱ কৰিছোঁ। আশা ৰাখিছো ভৱিষ্যতে আমি সকলোৱেই এই ক্ষেত্ৰত আগবাঢ়ি যাব পাৰিম।

সদৌ শেষত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়খনি আৰু ইয়াৰ মুখপত্ৰখনিৰ ভৱিষ্যত উন্নতি কামনা কৰিলোঁ।

শ্ৰী নবীন চন্দ্ৰ গগৈ
সম্পাদক
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী।

প্ৰবন্ধ

# আমাৰ শিক্ষা-ব্যৱস্থা, শিক্ষক আৰু শিক্ষক-নিযুক্তি

দুৰ্লভ গগৈ
স্নাতক, ৩য় বাৰ্ষিক।

বিশ্বৰ প্ৰতিখন দেশৰ আৰু প্ৰতিখন সমাজৰ ভৱিষ্যৎ সদায় নিৰ্ভৰ কৰে সেই সমাজ বা দেশৰ শিক্ষা-ব্যৱস্থা প্ৰকৃতিৰ ওপৰত। এখন-সমাজৰ শিক্ষাৰ-ব্যৱস্থাত সেই সমাজখনৰ প্ৰতিফলন ঘটে। গতিকে শিক্ষা ব্যৱস্থাটোক ই প্ৰতিনিধিত্ব কৰা সমাজখনৰ ভৱিষ্যৎ সম্পৰ্কীয় ধাৰণাৰ মূল উৎস বুলিব পাৰি। জীৱক জীয়াই থাকিবলৈ যিদৰে বায়ু, পানীৰ প্ৰয়োজন, ঠিক সেইদৰে মানুহক জীৱৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ শিক্ষাৰ প্ৰয়োজন। তাৰোপৰি মানুহ পৰিবৰ্তনশীল জীৱ, গতানুগতিকতা মানুহৰ কাহানিও কাম্য নহয়। বেলি মাৰ গলে যিদৰে আমি এটি কোমল পুৱাৰ প্ৰতীক্ষা কৰো, ঠিক সেইদৰে শিক্ষাৰ মাজেদিও আমি এটা অনুকূল পৰিবৰ্তন বিচাৰো যি পৰিবৰ্তনে আমাক নতুনৰ সন্ধান দি যুগান্তৰৰ সূচনা আনে

শিক্ষা ব্যৱস্থাটো প্ৰতিখন সমাজৰ সভ্যতাৰ উচ্চ শিখৰলৈ আগুৱাই যোৱাৰ খটখটি স্বৰূপ। গতিকে যিখন সমাজে এই খটখটি সুন্দৰ আৰু নিপুণভাৱে তৈয়াৰী কৰি লয় সেইখন সমাজে আনবিলাকতকৈ এখোপ সোনকালে আৰু সহজে আগুৱাই যাব পাৰে। খহি পৰাৰ ভয়ও সিমান নাথাকে। আজি যদি আমাৰ মাজত নিহিত হৈ থকা সকলো শিক্ষা লোপ পাই যায় তেন্তে আমি পুনৰ উভতি যাব লাগিব কোটি কোটি বছৰৰ পিছলৈ। বিশ্বৰ প্ৰতিটো জাতিয়েই পৰিণত হব একোটা বৰ্বৰ জাতিলৈ; যিটো জাতিৰ মাজত বন্য জীৱনৰ সকলো বৈশিষ্ট্যই পোৱা যাব।

এই দৃষ্টিকোণৰ পৰা শিক্ষাব্যৱস্থাটো মানৱ জাতিৰ বাবে সঞ্জীৱনী স্বৰূপ। ই মানৱত্বৰ মূল আধাৰ। এখন সমাজৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আদি এনে এটা দিশ নাই যি দিশৰ বিকাশৰ বাবে শিক্ষাৰ প্ৰয়োজন নাই। সমাজৰ এই প্ৰতিটো দিশৰ বিকাশৰ কেন্দ্ৰ হৈছে শিক্ষা। তাৰোপৰি বৰ্তমান প্ৰতিখন সমাজেই সভ্যতাৰ জখলাত প্ৰতিযোগিতামূলক দৃষ্টিভংগীৰে আগবাঢ়িছে। আৰু এনে প্ৰতিযোগিতাত শিক্ষাই একমাত্ৰ আহিলা হৈ পৰিছে।

কিন্তু এই পৰিপেক্ষিতত আমাৰ দেশৰ বৰ্তমান শিক্ষাব্যৱস্থালৈ লক্ষ্য কৰিলে আমি কি দেখা পাওঁ। সভ্যতাৰ উচ্চ শিখৰলৈ আগুৱাই যাবলৈ আমি শিক্ষাক কিদৰে ব্যৱহাৰ কৰিছো বা ব্যৱহাৰ কৰিবলৈ সুবিধা পাইছো। চাৰিওফালৰ প্ৰতিযোগিতামূলক আৱেষ্টনীত আমি কি কৰিছো ? আমিও প্ৰতিযোগীনে স্থবিৰ ?

এই প্ৰশ্নবোৰৰ পৰিপেক্ষিতত আমি যদি নিজকে বিচাৰ কৰি চাওঁ, তেন্তে আমাৰ চকুৰ আগত নিজৰেই পুতৌ লগা অৱস্থা এটা দেখা পাম। সভ্যতাৰ জখলাত দিনে দিনে স্খলন ঘটিছে। আনবিলাক দেশ আমাৰ দেশৰ তুলনাত বহুদূৰ আগুৱাই গৈছে আৰু সিহঁত আৰু আমাৰ মাজত থকা পাৰ্থক্যখিনি প্ৰতিদিনেই বৃদ্ধি পাই আহিছে। আমাৰ শিক্ষানুষ্ঠানবোৰ তাৰ উজ্জ্বলতম নিদৰ্শন। এখন দেশৰ প্ৰতিখন শিক্ষানুষ্ঠানেই সভ্যতাৰ জখলাত এটা এটা খপা বুলিব পাৰি। ইয়াৰ মাধ্যমতেই দেশৰ প্ৰতিজন নাগৰিকক শিক্ষিত আৰু সংস্কৃতিবান কৰি গঢ়ি তোলা হয়। প্ৰকৃতাৰ্থত দেশৰ শিক্ষানুষ্ঠানবোৰ প্ৰতিখন

সমাজৰ এটা এটা উদ্যোগ, য'ত মানুহ সৃষ্টিৰ জৰিয়তে দেশৰ ভৱিষ্যতটোক গঢ়িবলৈ যত্ন কৰা হয়।

কিন্তু আমাৰ দেশত শিক্ষানুষ্ঠানবোৰক তেনে গুৰুত্ব দিয়া হৈছে জানো ? আমি যদি আমি পঢ়ি থকা মহাবিদ্যালয়বোৰলৈকে চাওঁ তেন্তে দেখা পাম যে শিক্ষাৰ নামত এইবোৰ ভেকোভাওনাহে পতা হৈছে। এখন শিক্ষানুষ্ঠানৰ মুখ্য উদ্দেশ্য হৈছে তাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক শিক্ষা–সংস্কৃতি দান কৰি অন্তৰ্নিহিত প্ৰতিভাৰ বিকাশ সাধন কৰা। ইয়াক বাস্তৱত ৰূপায়িত কৰিবলৈ হলে শিক্ষক আৰু শিক্ষা-প্ৰশাসনীয় ব্যক্তিসকলে ছাত্ৰ-ছাত্ৰীক মনোদৈহিক ভাৱে প্ৰেৰণা দান কৰিব লাগিব। কিন্তু প্ৰকৃতাৰ্থত ইয়াৰ বিপৰীতটোহে দেখা যায়। মহাবিদ্যালয়বোৰৰ আভ্যন্তৰীণ স্বৰূপটো দেখি ছাত্ৰ-ছাত্ৰীৰ মনত জন্ম হোৱা আশা-আকাঙ্ক্ষা মৰহি যাবলৈ বাধ্য হয়। বোধহয় অসমৰ প্ৰায়বিলাক মহাবিদ্যালয় এই ৰোগত আক্ৰান্ত। অকল সেয়াই নহয়, শেহতীয়াকৈ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ মাজত দেখা দিয়া নৈতিক স্খলনে তীব্ৰ ৰূপ ধৰিছে। ইয়াৰ কাৰণ হিচাপে অভিভাৱক, শিক্ষক আৰু প্ৰশাসক সকলো কম দায়ী নহয়। শিক্ষক-সকল কৰ্তব্যনিষ্ঠ আৰু দায়িত্বশীল নোহোৱা বাবে ছাত্ৰ-ছাত্ৰীৰ উচ্ছৃঙ্খলতাক পৰাভূত কৰাৰ সুস্থ মানসিকতা নাইকিয়া হৈছে। শিক্ষাৰ্থী আৰু শিক্ষকসকলৰ মাজত যি আন্তৰিকতাপূৰ্ণ পাৰস্পৰিক সম্পৰ্ক থাকিব লাগে সেই সম্পৰ্ক দিনে দিনে অস্পষ্ট হৈ আহিছে। এইবোৰৰ উপৰিও ৰাজনৈতিক বিপৰ্যয়ে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা আহৰণত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে।

কলেজবোৰৰ দৰে যদি নিম্ন স্তৰৰ বিদ্যালয়বোৰো বিশ্লেষণ কৰো তেন্তে ইয়াতকৈ পুতৌ লগা অৱস্থা এটাই দেখা পাম। শেহতীয়াকৈ চৰকাৰী প্ৰচেষ্টাত এই শিক্ষানুষ্ঠানবোৰত শিক্ষক নিযুক্তিৰ যি জোৱাৰ উঠিছে সেই জোৱাৰে শিক্ষাৰ মানদণ্ড বেপেৰুৱা কৰি তোলাটো ধ্ৰুৱ কথা। বিশেষকৈ শিক্ষাৰ প্ৰাথমিক স্তৰটো ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ জীৱনৰ ভেটি স্থাপনৰ সময়। গতিকে এনে ভেটি স্থাপন কৰোতা সকলো প্ৰতিজনেই একোজন দক্ষ শিল্পী হোৱাটো বাঞ্ছনীয়। এই সময়ছোৱা ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠন, নৈতিক মূল্যবোধৰ বিকাশ সাধন আৰু যুক্তিৰ আধাৰ স্থাপনৰ সময়। এজন শিক্ষকে শিক্ষানুষ্ঠানত কেৱল শিক্ষাদান কৰিলেই যথেষ্ট নহয়। তেওঁৰ ব্যক্তিত্বই শিক্ষাৰ্থীসকলক প্ৰভাৱান্বিত কৰিব পাৰিব লাগিব। শিক্ষকজনৰ ব্যক্তিত্বৰ প্ৰতি শিক্ষাৰ্থীৰ শ্ৰদ্ধা জন্মিব পৰাকৈ তেওঁৰ গাত প্ৰয়োজনীয় গুণসমূহৰ প্ৰাচুৰ্য থাকিব লাগিব। বিশেষকৈ এই স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ ওপৰত শিক্ষকৰ ব্যক্তিত্বই সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়। ইয়াৰ বাবে প্ৰতিজন শিক্ষকেই সৎ, ন্যায়িক, কৰ্তব্যনিষ্ঠ আৰু সহানুভূতিশীল হোৱাটো কাম্য। গতিকে শিক্ষক নিযুক্তিৰ যিবিলাক অভীক্ষা বা পৰীক্ষা লোৱা হয় সেই বিলাক তেওঁলোকৰ শৈক্ষিক যোগ্যতাৰ উপৰিও উপৰোক্ত সংলক্ষণবোৰো পৰিমাপ কৰিব পৰা বিধৰ হ'ব লাগে।

কিন্তু বাস্তৱক্ষেত্ৰত দেখা যায় শিক্ষক নিযুক্তিৰ পৰীক্ষা বিলাকত অন্য কথা বাদ দি ব্যক্তিজনৰ শৈক্ষিক যোগ্যতাখিনিও ভালদৰে পৰিমাপণ কৰা নহয়। প্ৰশাসনীয় ব্যক্তি আৰু জনসাধাৰণৰ মাজত হোৱা দৰাদৰিয়ে এই পবিত্ৰ বৃত্তিকো পণ্য সামগ্ৰীত পৰিণত কৰিছে। ৰাজনৈতিক নেতাসকলে তেওঁলোকৰ ব্যক্তিস্বাৰ্থৰ খাতিৰত সমাজৰ বৃহত্তৰ স্বাৰ্থত কুঠাৰাঘাত কৰিছে। কাৰণ যিবিলাক ব্যক্তিৰ গাত এই গুণবিলাক নাই সেইবিলাক ব্যক্তিয়ে শিক্ষকতাৰ দৰে পবিত্ৰ সেৱা এটাক প্ৰবঞ্চনা কৰাহে হব। যিবিলাক ব্যক্তি সৎ, কৰ্তব্যপৰায়ণ নহয় সেইবিলাক ব্যক্তিয়ে কিদৰে ছাত্ৰ ছাত্ৰীৰ ব্যক্তিত্বত এইবোৰৰ প্ৰভাৱ পেলাব ? শিক্ষাদান এটা কলা, ইয়াক বাস্তৱত ৰূপদান কৰিবলৈ অৰ্থাৎ ইয়াত সফলতা লাভ কৰিবলৈ হলে শিল্পীসুলভ মন এটাৰ প্ৰয়োজন। ইয়াৰ অন্যথাই শিশুসকলৰ ভৱিষ্যতৰ লগতে দেশখনো ভৱিষ্যৎ বিপথগামী হৈ পৰাৰ সম্ভাৱনাই বেছি, কাৰণ আজিৰ শিশুসকলেই ভৱিষ্যতৰ নাগৰিক।

বৰ্তমান চৰকাৰে প্ৰতিটো বৃত্তিকেই বৰশীৰ টোপ হিচাপে ব্যৱহাৰ কৰিছে। আৰু আমিও এইবোৰৰ প্ৰতিবাদ কৰাৰ পৰিবৰ্তে আওপকীয়াকৈ চৰকাৰৰ লগত হাত উজান দিছোঁ। কিন্তু বৰশীত টোপ দেখি বিপদৰ কথা পাহৰি যোৱাটো মৎস্যৰহে প্ৰবৃত্তি, মানুহৰ নহয়। আমাৰ যুৱ সমাজ আজি এই বিষয়ে সচেতন হবৰ হ'ল। ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ সুস্থ মানসিকতা আমি গঢ়ি তুলিব লাগিব। বাধাৰ প্ৰাচীৰ ভাঙি হলেও আগবাঢ়ি যাব লাগিব, অন্যথাই আমাৰ পতন অনিবাৰ্য্য।



# যুৱসমাজৰ উচ্ছৃঙ্খলতা

বাণীকান্ত গগৈ,
প্ৰৱক্তা, ৰাজনীতি বিভাগ।

যুৱক বুলি কওঁতে ১৫ বছৰৰ পৰা ৪০ বছৰ মাজৰ মানুহখিনিকে সাধাৰণতে বুজোৱা হয়। বিশ্বৰ প্ৰায় ৩০% ভাগৰ ওপৰলোক এই সমাজৰ অন্তৰ্ভুক্ত। লেচলী পাউলে এওঁলোকক খঙাল ডেকামানুহ (**Angry young men**) আখ্যা দিছে। যুৱকসকল সমাজৰ আটাইতকৈ গতিশীল আৰু প্ৰগতিশীল অংশ। তেওঁলোকৰ সৃষ্টিকল্পনা, ত্যাগ আৰু দুঃসাহসীকতা অতুলনীয়। ৰাতিপুৱা ৮/৯ বজাৰ সূৰ্যৰ দৰেই তেওঁলোকৰ জীৱন জ্যোতিৰ্ময়। সেয়ে অহাকালিৰ স্বপ্ন, আশা বাসনা তেওঁলোকৰ বাবেই।

কিন্তু অত্যন্ত দুখ আৰু পৰিতাপৰ কথা যে, সোণালী ভৱিষ্যত থকা যুৱকসকল আজি দেশে দেশে অশান্ত হৈ পৰিছে। যুৱ-সমাজ আজি বহুপৰিমাণে অস্থিৰ, অশান্ত, বিশৃঙ্খল আৰু বহুলাংশে বিভ্ৰান্ত। এই ক্ষেত্ৰত অসম বা ভাৰতৰ যুৱকসকলো ব্যতিক্ৰম নহয় বিশেষকৈ যোৱা দশকৰ পৰা আমাৰ দেশৰ যুৱকসকল বিশৃঙ্খল হোৱা দেখা গৈছে আৰু বৰ্তমানে ই এটা বিশেষ সমস্যালৈ পৰ্য্যবেশিত হৈছে। নাৰীৰ প্ৰতি কৰা অশালীন ব্যৱহাৰ, চুৰি ডকাইটিত লিপ্ত, বন্ধ-হৰতালৰ সময়ত নীতি বিৰুদ্ধভাৱে মানুহক মাৰপিট কৰা, ড্ৰাগছ, মদ, ভাং আদি সেৱন, লটাৰী, জুৱা আদিত আসক্ত হোৱা, গুৰুজনৰ প্ৰতি অসৎ আচৰণ আদিৰ মাধ্যমেদি যুৱ উচ্ছৃঙ্খলতা প্ৰকাশ পায়। বেগিঙৰ নামত চলা অপ-সংস্কৃতিও ছাত্ৰ উচ্ছৃঙ্খলতাৰ এক বহিঃপ্ৰকাশ মাত্ৰ। যুৱকসকলৰ এই সমস্ত উচ্ছৃঙ্খলতাই তেওঁলোকৰ নৈতিক অধঃপতনকেই সূচায়। এই নৈতিক অধঃপতনৰ বাবে যুৱকসকলৰ প্ৰতি বয়স্কসকলৰ মনোভাৱ সলনি হোৱা দেখা গৈছে। ইয়াৰ কাৰণে বয়স্ক সকলৰ কোনো কোনোৱে যুৱকসকলৰ প্ৰতি নিন্দাসূচক বাণীও নিক্ষেপ কৰে। এইখিনিতেই উল্লেখযোগ্য, সুদূৰ অতীতত গ্ৰীক-দাৰ্শনিক চক্ৰেটিছৰ দৰে জ্ঞানী ব্যক্তিয়েও সমকালীন যুৱকসকলৰ প্ৰতি তেওঁলোকৰ উচ্ছৃঙ্খলতাৰ বাবে নিন্দাসূচক দৃষ্টি নিক্ষেপ কৰিছিল। তেওঁ যুৱকসকলক 'অসৎ আচৰণ' 'কৰ্তৃত্বৰ প্ৰতি ঘৃণা', 'জেষ্ঠ সকলৰ প্ৰতি কৰা অৱমাননা'ৰ বাবে নিন্দা কৰিছিল। আৱশ্যে কৰুণ পৰিহাসৰ কথা যে, চক্ৰেটিছে নিজেই ৰক্ষণশীল ৰাষ্ট্ৰ ব্যৱস্থাৰ বিৰুদ্ধে আত্ম বলিদান দিবলগা হ'ল।

যুৱকসকলৰ নৈতিক অধঃপতন আৰু উচ্ছৃঙ্খলতাৰ বাবে সমাজত নানান প্ৰতিক্ৰিয়াই দেখা দিছে। এই প্ৰতিক্ৰিয়া জটিল আৰু সুদূৰপ্ৰসাৰিত। অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, শৈক্ষিক, সাংস্কৃতিক আদি বিভিন্ন ক্ষেত্ৰলৈ এই প্ৰতিক্ৰিয়া সম্প্ৰসাৰিত হৈছে। যুৱ উচ্ছৃঙ্খলতাৰ বাবে কেতিয়াবা আইন শৃঙ্খলাহীন পৰিস্থিতিৰো উদ্ভৱ হৈছে — যাৰ কাৰণে চৰকাৰে পুলিচ ব্যৱস্থা গ্ৰহণ কৰিব লগা হৈছে— যাৰ কাৰণে কেতিয়াবা জনসাধাৰণৰ কষ্টবো ওপৰ কষ্ট হৈছে। উচ্ছৃঙ্খল যুৱকে কৃষ্টি-সংস্কৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা দেখা নেযায়। যুৱকৰ কৰ্মহীন আচৰণে দেশত অৰ্থনৈতিক উৎপাদনৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে আৰু অৱশেষত কৰ্মহীন যুৱক সমাজৰ বোজা স্বৰূপ হৈ পৰে। ছাত্ৰ-যুৱকৰ উচ্ছৃঙ্খলতাই

শিক্ষাৰ মানদণ্ডও নিম্নগামী হৈ ৰ্বি তুলিছে। উচ্ছৃঙ্খল যুৱকে ভালদৰে পঢ়াশুনা কৰি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বা মৌলিক জ্ঞান আহৰণ কৰাতকৈ দুই-চাৰিখন বজাৰুৱা নোটবুক পঢ়ি, পৰীক্ষা গৃহত নকল কৰি কোনোমতে পৰীক্ষা-বৈতৰণী পাৰ হবলৈ যত্ন কৰা দেখা যায়— যাৰ ফলস্বৰূপে পৰীক্ষাত উত্তীৰ্ণৰ হাৰ হ্ৰাস পাইছে আৰু শিক্ষাৰ মানদণ্ড নিম্নগামী হ'ব ধৰিছে। যুৱ-ছাত্ৰসকলৰ বেঁছ একাংশই আজিকালি ভোট দিয়াৰ অধিকাৰ লাভ কৰিছে। উচ্ছৃঙ্খল যুৱকে প্ৰলোভনৰ বশৱৰ্তী হৈ বা বিচাৰ বিবেচনাহীন ভাৱে অনুপযুক্ত প্ৰাৰ্থীক ভোট দি জয়যুক্ত কৰিলেও আচৰিত হ'বলগীয়া একো নাই। সাংস্কৃতিক ক্ষেত্ৰতো যুৱ-উচ্ছৃঙ্খলতাই প্ৰভাৱ নেপেলোৱাকৈ থকা নাই। সংস্কৃতিৰ চৰ্চা টুকুৰা চৰায়ে বাহ সজাৰ দৰে জন্মগত নহয়। সংস্কৃতি সমাজৰ এটা পীৰিৰ পৰা আন এটা পীৰিলৈ চৰ্চাৰ ফলস্বৰূপেহে হস্তান্তৰ হয়। উচ্ছৃঙ্খল যুৱকে সংস্কৃতি চৰ্চা কৰাতকৈ দুস্কৃতিৰহে জন্ম দিয়ে। আজি আমাৰ দেশত বাস্তৱ ক্ষেত্ৰত সেয়ে হৈছে। আধুনিক জীৱন যাত্ৰাত পৰম্পৰাগত ভাৰতীয় সংস্কৃতিৰ কিছুমান উপাদন অপ্ৰয়োজনীয় বুলি কোৱা হলেও ভাৰতীয় সংস্কৃতিৰ বহল পথাৰখনত এনে কিছুমান মানৱীয় প্ৰমূল্য জীয়াই আছে যি সমসাময়িক বিশ্বত প্ৰায় দুৰ্লভ। মহান ভাৰতীয় সংস্কৃতিয়ে নৈতিকতা, সততা, উদাৰতা, পৰোপকাৰিতা, সহিষ্ণুতা, অহিংসা, সহানুভৱতা, কৰ্ষ্টনিষ্ঠাৰ শিক্ষা দিয়ে। কিন্তু পশ্চিমীয়া মহলে প্ৰধানকৈ দূৰদৰ্শনৰ যোগেদি প্ৰচাৰ কৰা সম্ভোগবাদী দৰ্শন কিংবা যৌনকেন্দ্ৰিক সংস্কৃতিৰ (যাক সাংস্কৃতিক সাম্ৰাজ্যবাদ আখ্যা দিব পৰা যায়) বাবেই হওক বা অন্য যি কোনো কাৰণতে হওক. যুৱকসকলৰ চিন্তা-চেতনাৰ পৰা সততা ন্যায়, নৈতিকতা আদি মাননীয় প্ৰমূল্য সমূহ নিৰ্বাপিত হোৱা দেখা গৈছে আৰু ইয়াৰ ঠাইত এক ধৰণৰ তৰল আৰু স্থুলৰুচিৰ আত্মকেন্দ্ৰিক ভোগলিপ্সাই বাহ লৈছে। ফলস্বৰূপে দুস্কৃতি বাঢ়িছে।

যুৱকৰ উচ্ছৃঙ্খলতা আজি বহু অভিভাৱকৰ বাবেও সমস্যা হৈ পৰিছে। বহু সময়ত উচ্ছৃঙ্খল পুত্ৰই মাক-দেউতাকক দম দি মদ খাবলৈ পইচা বিচাৰে আৰু মাজ-ৰাতি মদ খাই ঢলং-পলংকৈ ঘৰলৈ উভতে। সু-সাহিত্যিক হোমেন বৰগোহাঁইৰ 'পিতা-পুত্ৰ' উপন্যাসৰ লক্ষ্মীকান্তৰ চৰিত্ৰটো এই পৰ্যায়ৰে। অৱশ্যে লক্ষ্মীকান্তৰ চৰিত্ৰটো লক্ষ্মীকান্তৰ জীৱনৰ বিৰুদ্ধে বিদ্ৰোহ বুলিও আখ্যা দিব পৰা যায়।

সকলো কথা বা সকলো পৰিঘটনাৰ অন্তৰালত যদি বিজ্ঞানসন্মত কাৰণ আছে বা কাৰণৰ পৰাই কাৰ্য সংঘটিত হয় বুলি ধৰা হয় তেন্তে নিশ্চয় কব লাগিব যে যুৱ উচ্ছৃঙ্খলতাৰো বিজ্ঞানসন্মত কাৰণ আছে। এই দিশৰ পৰা বিচাৰ কৰিলে আৰু যুৱকসকল সমাজৰে সৃষ্টি বুলি ধৰি ললে যুৱ-উচ্ছৃংখলতাৰ বাবে তেওঁলোকক ব্যক্তিগত ভাৱে জগৰীয়া কৰিব নোৱাৰি। আমাৰ বোধেৰে যুৱকসকল উচ্ছৃঙ্খল হোৱাৰ এশ-এবুৰি কাৰণ আছে। অন্যহাতেদি কাৰণবোৰ জটিল আৰু বিভিন্ন প্ৰকাৰৰ। ভি, কে, আৰ, ভি, ৰাৱে ছাত্ৰসকল উচ্ছৃংখল হোৱাৰ ৪টা কাৰণ বিচাৰি পাইছে। তেওঁৰ 'Student Indisciplain Under Study' নামৰ গ্ৰন্থত উল্লেখ কৰা উক্ত কাৰণসমূহ হ'ল— (১) যথোপযুক্ত শৈক্ষিক বতাৱৰণৰ অভাৱ (২) পিতৃ মাতৃ, শিক্ষানুষ্ঠান আৰু চৰকাৰী কৰ্তৃত্বৰ প্ৰতি কৰা অৱমাননা (৩) ৰাজনৈতিক হস্তক্ষেপ (৪) আদৰ্শগত ব্যৰ্থতা। লগতে নিশ্চয় শোষণ, অন্যায়, দুৰ্নীতি, নিবনুৱা সমস্যা, মধ্যযুগীয় কু-সংস্কাৰপূৰ্ণ ধ্যান-ধাৰণাকো জগৰীয়া কৰিব পাৰি। বৰ্তমান ছাত্ৰ সমাজত দেখা দিয়া হতাশা, অসহায়তা, নিৰাপত্তাহীনতা আদিয়েও তেওঁলোকৰ মাজত নৈতিক স্খলন অৰ্থাৎ তাৰ পৰিনামত উচ্ছৃংখল মানসিকতাৰ সৃষ্টি কৰিছে। অন্ধকাৰাছন্ন ভৱিষ্যৎ জীৱনৰ কথা ভাবি আজিৰ ছাত্ৰসমাজ গভীৰ হতাশাত নিমজ্জিত। আজি ছাত্ৰ এজনৰ কাৰণে কোনো গোলাপী ভৱিষ্যতে অপেক্ষা কৰি থকা নাই। তেওঁৰ জীৱনটো আজি অনিশ্চয়তাৰ কৰাল গ্ৰাসত নিমজ্জমান।

আগতে কৈ অহা পশ্চিমীয়া অপসংস্কৃতিৰ প্ৰৱেশ, মদ, জুৱা, লটাৰীৰ প্ৰচলন, মাৰপিট খুন-জখমেৰে ভৰা সস্তীয়া হিন্দী চিনেমাৰ প্ৰদৰ্শন, ৰূপালী পৰ্দাত নগ্ন নাৰীৰ দেহৰ প্ৰদৰ্শন, বজাৰত অশ্লীল কিতাপৰ প্ৰয়োভৰ— এই বোৰো যুৱ উচ্ছৃংখলতাৰ বাবে কম দায়ী নহয়। বয়স্ক-



সকলৰ একাংশও যুৱ উচ্ছৃংখলতাৰ বাবে দায়ী। মদখাই মাতলামী কৰা বয়স্ক লোকৰ সংখ্যা বৰ কম নহয়। ৰাইজৰ প্ৰতিনিধিসকলে যেতিয়া আইন সভাত বিতৰ্ক প্ৰসঙ্গত চকি, মেজ, জোতা, মাইক্ৰফোন দলিয়াদলি কৰে সিও উচ্ছৃঙ্খলতাই।

এতিয়া কথা হল যুৱ উচ্ছৃঙ্খলতা দূৰ কৰা যায় কেনেকৈ? আমাৰ বোধেৰে যিবোৰ কাৰণত যুৱ উচ্ছৃঙ্খলতাৰ সৃষ্টি হৈছে সেই কাৰণবোৰ নিৰ্মূল কৰাৰ বাদে যুৱ উচ্ছৃঙ্খলতা দূৰ কৰাৰ বিকল্প উপায় নাই। এই ক্ষেত্ৰত উপদেশেই নিশ্চয় কাম নকৰে। জ্যোতিপ্ৰসাদৰ "যুগে যুগে মহাপুৰুষসকলে মানুহৰ হৃদয়লৈ আবেদন জনাই ব্যৰ্থ হোৱা" বুলি কোৱা কথাষাৰ এইখিনিতে প্ৰণিধানযোগ্য। যুৱ-ছাত্ৰসকলৰ যদি উচ্ছৃঙ্খলতা দূৰ হব লাগেই তেন্তে প্ৰথমেই তেওঁলোকৰ অৰ্থনৈতিক নিৰাপত্তা সুনিশ্চিত হব লাগিব। অসমীয়াত এষাৰ কথা আছে "আগেয়ে চাউলকথা তাৰ পাচতহে হৰি কথা"। হাস্যজনক ভাৱে "ধনেই ধৰ্মৰ মূল" বুলিও কোৱা হয়। অৰ্থনৈতিক নিৰাপত্তা কিন্তু আকাশত ওলমি থকা বস্তু নহয়। ইয়াৰ বাবে দেশত উপযুক্ত অৰ্থনৈতিক, ৰাজনৈতিক আৰু শিক্ষা ব্যৱস্থা গঢ়ি তুলিব লাগিব। উপযুক্ত অৰ্থনৈতিক ব্যৱস্থাৰ দ্বাৰা অধিক উৎপাদনমুখী, শোষণবিহীন অৰ্থনৈতিক ব্যৱস্থাৰ কথাকেই বুজোৱা হৈছে— যি ব্যৱস্থাৰ দ্বাৰা মানুহৰ মাজত থকা অৰ্থনৈতিক আৰু সামাজিক বৈষম্য দূৰ কৰি দ্ৰুত উদ্যোগীকৰণ আৰু কৃষি আধুনিকীকৰণৰ যোগেদি এখন সমতাভিত্তিক সমাজ প্ৰতিষ্ঠা কৰিব পৰা হয়। সেইদৰে ৰাজনৈতিক পদ্ধতি হব লাগিব গণতান্ত্ৰিক আৰু ৰাইজৰ প্ৰতিনিধিসকল হব লাগিব ৰাইজৰ, ৰাইজৰ ভাষা, ৰাইজৰ আশা বুজি পোৱা ধৰণৰ। ৰাইজৰ আশা আকাঙ্খাক বাস্তৱায়িত কৰিবৰ বাবে তেওঁলোকৰ থাকিব লাগিব দুৰ্বাৰ মানসিকতা। শিক্ষা ব্যৱস্থা হ'ব লাগিব সমাজবাদী চৰিত্ৰৰ। জটিল, দীঘলীয়া, কৰ্মান্ধতাৰ জন্ম দিয়া, মানুহক বিজ্ঞানবিমূখ কৰা, শ্ৰমৰ লগত, কামৰ লগত সম্পৰ্ক নথকা চাকৰিমুখী শিক্ষাই মানুহক প্ৰকৃত জ্ঞানৰ সন্ধান নিদিয়ে বা সমস্যা সমাধানতো সহায় নকৰে। সমাজবাদী চৰিত্ৰৰ শিক্ষা-ব্যৱস্থাৰ অধীনৰ পাঠ্যপুথিত "ধান যাৰ মান তাৰ', 'দুখিয়াক পুতৌ কৰিবা'— আদি অসমাজবাদী শিক্ষাবোৰ নেথাকে।

যুৱ-উচ্ছৃঙ্খলা দূৰ কৰাৰ ক্ষেত্ৰত কেৱল উপযুক্ত অৰ্থনৈতিক, ৰাজনৈতিক বা শিক্ষা ব্যৱস্থা গঢ়ি তুলিলেই নহ'ব ইয়াৰোপৰি গোটেই দেশখনত এটা সুন্দৰ সাংস্কৃতিক বাতাবৰণ গঢ়ি তুলিব লাগিব। ইয়াৰ বাবে মদ, জুৱা লটাৰীৰ প্ৰচলন আইন যোগে নিষিদ্ধ কৰিব লাগিব; ব্যাপক প্ৰচাৰ যোগে চৰকাৰে মানুহক ড্ৰাগছ সেৱনৰ বিপদ সম্পৰ্কে সজাগ কৰিব লাগিব; সাংস্কৃতিক সাম্ৰাজ্যবাদৰ প্ৰসাৰতাত ইন্ধন যোগোৱা দেশীয় তথা চেটেলাইট টি. ভি. নিয়ন্ত্ৰিত হ'ব লাগিব; দেশৰ যুৱচামৰ ভাৱ, অনুভূতি আৰু ৰুচিক ৰোগাগ্ৰস্ত কৰা সস্তীয়া হিন্দী চিনেমাৰ প্ৰচলন আৰু প্ৰদৰ্শন বন্ধ কৰিব লাগিব।

যুৱ উচ্ছৃঙ্খল দূৰ কৰিবৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হবই লাগিব। ইতিমধ্যেই এচাম যুৱকক অপসংস্কৃতিয়ে বেয়াকৈ গ্ৰাস কৰা পৰিলক্ষিত হৈছে আৰু তেওঁলোকে বাস্তৱতাৰ পৰা আঁতৰি গৈ কল্পনাৰ ভ্ৰমে ৰাজ্যত প্ৰবেশ কৰিছে; য'ৰ পৰা তেওঁলোকক ঘূৰাই অনা অসম্ভৱ। যি সকলৰ বয়স ইতিমধ্যে ত্ৰিশৰ দেওনা পাৰ হ'ল তেওঁলোক তুলনামূলকভাৱে ভাগ্যবান। আধুনিক প্ৰচাৰ মাধ্যমসমূহে সমাজখন দূষিত কৰাৰ আগেয়েই তেওঁলোকৰ ব্যক্তিত্বই গঢ় লৈছিল। কিন্তু তেওঁলোকৰ মানসিক অৱস্থা বেদনাদায়ক; কাৰণ আগৰ আৰু এতিয়াৰ পাৰ্থক্যটো উপলব্ধি কৰাটো তেওঁলোকৰ বাবেহে সম্ভৱ। এওঁলোকে বুজিব পাৰিছে আজিৰ সংস্কৃতিৰ নামত চলা কাণ্ড-কাৰখানাবিলাক কিমান ক্ষতিকাৰক আৰু অস্বাভাৱিক।

দেশৰ ধৰণীস্বৰূপ যুৱকসকল উচ্ছৃঙ্খল হোৱাটো বৰ বেদনাদায়ক হৈছে। উচ্ছৃঙ্খল হৈ বাস্তৱতাৰ পৰা তেওঁলোক পিচলি পৰিলে সামাজিক অন্যায়, অনীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব কোনে?

পৰিশেষত এটা কথা ক'ব বিচাৰিছো যে যুৱকসকল অস্থিৰ, অশান্ত, উচ্ছৃংখল বুলি কলেও সকলো যুৱক এই পৰ্যায়ৰ নহয়। সৎ, আদৰ্শ বিশিষ্ট, নিষ্ঠাবান, কৰ্মঠ যুৱক সমাজত আছে। তদুপৰি বৰ্তমান সমাজৰ যুৱ-উচ্ছৃংখলতাক আমি সাময়িক বুলিহে ভাবো। উপযুক্ত সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু শৈক্ষিক পৰিবেশ সৃষ্টি কৰি এই সমস্যা নিশ্চয় দূৰীভূত কৰিব পৰা হ'ব। গণতান্ত্ৰিক তত্ত্বইও এনে কথাকেই বিশ্বাস কৰে।

# সংস্কৃতি, নৈতিকতা আৰু গণ-চেতনা

গোপাল গগৈ।
প্ৰাক্তন ছাত্ৰ।

"ধুবক ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং দিয়াৰ বাবে দহ কোটি টকা দিয়া হ'ল। সেই টকাৰে ঠিক হিচাপমতে কৰিলে দলংখন মজবুত হ'ব, ভাল হ'ব। যদি অন্তৰ সংস্কৃতি ভ্ৰষ্ট হোৱা দুৰ্নীতিপৰায়ণ ঠিকাদাৰ আৰু চৰকাৰ ব্যৱস্থাৰ সেই দায়িত্বত থকা মানুহজনে পাঁচকোটি টকা খাই বাকী পাঁচ কোটি টকাৰে দলংখন নিশকতীয়াকৈ তৈয়াৰ কৰে, তেন্তে ৰেলখন বা গাড়ীখন যাওঁতেই সকলো ভাগি পৰিব। আৰু তেতিয়াই দলংখন বেয়া হৈ গৈ লোকচান হোৱাত অন্তৰ সংস্কৃতিৰ বিকৃতিৰ ফলত জাতীয় অৰ্থনীতিত আঘাত পৰিল।"

উদ্ধৃতাংশ উকাকৈ পঢ়িলে ঠিকাদাৰৰ হিচাপ-পত্ৰৰ ওপৰত কোনোবা সাংবাদিকে দিয়া মন্তব্য অথবা কোনোবা ঝাঞ্জুৱা সভাত দিয়া বিৰোধী পক্ষৰ বিধায়ক, নেতা, পালিনেতা অথবা তেনেজাতীয় কোনোবা তথা-কথিত সমাজ সেৱকৰ বক্তৃতাৰ একাংশ যেন লাগে। কিন্তু আধুনিক অসমীয়া সংস্কৃতিৰ জনক চিন্তানায়ক জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ ৰচনাৱলীৰ "ভাৱীকালৰ সংস্কৃতি" নামৰ প্ৰৱন্ধটো পঢ়ি গৈ থাকোতে হঠাৎতে এই কথাখিনি পঢ়াৰ পিছত যিকোনো পাঠকেই এবাৰ থমকি ৰব লাগিব। এবাৰ কথা চিন্তা কৰি — "জ্ঞান আৰু গুণৰ মন্দিৰৰ আজীৱন ছাত্ৰ জ্যোতিপ্ৰসাদে ভৱিষ্যতৰ সমাজ-সংস্কৃতিৰ বিষয়ে তত্ত্ব গধূৰ প্ৰবন্ধ লিখি যাওঁতে হঠাতে এই কথাখিনি তেওঁৰ মানোজগতৰ পৰা আপোনা-আপুনি নিগৰি আহিল কিয়? অথচ এই কথাংশৰ বহল প্ৰচাৰ কাকতে পত্ৰই, সভাই-সমিতিয়ে, দেৱালে-ওৱালে দেখা পোৱা নাই। ভাব হয় — জ্যোতিপ্ৰসাদক যেন "ৰূপকোঁৱৰ" হে সাজি ধূপ-ধূনাৰ গোন্ধত বিলীন হৈ যোৱাৰ পথ বাচি দিয়া হৈছে — সেই সভা সমিতিবোৰ অথবা প্ৰচাৰ পত্ৰিকা আদিৰ মাজত।

কিন্তু আমি ভাবো ওপৰত উদ্ধৃত কৰা বাক্যসমূহৰ দৰে জ্যোতিপ্ৰসাদৰ প্ৰাণৰো প্ৰাণৰ, মনৰো মনৰ বাস্তৱ-জগতৰ কথাসমূহ চৰকাৰী, বেচৰকাৰী প্ৰচাৰ পত্ৰিকা, ওৱাল-দেৱাল আদিৰ গাত বহলভাৱে প্ৰচাৰ হ'লে দুৰ্নীতিপৰায়ণ ঠিকাদাৰ বা সেই বিষয়ৰ সংশ্লিষ্ট চৰকাৰী বিষয়াৰ মতি-গতিৰ কোনো পৰিবৰ্তন নহলেও অন্ততঃ অসমৰ বানপানী সমস্যা সামাধান অথবা "ব্ৰহ্মপুত্ৰ নদ" আৰু ইয়াৰ উপনদীসমূহ নিয়ন্ত্ৰণ কৰিবলৈ ভৱিষ্যতে যদি কোনোবা বাহিৰৰ পৰা গৱেষক পণ্ডিত আহে তেওঁ জ্যোতিপ্ৰসাদৰ এই কথাংশৰ প্ৰতি নৈতিক শ্ৰদ্ধা জ্ঞাপন কৰিব আৰু আমাকো চাগে ধিক্কাৰ দিব জনতাৰ প্ৰাণৰো প্ৰাণত মনৰো মনত লুকাই থকা এই শিল্পীগৰাকীৰ এই হেন Practical কথাষাৰৰ প্ৰতি কৰ্ণপাত নকৰা বুলি সন্দেহ কৰিব।

জ্যোতিপ্ৰসাদৰ মতে এই সকলোবোৰেই সংস্কৃতিৰ কথা। অথচ আমি সংস্কৃতি বুলি কলে গান-বাজনা, নাচ-বাগ আদিকেই বুজি আহিছো। জ্যোতিয়ে লিখিছে "সাধাৰণতে সংস্কৃতি বুলিলে সুকুমাৰ কলাক বুজায় আৰু বিশেষভাৱে তাকে বুজাবলৈ - "সংস্কৃতি" শব্দৰ ব্যৱহাৰ কৰা হয়। কিন্তু দৰাচলতে সংস্কৃতিয়ে মানুহৰ সমস্ত চিন্তা আৰু কৰ্মক সামৰি ধৰিছে। প্ৰশ্ন হয়, আমি এই



সংস্কৃতি ওৰফে সুকুমাৰ কলাৰ প্ৰতি কিমানখিনি সজাগ নৈতিকভাৱে। জ্যোতিৰ চিন্তা চৰ্চাৰে আমি এটা জাতিক গঢ় দিব পাৰিছো নে নাই? তেওঁৰ চিন্তাৰ স্তুতিৰে অসমীয়া সাহিত্য-সংস্কৃতি অথবা সমাজ জীৱনত এটা যুগৰ সৃষ্টি কৰিব পাৰিছো নে নাই অথবা কৰিবলৈ চেষ্টা কৰিছো নে নাই? কিন্তু আমাৰ জাতীয় জীৱনৰ অথবা সাহিত্য জীৱনৰ কিছু বছৰৰ আগলৈ উভতাই আহিলে আমাৰ চকুত এনেকুৱা প্ৰচেষ্টা সুন্দৰকৈ ধৰা পৰে। পূৰ্বপুৰুষসকলে এনেকুৱা প্ৰচেষ্টাৰ দৃষ্টান্ত ৰাখিথৈ গৈছে— ৰাজভয়, সমাজভয়, খেলুৱাৰ ভয় আদিকো নেওচি, সেইতাহানিৰ পঞ্চদশ শতাব্দীত অসমীয়া সমাজত মহাপুৰুষ শ্ৰীমন্ত শংকৰ, মাধৱক কেন্দ্ৰ কৰি গঢ়ি উঠা বৈষ্ণৱ সমাজ, সাহিত্য-সংস্কৃতিৰ বুকুত। বৈষ্ণৱ যুগৰ সংস্কৃতিৰ বিভিন্ন কাৰ্যপন্থাক আজিও আমি শ্ৰদ্ধাৰে স্মৰণ কৰি আহিছো জীৱনৰ প্ৰতিটো খোজতে। স্বয়ং জ্যোতিপ্ৰসাদে শ্ৰদ্ধা জ্ঞাপন কৰিছিল এই সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ কৃষ্ণ সংস্কৃতিৰ ওচৰত; মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱকেই গুৰুমানি লৈছিল বুলি নিসন্দেহে ক'ব লাগিব। বৈষ্ণৱ গুৰুসকলৰ পৰিপুষ্টিয়েই এই যুগৰ চৰম সাফল্যৰ কাৰণ। তেওঁলোকৰ গুৰুবাক্য পালনৰ বাবে আগবঢ়োৱা নৈতিক সাহস, ত্যাগ যুগৰ আকাশত বিস্ময়। সংস্কৃতি ৰক্ষাৰ্থে এনেকুৱা ত্যাগ জগতত বিৰল। সংগঠন, ত্যাগ, সংস্কৃতি একেহাতে চলে। কিন্তু আজি আমি শংকৰ-মাধৱ বা জ্যোতি, বিষ্ণুৰ আদৰ্শ প্ৰচাৰৰ বাবে কিমান ত্যাগ স্বীকাৰ কৰিব পাৰিছো। জ্যোতিপ্ৰসাদে মানুহৰ গোটেই জীৱনটোৱেই এটা সংস্কৃতিৰ অভিযান বুলি উপলব্ধি কৰি তাৰ বৈপ্লৱিক ৰূপান্তৰৰ কথা ব্যাখ্যা কৰি থৈ গৈছে। মানুহৰ অন্তঃসংস্কৃতিৰ প্ৰকাশ হয় "আধ্যাত্মিক উপলব্ধিত, মানসিক উৎকৰ্ষণত, মনৰ গুণবোৰৰ বিকাশ আৰু তাৰ পূৰ্ণতাপ্ৰাপ্ত হয় এই সকলোবোৰৰ মন্থনত পোৱা জ্ঞানত" বুলি লিখি থৈ গৈছে। আকৌ বহিঃসংস্কৃতিৰ প্ৰকাশ পায় বাস্তৱ জীৱনৰ চিন্তা আৰু কৰ্মৰ যোগেদি বুলি দুয়োটা সংস্কৃতিৰ গুৰিতে যে "অৰ্থনীতি" এই কথাষাৰ তেওঁ স্পষ্টভাৱে লিখি থৈ গৈছে। অৰ্থনীতিৰ বিপৰ্যয় হ'লে যে সংস্কৃতিৰ বৰ ঘৰটোৰ বিপৰ্যয় হ'ব — এই কথাষাৰো তেওঁ সঁকিয়াই থৈ গৈছে। পুঁজিবাদী সমাজ ব্যৱস্থাত অৰ্থনৈতিক বিপৰ্যয় হোৱাটোৱেই স্বাভাৱিক কথা। ৰাজনৈতিক স্বাধীনতাৰ লগে লগে অৰ্থনৈতিক স্বাধীনতা অথবা অৰ্থনৈতিক স্বাৱলম্বন নাহিলে জাতিৰ মেৰুদণ্ডই পোন হৈ খোজ কাঢ়িব নোৱাৰে। সকলো ধৰণৰ অন্ধবিশ্বাস, হতাশা, ভয়গ্ৰস্ততাৰ বলি হৈ পৰা লক্ষ্যভ্ৰষ্ট যুৱকক লক্ষ্যপথলৈ ঘূৰাই আনিবলৈ পুঁজিবাদী সমাজ ব্যৱস্থাত কেইজন ব্যক্তিৰ বাৰু মানসিক প্ৰস্তুতি আছে? অথচ আমাৰ সমাজত লক্ষ্মীৰ বৰপুত্ৰৰো অভাৱ নাই। কুবেৰৰ ধনৰ ভঁৰালৰো অভাৱ নাই। গুণ আৰু কৰ্ম অনুসাৰে মানুহৰ স্বৰূপ নিৰ্ণয় কৰাও নহয়। আজি মানুহে কান্দিব নোৱাৰে। থকা, খোৱা, পিন্ধাৰ কাৰণে কান্দিলে চৰকাৰে, পুলিচ মিলিটাৰীহঁতক আনি কন্দা মানুহজনক ধৰি নি কোবায়। ফাটেকত দিয়ে। এনে আইনৰ পৰাই ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থা চলি আছে। এই আইনেই হৈছে ধনীক শ্ৰেণীটোৰ চলনাৰ কৌশল। এনেকৈয়ে ধনতন্ত্ৰবাদ আইনৰ কায়দা-কৌশলৰ দা-ৰে কাটিকুটি ৰাইজৰ দেহা ডোখৰ ডোখৰ কৰে। আমাৰ অৱস্থা বেয়া হ'লে এবাৰ কপালক এবাৰ ঈশ্বৰক দোষ দিওঁ। দৰাচলতে কপালৰ দোষ নহয়, ঈশ্বৰৰো দোষ নহয়; আচলতে ধনতন্ত্ৰবাদী ব্যৱস্থাৰহে দোষ। বিধাতাই মানুহৰহে সৃজিছে, ধনী-দুখীয়া সৃজন কৰা নাই। এইবোৰ কথাকে চিন্তা কৰি, এইবোৰ সমস্যাৰ মৌলিক সমাধান বিচাৰি প্ৰকৃত শিল্পীয়ে পদে পদে বিপদত পৰাৰো দৃষ্টান্তৰ অভাৱ নাই। সেয়ে বিষ্ণুপ্ৰসাদ ৰাভাদেৱে লিখিছে — "শিল্পী জীৱন সঁচাই এটা জেলখানা। শিল্পী তাৰ কয়দী আৰু দণ্ড-মুণ্ডৰ কৰ্তা হ'ল সিঁহত-যাৰ ধন, আছে সংস্থান আছে আৰু আছে নিঃসহায় শিল্পীক প্ৰৱঞ্চনা কৰাৰ চতুৰালী"।

জ্যোতিয়ে অন্তৰ সংস্কৃতিৰ জাগৰণৰ কথা বাৰে বাৰে লিখিছে — 'যদি সঁচাকৈয়ে মানুহে মানুহক ভাল পাবলৈ শিকে, মানুহৰ দুখত মানুহ দুখী হবলৈ শিকে, তেতিয়া সংস্কৃতি এপাহ পদুমহৈ বোকাৰ মাজতে ফুলে'।

যি সমাজত বা দেশত অন্তৰ সংস্কৃতিৰ পূৰ্ণ বিকাশ হয়, সেই সমাজত এদলে এদলক শোষণ নকৰে, এদলে বিলাসিতাত উটি-বুৰি ফুৰি, আন এদলক খাবলৈ নাপাই শুকাই-খীনাই মৰিবলৈ এৰি দিব নোৱাৰে। এদলে সমাজৰ ওখ আসনত বহি আন দলক বোকাত পেলাই ৰং নাচায়।

যেতিয়াই মানুহে সাত্বিক কৌশল আৱিষ্কাৰ কৰি এই সমস্যাবোৰ তাৰে সমাধান কৰিব পৰা হ'ব তেতিয়াই মানৱ সমাজৰ ৰূপান্তৰ ঘটিব আৰু মানুহৰ সভ্যতা অতি-মানবীয় কৃষ্টি আৰু সভ্যতাৰ স্তৰলৈ উঠি যাব। কিন্তু সেই সাত্বিক কৌশলৰ আগমণিলৈ, সেই সাত্বিক সভ্যতাৰ অংকুৰণলৈ আৰু কিমানদিন বাট চাব লাগিব বাৰু? সেইদিনলৈ আৰু কিমান দূৰ? যদি আমি নিজকে প্ৰশ্ন কৰি চাওঁ বৰ্তমানৰ শাসন ব্যৱস্থাত আমি সচাঁই সুখীনে? আমি বাৰু কি উত্তৰ পাম?

যুগৰ সন্ধিক্ষণত আমি এই সকলোবোৰ কথা মুকলি মনেৰে চালি-জাৰি চাই সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক কিম্বা আধ্যাত্মিক সমস্যাসমূহৰ সামাধানৰ এটা নতুন পথ উদ্ভাৱন কৰাৰ অতিকৈ প্ৰয়োজন দেখা পাওঁ আমাৰ দৈনন্দিন জীৱনৰ সমস্যাৰাজিৰ চৌপাশে। যেতিয়া ধনৰ চিন্তা শেষ হ'ব তেতিয়া তেজপিয়া শোষক-হঁতৰ শোষণ নিপীড়ন নোহোৱা হ'ব, তেতিয়া মানুহে সোণতকৈও এটি উৎকৃষ্ট ৰত্ন বিচাৰিব। সেয়া হৈছে জ্ঞান। এই সকলোবোৰ ক্ষেত্ৰতে আমি নৈতিকভাৱে কিমান দায়ী ভাবি চোৱাৰ সময় সমাগত। অৰ্থনৈতিক শোষণেই যে একমাত্ৰ জগৰীয়া তাকে ভাবি সময় কটালেই নহয়। এইবোৰ গুচাবলৈ জনসাধাৰণক অৱগত কৰাবলৈ আমাৰ সাংস্কৃতিক বাহিনীৰো কম দায়িত্ব নাই। মানুহে যদি আত্মনিৰ্ভৰশীল হবলৈ নিশিকে, চেতনা-স্ৰোত প্ৰৱাহৰ প্ৰতি সচেতন হবলৈ নিশিকে, তেনেহলে বিশ্ব-সম্ভাৰ চকুৰ আগত দাঙি ধৰিলেও সমস্যাৰ সমাধান নহয়। চামুচেৰে আহাৰ তুলি ডিঙিত পেলাই দিয়াৰ বাবে কাৰোবাৰ প্ৰতি বাট চাই থাকিলে নিজৰ হাতৰ ব্যৱহাৰ পাহৰি যাবও পাৰে। জনগণে প্ৰতিটো মুহূৰ্ততে চেতনাক জগাই তুলিব পাৰিব লাগিব। যেতিয়াই সমাজে নিজৰ খোজত স্থিৰ হৈ খোজ কাঢ়িবলৈ শিকিব তেতিয়াই সমাজৰ সামাজিক ৰাজনৈতিক আৰু অৰ্থনৈতিক অভাৱসমূহ আঁতৰি যাব।

**

—অমৃত বাণী—

মোৰ দেশখন যদি মোৰ আই হৈ যায় আৰু আইয়ে যদি কান্দি কান্দি বাবে বাবে কয়, তই বাৰু মোৰ বাবে কি কৰিলি। মই কম কি?

— ডঃ ভূপেন হাজৰিকা।

নিজৰ মনত উদয় হোৱা প্ৰশ্নবোৰ দ'কৈ ভাবি চোৱা এটা ডাঙৰ গুণ। মনত ভাৱ কৌতুহল বা প্ৰশ্ন উঠিলে তাৰ উত্তৰ নিবিচাৰি নাথাকিবা।

— আইনষ্টাইন।

মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিভোঁল ভাস্কৰ্য।
ভঙা কলিজাত কোনে বিনাই,
কবিতা মোৰ দুখৰ ঋতুৰ এপাহ খৰিকাজাই।

— হীৰেন ভট্টাচাৰ্য।

সংগ্ৰাহক : —শ্ৰীঅনিল দত্ত



# কাৰ্বিসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ চমু আভাস

অংশুমণি ফুলকোঁৱৰ
প্ৰাক্তন ছাত্ৰী।

প্ৰকৃতিৰম্য ৰম্যভূমি অসমত ইতিহাসে ঢুকি নোপোৱা দিনৰ পৰা বসবাস কৰা মংগোলীয় প্ৰজাতিৰ ভিতৰত অসমৰ প্ৰাচীনতম অধিবাসী বুলি অনুমান কৰা হয় — মিকিৰ, বা কাৰ্বিসকলক। কাৰ্বি আংলং জিলাৰ ভৈয়াম আৰু পাহাৰীয়া অঞ্চলত বসবাস কৰা এই জনগোষ্ঠীটো ভাষিক দৃষ্টিৰে চালে তিব্বত-বৰ্মী বা চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ আৰু নৃতাত্বিক দৃষ্টিত মংগোলীয় প্ৰজাতিৰ। উল্লেখযোগ্য যে, অসমৰ মাজ-মজিয়া কাৰ্বি-আংলং জিলাত অধিক সংখ্যক কাৰবিলোক বাস কৰে। ১০,৩৩২ বৰ্গ কিঃ মিঃ ব্যাপি থকা জিলাখনৰ মুঠ কাৰবিলোকৰ সংখ্যা ১,৭৭,১৯৪ জনতকৈও বেছি হ'ব।

কাৰবিসকলৰ টেৰণ, তেৰাং, তিমুং, ইংহি আৰু ইংতি এই পাঁচোটা যেদ আছে। প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল কৃষিজীৱী কাৰবি-সকলৰ সমাজ-ব্যৱস্থা, কৃষ্টি-সংস্কৃতি ঘাইকৈ কৃষিভিত্তিক। এওঁলোকৰ সমাজ-জীৱন নানা সামাজিক নীতিৰে পৰিচালিত হয়।

## সাংস্কৃতিক আৰু সামাজিক জীৱন :

কাৰবিসকল স্বভাৱত সৰলচিতীয়া, ৰঙিয়াল, সৎ আৰু অমায়িক। এওঁলোকৰ ধৰ্মীয় বিশ্বাস, নৈতিক ধ্যান-ধাৰণা, গীত মাত, লোক-গাঁথা, কিম্বদন্তী আদি অনুধাবন কৰিলে সাংস্কৃতিক জীৱনৰ আভাস পাব পাৰি। ভাৱ-অনুভূতি আৰু অমায়িক প্ৰত্যয় প্ৰতীয়মান কাৰবি সমাজত পৰম্পৰাগতভাৱে চলিত ধৰ্মীয় আৰু লোক-বিশ্বাসবোৰে তেওঁলোকৰ মনৰ পবিত্ৰতা আৰু সৰলতাৰ ইংগিত দিয়ে। প্ৰকৃতিৰ ৰহস্যময়তাত এক শক্তি আছে বুলি তেওঁলোকে বিশ্বাস কৰে আৰু এই বিশ্বাসৰ ভেটিতে তেওঁলোকৰ উৎসৱ-পাৰ্বনবিলাক গঢ়ি উঠিছে। তেওঁলোকে পালন কৰা কেইটামান উৎসৱ হ'ল : চ'জুন পূজা, হেমফুপূজা, হাচ্ছাকেকান, ছমাংকান, বলকেতেৰ আদি। কাৰবিসকল ভাগ্যবাদী। প্ৰকৃতিৰ পৰিবৰ্তনৰ ৰেহ-ৰূপ লক্ষ্য কৰি তেওঁলোকে সময় নিৰূপণ কৰে। চৰাই-চিৰিকতিৰ মাত-কথা, গছ-লতা, ফল-ফুললৈ লক্ষ্য ৰাখিয়ে কৃষি-কৰ্মত তেওঁলোকে মনোনিবেশ কৰে। তেওঁলোকৰ প্ৰিয় ঝুমখেতিৰ বাবে বছৰৰ আৰম্ভণিতে তেওঁলোকে ৰতৰ দেৱীক স্তুতি কৰি 'ৰতৰ কিকুৰ' পূজা পাতে। 'হেমফু'ক পালনকৰ্তা, 'মুক্ৰাঙ'ক সৃষ্টিকৰ্তা আৰু 'ৰুদিনজা'ক শক্তিৰ দেৱীৰূপে এই পূজাত কাৰবিসকলে নিৰ্দিষ্ট বেদীন এই তিনিগৰাকী দেৱীক শ্ৰেষ্ঠৰূপে মানে।

লখিমী চপোৱাৰ পাছত কাৰবিসকলে 'চক্কেৰয়' উৎসৱ পাতে। গাঁৱৰ কোনো এঘৰ মুখিয়াল মানুহৰ চোতালত ৰাতি এই উৎসৱ অনুষ্ঠিত হয়। এই উৎসৱত হাছদ নৃত্য চলে। সূৰ্য উদয় হোৱাৰ আগতে আগলি কলপাতৰ ঠাৰিত তিনিটাকৈ ঘাপ দি এই নৃত্য সামৰা হয়। এওঁলোকৰ গীত-মাতবোৰত সৰল মনৰ

হোৱা পৰিলক্ষিত হয়।

কাৰবিসকলে মৃতকৰ ৰূপ-গুণ বখানি আত্মাৰ সদ্‌গতিৰ বাবে পালন কৰা চম্নাংকান উৎসৱ বিশেষভাৱে উল্লেখযোগ্য। তেওঁলোকে বিশ্বাস কৰে যে মানুহ মৰিলে 'চম-আ-ৰঙ'ৰ (যমৰ) দেশলৈ উভতি যায়। ক্লাংফাকা, প্ৰাংঠুক আৰু হাঁলে — এই তিনিটা পদ্ধতিৰে চম্নাংকান উৎসৱ পতা হয়। এই উৎসৱত অবিবাহিত ডেকা-গাভৰুৱে তিনিদিন তিনি-ৰাতি প্ৰণয়াত্মক গীত-নৃত্যৰে চৌপাশ মুখৰ কৰি তুলে। 'চম্নাংকান'ৰ অৰ্থ হ'ল, স্বৰ্গীয় মানুহৰ নৃত্য। আত্মা-পৰমাত্মাৰ মিলনৰ আনন্দত এই তিনিটা দিন মৰ্তকে স্বৰ্গ বুলি ধৰা হয়। এই উৎসৱত ব্যৱহাৰ কৰা বনজাৰ মনোমোহা কাৰুকাৰ্যই যমপুৰীৰ চিত্ৰ-কল্পনাৰ বৰ্ণনা দিয়ে। ৰঙা ফুলেৰে সুশোভিত জাম্বিলী গছ এজোপাত শিল্পীসকলে তৈয়াৰ কৰা বিভিন্ন চৰাইৰ প্ৰতীক-বোৰ বিভিন্ন ডালত আঁৰি চিত্ৰকাৰ্য সম্পাদন কৰে। ক'লা ৰং কাৰবিসকলৰ বৰ প্ৰিয়। কাৰবিসকলৰ সাংস্কৃতিক কৰ্মৰাজিৰ জৰিয়তে তেওঁলোকৰ উন্নত ধৰণৰ শিল্প-চৰ্চা আৰু উচ্চ নন্দনতাত্ত্বিক চেতনাবোধৰ বিষয়ে জানিব পাৰি।

কাৰবি আংলং জিলাৰ ডকমকা নামৰ ঠাইত প্ৰাচীন শাক্ত-মন্দিৰ দেখা যায়। তাৰোপৰি ফুলনি বজাৰৰ ওচৰত ভয় পৰ্বতত দেখিবলৈ পোৱা দুৰ্গাদেৱীৰ দশভূজা ৰূপৰ মূৰ্তিয়ে তেওঁলোকৰ ভাস্কৰ্যৰ পৰিচয় দিয়ে।

কাৰবিসকলৰ মাজত বিভিন্ন লোক-গাঁথা, লোক-বিশ্বাসৰ প্ৰচলন আছে। আদিতে তেওঁ-লোকে মাছ নাখাইছিল। মাছ খাবলৈ শিকাৰ অন্তৰালত এটি সাধুকথাও আছে। বেমাৰ-আজাৰত উপাস্য দেৱ-দেৱীৰ নিমিত্তে মংগল চাই সকাম পতা নিয়ম তেওঁলোকৰ মাজত প্ৰচলন আছে। কাৰবিসকলে যাত্ৰাপথত বা কোনো শুভকামত আগবাঢ়োতে কাউৰি, শিয়াল দেখাতো মংগলজনক বুলি বিশ্বাস কৰে। কাৰবিসকলে ঘৰৰ আগফালে তেঁতেলিগছ নোৰোৱে।

কাৰবিসকল অতিথিপৰায়ণ লোক। অসমৰ আন আন জনগোষ্ঠীৰ দৰেই তেওঁলোকে অতিথিক এখন তামোলেৰে প্ৰথমতে আপ্যায়িত কৰে। কোনোবা বিশিষ্ট অতিথিক লাওপানী, কুকুৰা, গাহৰি, শুকানমাছ আদিৰে ভোজ-খোৱাই সোধ-পোছ কৰাটো তেওঁলোকৰ জীৱন-দৰ্শনৰ এটি দিশ। তেওঁলোকৰ প্ৰধান আহাৰ ভাত। বনৰীয়া শাক-পাচলি তেওঁলোকৰ প্ৰিয় খাদ্য।

কাৰবিসকলৰ এটি বুনিয়াদ হ'ল — ডেকাচাং বা জিৰছং। তেওঁলোকৰ সামাজিক উন্নতি-অধোগতি জিৰছঙৰ ওপৰত নিৰ্ভৰশীল। গছৰ গুটিৰে খেল খেলা, ছিংকাই খৰি সংৰালি পাৰ কৰা কাৰবি ডেকাই জীৱনৰ ছন্দত তাল ৰাখি জিৰছঙৰ দায়িত্ববোধ আহৰণ কৰে। ৰিচেম, পংদিৰ আদিৰ সূৰত সমাজ-জীৱনলৈ লহৰ অনা এই ডেকাইতেই জিৰছঙৰ ক্লেংদুন, ক্লেংছাৰপহৈ ক্ৰমে দাৰবাদা, বিদবাদা ফেৰাংকে হৈ পৰামৰ্শদাতা হয়।

কাৰবি সমাজ-জীৱনত উচ্ছৃংখলতা নাই বুলিবই পাৰি। এই ক্ষেত্ৰত এওঁলোকৰ নৈতিক ধ্যান-ধাৰণাই সহায় কৰে। দোষীজন ৰজাই হওক বা প্ৰজাই হওক — তেওঁ ন্যায়িক দণ্ড ভুগিবই লাগিব। তেওঁলোকৰ সমাজত একে ফৈদৰ বা একে উপাধিৰ পুৰুষ নাৰীৰ মাজত বিবাহ সম্পাদন নহয়। একে ফৈদৰ মাজৰ প্ৰণয়ক 'লাইচেনেম' বা অবৈধ প্ৰণয় বা পাপ বুলি কয়। বিবাহৰ ক্ষেত্ৰত দৰা-ঘৰেই আগভাগ লয়। বিয়াৰ ক্ষেত্ৰত কাৰবি সমাজত কোনো ধৰণৰ কুসংস্কাৰ দেখা নাযায়।



# ৰহস্যবাদী কবি নলিনীবালা দেৱী

## এটি চমু টোকা

মিনাক্ষী বড়া
স্নাতক ১ম বৰ্ষ।

ৰোমান্টিক যুগত ৰহস্যবাদ তথা অধ্যাত্মিক বিষয়ত পৰিপুষ্ট লাভ কৰা সকলোৰে মৰমৰ আইতা নলিনীবালা দেৱী এক বিহৎ উপন্যাসৰ নায়িকা। ঘাট-প্ৰতিঘাটপূৰ্ণ তেওঁৰ জীৱন চৰিত্ৰত নাছিল কি? আছিল প্ৰিয়-অপ্ৰিয়, বাস্তৱ-অবাস্তৱ, বহুত কিবা-কিবি। এই কাহিনী-উপন্যাসবোৰ যদিও দিন হৈ আহিছে, তথাপিও এইবিলাকৰ স্মৃতি অসমীয়া সাহিত্য জগতৰ পৰা মচ খাই যোৱা নাই।

'মেলিলো প্ৰথম চকু    তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত,
মুদিম আকৌ চকু    তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।'

এই কবিতা ফাঁকি মনলৈ অহাৰ লগে লগে আমাৰ চকুৰ আগত ভাহি উঠে চিৰ-সুন্দৰৰ অন্বেষণত ব্যাকুল হৈ পৰা পদ্মশ্ৰী নলিনীবালা দেৱীৰ কবিসত্তা।

এই গৰাকী কবি-সাহিত্যিকৰ জন্ম হৈছিল, ১৮৯৮ চনৰ ২৩ আগষ্টত গুৱাহাটীত। পিতৃ আছিল, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ। নলিনীবালা দেৱীয়ে সাংসাৰিক মঞ্চত ভৰি দিয়ে — জীৱেশ্বৰ চাংকাকতিৰ লগত। কিন্তু কিযে বিধাতাৰ বিধান! জীৱনৰ আগবেলাতে তেওঁৰ জীৱনলৈ কাৰুণ্যৰ ছাঁ নামি আহিল। ১৯১৭ চনত (উনৈশ বছৰ বয়সত) নিয়তিয়ে তেওঁৰ শিৰৰ সেন্দুৰকণ কাঢ়ি লৈ যায়। পাঁচোটা সন্তান বুকুত বান্ধি নলিনীবালা দেৱী উভতিল— পিতৃ-গৃহলৈ। পিতৃ-গৃহলৈ উভতাৰ কিছুদিনৰ পাছতেই তেওঁৰ কোলাৰ পৰা দুটি সন্তানো আঁতৰি গ'ল। এফালে বৈধব্যৰ যন্ত্ৰনা, আনফালে নিৰ্মম পুত্ৰশোকে তেওঁৰ জীৱন দগ্ধ কৰিলে। স্বামীৰ মৃত্যুৰ পাছত পিতৃ-গৃহলৈ উভতি আহোতে দেউতাকে নলিনীবালা দেৱীক ভগৱৎ গীতা এখন হাতত দি কৈ-ছিল— "আজিৰ পৰা মোৰ আইক মই মহাশ্বেতাৰূপে চাবলৈ ভাল পাম" সেয়েহে তেওঁ পিতৃ উপদেশ, স্বামী-পুত্ৰৰ মৃত্যুৰ কাৰুণ্য বুকুত বান্ধি শোক-তাপ ভগৱানৰ আশিস নিৰ্মালী বুলি সান্ত্বনা লভিবলৈ চেষ্টা কৰিলে।

নলিনীবালা দেৱীৰ কবিতাবিলাকত আধ্যাত্মিক ভাৱৰাশি অভিব্যক্ত হয়। তেওঁৰ প্ৰথম কবিতা 'পিতা' ৰচনা কৰিছিল দহ বছৰ বয়সত। তেওঁৰ প্ৰথম কবিতা সংকলন আছিল 'সন্ধিয়াৰ সুৰ' (১৯২৮), 'সপোনৰ সুৰ', (১৯৪৩), 'পৰশমণি' (১৯৫৪), 'যুগ দেৱতা' (১৯৫৭), 'অলকানন্দা' (১৯৬৭), ইত্যাদি। তাৰোপৰি পিতৃৰ জীৱন-চৰিত্ৰ 'স্মৃতিতীৰ্থ', 'বিশ্বদীপা' আৰু 'বল্লভ ভাই পেটেল' উল্লে-খযুগ্য জৱনী-গ্ৰন্থ 'পাৰিজাত', 'অভিষেক' আদি কেইবাখনো গীতি-নাটিকাও ৰচনা কৰিছিল।

নলিনীবালা দেৱীৰ কবিতাৰ ধাৰাৰ সমন্ধে আলোচনা কৰি পণ্ডিত-প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈদেৱে লিখিছিল— "দুখৰ করুণ সুৰ শুনা নগলেও সপোনৰ সুৰ'ত নিৰাশাৰ ভাৱ দেখা নাযায়। মহিলা কবিৰ আধ্যাত্মিক সাহ প্ৰশংসনীয়। 'সপোনৰ সুৰ'ত তৰুণৰ ক্ষণিক উচ্ছাস নাই আৰু তৰুণ-প্ৰেমৰ লয়লাসো ইয়াত নাই। কিন্তু ইয়াৰ অন্তৰালত এটি অন্তৰ স্পৰ্শী সুৰ আছে।

ড° মহেশ্বৰ নেওগদেৱে লিখিছে— "সন্ধিয়াৰ সুৰেই তেওঁৰ প্ৰকৃত ভাৰতীয় কবি প্ৰাণৰ স্বাক্ষৰ।" প্ৰকৃতিৰ সৌন্দৰ্যত, বিহঙ্গৰ আকুল তানত কবিয়ে সুন্দৰ অবিনশ্বৰ আত্মাৰ অনন্ত জীৱৰ চিন দেখা পাইছে। আনফালে মনুহৰ অসীম সৌন্দৰ্যৰ তৃষ্ণাই অনন্ত সুন্দৰৰ কোনোবা এজনৰ প্ৰতি মহাকৰ্ষণ সূচনা কৰিছে। কবিৰ আত্মাও যেন সিজনৰ মিলনৰ বাবে চিৰ প্ৰতিক্ষামান। কবিয়ে লিখিছে—

জীৱন-নাটৰ ভাও কতনো কৰিলো শেষ,
কৰি গ'লো ক'ত অভিনয়,
ক'তজনে ক'তৰূপে জীৱনৰ ভাও দি দি
ভাঙি গ'ল মাথোন হৃদয়।
ভাগিল জীৱন-নাট, পৰি গ'ল যৱনিকা,
পুৰ'তিৰ তৰাও লুকাল,
শূন্য আজি নাটঘৰ, স্মৃতিৰ শলিতা জ্বলি
বহি বহি ৰাতিটো পুৱাল।

পৃথিৱীখন এখন ৰঙ্গমঞ্চ। মানুহবিলাক হ'ল ভাৱৰীয়া। ৰঙ্গমঞ্চলৈ যিদৰে বিভিন্নজনে বিভিন্ন ভাও দিবলৈ আহে আৰু ভাও দিয়াৰ শেষত যিদৰে তেওঁলোক ঘৰা-ঘৰি গুচি যায়, ঠিক সেইদৰে ৰঙ্গমঞ্চৰূপী সংসাৰলৈ বিভিন্নজনে আহি ৰজা-প্ৰজা, সুখী দুখী, সাধু-ভণ্ড আদিৰ নানা ভাও দিয়ে আৰু ভাও দিয়াৰ শেষত সকলো গুচি যায়। অৰ্থাৎ সংসাৰখন হ'ল দুদিনীয়া। এই দুদিনীয়া সংসাৰত মানুহে ইজনে-সিজনক চিনি পায়। আপোন বুলি ভাবে, মৰম-চেনেহৰ আদান-প্ৰদান কৰে। কিন্তু মৃত্যুৰ পাছত কোনেও কাকো চিনি পাবলৈ, কোনেও কাকো আপোন কৰি লবলৈ, কোনেও কাকো মৰম যাচিবলৈ নাহে। এওঁলোক মাথো দুদিনৰহে চিনাকী। সেয়ে নিঃসঙ্গ কবিয়ে জগতৰ বাস্তৱতাখিনি স্বীকাৰ কৰি লিখিছে—

কোন কাৰ জগতৰ, কোন কাৰ মৰমৰ
চকুৰ চিনাকী দুদিনৰ,
অসীমৰ ৰূপ-তৃষ্ণা অসীমত বুৰ যাব
খহি গ'লে জৰী মৰমৰ।

নলিনীবালা দেৱীৰ কবিতাবিলাকক চাৰি ভাগত বিভক্ত কৰিব পাৰি— (১) শোক কবিতা, (২) স্বদেশ প্ৰেমমূলক কবিতা, (৩) প্ৰকৃতি বিষয়ক কবিতা আৰু (৪) অতীন্দ্ৰবাদী কবিতা।

নলিনীবালা দেৱীৰ কবিতাৰ সুৰ, বৰ্ণনাৰ ক্ষমতা আৰু ভাৱৰ গতি-বিধি মানৱীয় ভাৱৰ উৎকৃষ্ট নিদৰ্শন। তেখেতৰ সকলোবিলাক কবিতাৰ মাজত শব্দৰ সফুৰা, ছন্দৰ ঝঙ্কাৰ আৰু ভাবৰ প্ৰাচুৰ্য বিশেষ মন কৰিবলগীয়া। তেখেতৰ কবিতাবিলাকত আধ্যাত্মিকতা আৰু জাতীয় ভাৱ বঙ্কে বঙ্কে জিলিকি উঠিছে।

নলিনীবালা দেৱীক ভাৰত চৰকাৰে দিয়া পদ্মশ্ৰী উপাধি, তেখেতৰ কেৱল ব্যক্তিগত সন্মানেই নহয়, সমগ্ৰ জাতিৰে সন্মান।

১৯৭৭ চনৰ ২ ডিচেম্বৰ তাৰিখে এই গৰাকী মহান কবিয়ে সকলোৰে অন্তৰত শোকৰ ছাপ বহুৱাই চিৰদিনৰ বাবে বিদায় ল'লে।



# ফুটবল খেল আৰু খেলপথাৰৰ জোখ-মাখ

শ্ৰী নবীন গগৈ (প্ৰবীন)
স্নাতক, ৩য় বৰ্ষ।

পৃথিৱীৰ ভিতৰতে ফুটবল খেল এটা অতি জনপ্ৰিয় খেল। ফুটবল খেল আৰু খেলপথাৰৰ কিছুমান নিয়ম (Law) আছে। এই নিয়মবোৰ তলত উল্লেখ কৰা হ'ল।

(ক) খেল পথাৰৰ জোখ :

সাধাৰণতে ফুটবল প্ৰতিযোগিতাৰ বাবে খেলপথাৰখনৰ দীঘ—৯০ মি'ৰ পৰা ১১০ মিঃ হ'ব লাগে। প্ৰস্থ—৪৫ মিঃ পৰা ৯০ মি হ'ব লাগে। কিন্তু আন্তৰ্জাতিক প্ৰতিযোগিতাৰ বাবে দীঘ—১০০ মিঃ ৰ পৰা ১১০ মিঃ আৰু প্ৰস্থ ৬৪ মি:ৰ পৰা ৭৩ মিঃৰ হ'ব লাগে।

সাধাৰণতে ফুটবল খেলপথাৰখন উত্তৰ-দক্ষিণমুৱা হ'ব লাগে।

(খ) গ'ল পোষ্টৰ জোখ :

(১) মাটিৰ পৰা পোষ্টৰ উচ্চতা হ'ব ২.৪৩ মিঃ বা ৮ ফুট।

(২) একে লাইনত এটা পোষ্টৰ পৰা আন এটা পোষ্টলৈ দূৰত্ব হ'ব ৭.৩০ মিঃ বা ২৪ ফুট।

(৩) দুটা পোষ্টৰ ওপৰত এডাল ক্ৰচ বাৰ থাকে। ই ১.২ ছেঃ মিঃ বা ৫ ইঞ্চি ডাঠ হ'ব লাগে।

(গ) ফুটবলৰ জোখ :

বলটোৰ বৃত্তৰ জোখ সাধাৰণতে ৭১ ছেঃ মিঃ বা ২৮ ইঞ্চি হোৱা উচিত, কিন্তু কমেও ৬৮ ছেঃ মিটাৰ বা ২৭ ইঞ্চি হ'লেও হয়।

(ঘ) ফুটবলৰ ওজন :

বলটোৰ ওজন ৩৯৬—৪৫৩ গ্ৰাম নাইবা ১৪—১৬ আউন্স হ'ব লাগে।

(ঙ) খেলৰ নিৰ্ধাৰিত সময় :

৪৫ মিনিট প্ৰথম অংশ, + ৫ মিনিট জিৰণি + ৪৫ মিনিট। দ্বিতীয় অংশ তথা শেষ অংশ = ৯৫ মিনিট।

(চ) ৰে'ফাৰি :

দু-দল ফুটবল খেলুৱৈৰ মাজত খেলখন পৰিচালনা কৰাৰ দায়িত্ব যিয়ে লয় তেওঁক ৰে'ফাৰী বুলি কোৱা হয়। ৰে'ফাৰিয়ে প্ৰচলিত নিয়ম অনুসৰি খেল পৰিচালনা কৰে। খেলপথাৰত তেওঁৰ নিৰ্দেশ চূড়ান্ত বুলি ধৰি লোৱা হয়। ৰে'ফাৰী হবলৈ হলে খেলৰ নিয়ম সমন্ধে পঢ়িব লাগিব আৰু পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

(ছ) লাইনচ্‌মেন :

ফুটবল খেলৰ সময়ত দুজন লাইনচ্‌মেন থাকে। এই দুজনে খেলপথাৰৰ লাইনৰ বাহিৰত থাকি, ৰে'ফাৰিক খেল পৰিচালনা কৰাত সহায় কৰে। এওঁলোকে থ্ৰো, কৰ্ণাৰ, অফ চাইড আদি দেখুৱাই দিয়ে। লাইনচ্‌মেন হ'বলৈ হলেও খেলৰ নিয়ম জানিব লাগিব।

(জ) খেলৰ দল :

একোটা ফুটবল দলত ১৬ জন খেলুৱৈ থাকে। ইয়াৰে ১১ জনেহে খেলে, বাকী ৫জন অতিৰিক্ত হিচাবে থাকে।

(ঝ) ফাউল আৰু ইয়াৰ শাস্তি :

(১) প্ৰতিপক্ষ দলৰ কোনো খেলুৱৈক হাতেৰে ... টানিলে ...

(২) বল নোহোৱাকৈ প্ৰতিপক্ষ দলৰ খেলুৱৈৰ ওপৰত জপিয়ালে,

(৩) প্ৰতিপক্ষ দলৰ খেলুৱৈক অযথা আঘাট কৰিলে নাইবা পিচফালে ধাক্কা মাৰিলে,

(৪) প্ৰতিপক্ষ খেলুৱৈৰ অযথা গতিৰোধ কৰিলে,

(৫) হাত বা বাহুৰ কোনো অংশৰে বল ধৰিলে ৰে'ফাৰিয়ে পৰোক্ষ ফ্ৰি-কিক্ মাৰিবলৈ দিয়ে।

(ঞ) ফ্ৰি-কিক্ :

ফ্ৰি-কিক্ দুবিধ— প্ৰত্যক্ষ আৰু পৰোক্ষ ফ্ৰি-কিক্। প্ৰত্যক্ষ ফ্ৰি-কিকেৰে শ্বটাৰে গ'ল কৰিব পাৰে আনহাতে পৰোক্ষ ফ্ৰি কিক্ৰ দ্বাৰা শ্বটাৰে পোনে পোনে গ'ল কৰিব নোৱাৰে। পৰোক্ষ ফ্ৰি-কিক্ কৰাৰ পাছত বলে প্ৰতিপক্ষ অথবা নিজদলৰ খেলুৱৈৰ দেহ স্পৰ্শ কৰিহে গ'ল হ'ব পাৰে।

(ট) অফ্ চাইড :

কোনো দলৰ খেলুৱৈ যেতিয়া আন দলৰ গ'ল ৰক্ষক আৰু এজন বেকৰ আগত থাকে আৰু বলৰ গতি যদি সেই গ'লৰ ফালে হয় তেন্তে আক্ৰমণকাৰী দলৰ বিপক্ষে আৰু আক্ৰান্ত দলৰ সপক্ষে ৰে'ফাৰীয়ে অফ্চাইড ঘোষণা কৰি আক্ৰমণকাৰীৰ গতি ৰোধ কৰে। কোনো পক্ষৰ খেলুৱৈ যদি আধা-পথাৰৰ বীপৰিত ফালে থাকে তেনেহ'লে ৰেফাৰিয়ে অফ্চাইড ঘোষণা কৰে।

(ঠ) থ্ৰো :

খেলৰ সময়ত বল যেতিয়া খেলপথাৰৰ লাইনৰ বাহিৰলৈ যায়, তেতিয়া যি খেলুৱৈয়ে বল বাহিৰলৈ পঠিয়াই তাৰ বিপৰীতে থ্ৰো ঘোষণা কৰে। থ্ৰো কৰাৰ নিয়ম হ'ল— বিপক্ষ দলৰ খেলুৱৈয়ে যি ঠাইৰ পৰা বল বাহিৰলৈ পঠাই সেই ঠাইৰ পৰা বল দলিয়াই ভিতৰলৈ আনিব। এই থ্ৰো কৰাৰ সময়ত খেলুৱৈজনৰ মুখ খেলপথাৰৰ ফালে থাকিব আৰু তেওঁৰ দুয়োখন ভৰি লাইনত স্পৰ্শ কৰি থাকিব নাইবা লাইনৰ বাহিৰত থাকিব। থ্ৰো কৰাৰ পাছত আন এজনে বলটো স্পৰ্শ নকৰাকৈ থ্ৰো'ৱাৰে বল স্পৰ্শ কৰিব নোৱাৰিব। থ্ৰো বলেৰে পোনে পোনে গ'ল কৰা নাযায়। থ্ৰো'বলত সাধাৰণতে অফ্চাইড নহয়।

(ড) কৰ্ণাৰ কিক্ :

প্ৰতিপক্ষৰ আক্ৰমণৰ পৰা গ'ল ৰক্ষা কৰোতে ৰক্ষাকাৰী দলৰ কোনো খেলুৱৈৰ গা স্পৰ্শ কৰি যদি বল গ'ল লাইনৰ বাহিৰলৈ যায় তেতিয়া আক্ৰমণকাৰী দলক গ'ল কৰাৰ বাবে এটি বিশেষ সুবিধা দিয়া হয়। এই সুবিধাকে কৰ্ণাৰ কিক্ বুলি কোৱা হয়।

(ঢ) পেনাল্টি কিক্ :

গ'ল পোষ্টৰ সন্মুখৰ এটি নিৰ্দিষ্ট এলেকাক পেনাল্টি এৰিয়া বুলি কোৱা হয়। এই সীমাৰ মাজত আক্ৰমণকাৰী খেলুৱৈক ৰিধি নিষিদ্ধভাৱে যদি প্ৰতিহত কৰে আৰু হেণ্ডবল কৰিলে আত্মৰক্ষাকাৰীৰ বিৰুদ্ধে পেনাল্টি কিক্ৰ নিৰ্দেশ দিয়া হয়। এনে ক্ষেত্ৰত আক্ৰমণকাৰী দলৰ কিক্ মাৰোতা আৰু আত্মৰক্ষাকাৰী দলৰ গ'ল ৰক্ষকৰ বাহিৰে কোনেও সীমাৰ ভিতৰত থাকিব নোৱাৰে। আক্ৰমণকাৰী দলৰ শ্বট গ'লৰক্ষকে ধৰিব নোৱাৰিলে, বল গ'লপোষ্টৰ ভিতৰত সোমালে গ'ল হয়। ১৮৯৯ খৃঃ ৰ পৰা ইয়াৰ প্ৰচলন হয়।

(ণ) টাই ব্ৰেকাৰ :

টাই ব্ৰেকাৰ এটি পদ্ধতি। এই পদ্ধতি অনুসৰি ফুটবলৰ নক্ আউট প্ৰতিযোগিতাৰ খেল ড্ৰ হ'লে খেলৰ চূড়ান্ত ফলৰ বাবে প্ৰতিযোগী দুয়ো দলক ৫টা বা ততোধিক পেনাল্টি কিক্‌েৰে গ'ল কৰাৰ সুযোগ দিয়া হয়। এনে অৱস্থত যি দলে বেছি গ'ল কৰিবলৈ সমৰ্থ হয়, সেই দলক জয়ী বুলি ঘোষণা কৰা হয়।



## চুটি গল্প

# তিতাফুলৰ গোন্ধ

—দিগন্ত গগৈ
অধ্যাপক, অসমীয়া বিভাগ।

গাড়ীখন চলিবলৈ এতিয়াও বহুত সময় বাকী। ডিমৌৰপৰা নিতাইপুখুৰীলৈ চলা গাড়ীবোৰ বেগেতে নেৰে। গাড়ীৰ ভিতৰত মানুহ পান জপাদি জাপ খাব লাগিব। দুৱাৰমুখত আৰু পিছফালে ওলমিবলৈ ঠাই নোহোৱা হ'ব লাগিব। তেহে হেণ্ডিমেনে গাড়ীৰ বডিত মস্ত ঢকা এটা মাৰি চিঞৰিব, "এই চলো"!

পুৱাবেলাতে আকাশত জুইহেন ৰ'দ। শাওন মাহ। গোকাট গৰমত যাত্ৰীবোৰে উচপিচাইছে। ঘামত গাৰ কাপোৰ-কানিবোৰ তিতি গৈছে। মই আগৰ চিটত বহি আছোঁ। মোৰ কাষতে বহিছে এগৰাকী অচিনাকী শকত মহিলা। চিটবোৰো যে ইমান ঠেক! গাড়ীৰ ভিতৰত ভেকেটা-ভেকেট গোন্ধ ওলাইছে। কেইবাদিনো ঘামত তিতা কাপোৰৰ পৰা যেনেকুৱা গোন্ধ ওলাই— তেনেকুৱা গোন্ধ। মুখখন খিৰিকিৰ ফালে কৰি মই বাহিৰলৈ চাই আছোঁ। কেনিও গছপাত এখিলা লৰা নাই। সকলো নিথৰ। হেণ্ডিমেন ল'ৰাটোৱে চিঞৰি আছে, "হেই ... নিতাইপুখুৰী ... ৰজাবাৰী।" একোবাৰ সি খিৰিকিয়েদি গাড়ীৰ ভিতৰলৈ হাত ভৰাই থিয়হৈ থকা যাত্ৰীবোৰক নিৰ্দেশ দিছে, "আপোনালোক পিছলৈ চলি দিয়ক, চলি দিয়ক।"

গাড়ীখনৰ পিছৰ চিটত বহা যাত্ৰীএজনে অথনিৰেপৰা অনৰ্গল কথা কৈ আছে। বাৰে-ভচহু কথা। মই আন এফালে চোৱাৰ অজুহাত দেখুৱাই থাওকতে পিছলৈ ঘূৰি মানুহজনলৈ চালোঁ। চিনি নাপালো। চেহেৰা-পাতিত সাধাৰণ গাৱঁলীয়া খেতিয়ক মানুহ যেন ভাব হ'ল। মানুহজনে মদ খাই আহিছেনেকি বাৰু? কিন্তু এই ৰাতিপুৱাতে! খাবও পাৰে। নিচা লাগিলে কিছুমান মানুহে বেছি কথা কয়। আনে শুনক বা নুশুনক। আনে আমনি পালেও তেনেলোকৰ মুখ বন্ধ নহয়। চলিয়েই থাকে। কিন্তু মানুহজনৰ কথা কোৱাৰ ঢংটো নিচা লগা মানুহে কোৱাৰ দৰে নালাগেচোন!

ডাঙৰক পেংলাই কৰি ভালপোৱা ছুটামান পিলিঙা ডেকাই মাজে মাজে দুই এষাৰ টুলুঙা কথা কৈ মানুহজনক উচতাই দিছে। সিহঁতে হয়তো মানুহজনৰ বাবে বাংকৰা কথাত ৰব ৰস পাইছে। মোৰ কাষত বহি থকা শকত মহিলাগৰাকীয়ে ভোৰভোৰালে, "কি যে মানুহ! ইমান গৰম, তাতে আকৌ বকৰকনি!"।

ঘটংকৈ দুৱাৰখন খুলি ড্ৰাইভাৰ উঠি আহি নিজৰ চিটত বহিলেহি। তেওঁ চাগে ইমানপৰে ৰাস্তাৰ সিটো পাৰে থকা কোনোবা এখন হোটেলৰ চুকত বহি গাড়ীৰ ভিতৰত মানুহৰ ভিৰ হোৱালৈকে বাট চাই আছিল। ড্ৰইভাৰে গাড়ী ষ্টাৰ্ট দিলে। যাত্ৰীবোৰে কিঞ্চিৎ সকাহ পালে। কিন্তু গাড়ী নচলেহে নচলে। ড্ৰাইভাৰে খিৰিকিৰে মূৰ উলিয়াই পিছলৈ ঘূৰি চাইছে— জানোছা আৰু কোনোবা যাত্ৰী আহিছে! যাত্ৰীবোৰে হাই-উৰুমি লগাইছে। ভিৰৰ মাজৰপৰা দুজনমান যাত্ৰীয়ে ড্ৰাইভাৰক হুম্‌কি দিছে, "গাড়ী চলাই দিয়ঁ, গাড়ী চলাই দিয়া, গৰমত মানুহ মৰিব নেকী?" ড্ৰাইভাৰে যাত্ৰীৰ কথালৈ কাণ দিয়া নাই। মনতে চাগে ভাবিছে, "কোনে তোমালোকক গৰমত মৰিবলৈ কৈছে? ঘৰতে বহি নাথাকিলানে৷ কে'লৈ ফেনৰ হাৱা খাই!" সৰু বাকচ এটাত হেঁচি হেঁচি কাপোৰ-কানি ভৰোৱাৰ নিচিনাকৈ সৰু গাড়ীখনত যাত্ৰী উঠাইলৈ হেণ্ডিমেনে চিঞৰিলে, "এই চলো।" অৱশেষত গাড়ী চলিল। ৰক্ষা তেও!

মই নিতাইপুখুৰীতে থাকি তাৰ কলেজখনত শিক্ষকতা কৰোঁ। কালি ডিব্ৰুগড়লৈ গৈ ঘূৰি আহি ৰাতিটো মৰাণৰ মিতিৰৰ ঘৰত কটাই আজি পুৱাই কলেজ পোৱাকৈ আহিছোঁ। মই সাধাৰণতে গাড়ীত বহি থকা আৰু গৈ থকা সময়খিনি চিন্তাভাৱনা কৰিয়েই কটাওঁ। আজি কিন্তু সেই সুবিধাও পোৱা নাই। উৎকট গৰম, তাতে পিছৰ চিটত বহি অহা মানুহজনৰ মাতটো; যেন এটা টেপৰেকৰ্ডাৰহে বাজিছে।

পিচ্‌ দিয়া ৰাস্তাটুকুৰা পাৰহৈ আহি গাড়ীখন কেন্দুগুৰিৰ ওচৰত শিল দিয়া ৰাস্তাত নামিলহি। নেৰানেপেৰা বৰষুণ দিয়াৰ ফলত এই কেইদিন ৰাস্তাটোৰ অৱস্থা যিহে হৈছে! খেনো ঠাইত এআঁঠু বোকা, খেনো ঠাইত গাঁত। পৃথিৱীৰ ভিতৰত এইটোৱে কিজানি আটাইতকৈ সাংঘাতিক বেয়া ৰাস্তা! গিনিজ বুক অব ৰেকৰ্ডত স্থান পাবলগীয়া। ৰাস্তা মেৰামতি কৰিবলৈ মাটি-বালি পেলাইছে এতিয়া। ফলত ৰাস্তাটো বেছিহে গেলিছে। বাৰিষানো ৰাস্তা মেৰামতি কৰেনে! শুনা বাতৰি মতে— চৰকাৰৰ ঘৰৰ ফাইলত হেনো ৰাস্তাটো পিচ্‌ হৈ আছে। থাকিবও পাৰে। আজব দুনিয়া।

পথকৰা ৰাস্তাইদি গৰুগাড়ী চলোৱাদি গাড়ীখন লটং-পটং, হেকেঁৰ-পেকেৰকৈ আগবাঢ়িছে। কোনোবা মুহূৰ্তত কৰ্ফাল খাই উফৰি পৰিব খোজেঁ। চিন্তাৰ আঁত হেৰাই যায়।

শুকানপুখুৰী, কমলদৈপুল পাৰহৈ আহি নহাটত ৰ'লহি ভিৰ ফালি কলেজৰ ছাত্ৰ-ছাত্ৰী এমখা গাড়ীৰ ভিতৰলৈ সোমাই আহিল। কোনোমতে পেঁপাকাঢ়ি কেইজনমান যাত্ৰী নামি গ'ল। নামিল যদি এগুণ, উঠিল দুগুণ। গাড়ীখন আকৌ চলিল। গাড়ীখনতকৈ যেন বেছি গতিত চলিছে পিচৰ চিটত বহা মানুহজনৰ মুখখন। কি কথা কৈ আছে জানো! গাড়ীৰ ঘেৰ্ঘেৰণি আৰু জোঁকাৰণিত মই তত্‌ ধৰিব পৰা নাই। ইমান কথা ক'ব পাৰেনে! মই দেখোন একেলেথাৰিয়ে দুটামান ক্লাচত লেক্‌চাৰ দিওঁতেই ডিঙি শুকাই শুকাই যায়। কিন্তু এই মানুহজনৰ মুখত দেখোন কথাবোৰ বহু সময়ধৰি আখৈ ফুটাদি ফুটি আছে। মুখ বিষুৱা নাইনে! পাগল নেকী আকৌ॥ হ'বও পাৰে।

গাড়ীখন আহি বান্দৰমাৰিত ৰ'লহি। ফৰ্ফকাই থকা মানুহজনৰ কথাবোৰ শুনি শুনি যাত্ৰীবোৰ হয়তো অতিষ্ঠ হৈছে। মোৰ পিছৰ চিটত বহি অহা বুঢ়ী এগৰাকীয়ে পিছলৈ ঘূৰী চাই অলপ খংমুৱাভাৱেই মানুহজনক কলে, "কি মানুহ হে তুমি? ইমান কথা কব পাৰানে?" (বুঢ়ী আৰু মানুহজনৰ মাজত চিনা-জনা আছে যদিও নাজানো।) বুঢ়ীৰ কথা হয়তো শেষ নহ'লেই; মানুহজনে মুখপতি ললে, "পৃথিৱীত যদি খই নোযোৱা (ক্ষয় নোযোৱা) বস্তু আছে তেন্তে এই মুখখনেই। নমৰা দিনলৈকে মুখ চলিয়ে থাকিব।" বুঢ়ীগৰাকী মনে মনে থাকিল। নেথাকিনো কি কৰিব।

বান্দৰমাৰীত দুজনমান যাত্ৰী উঠোৱা-নমোৱা কৰি গাড়ীখনে আকৌ গতি কৰিলে। মানুহজনৰ কথাষাৰ শুনি মোৰ এজন শিক্ষক-বন্ধুলৈ মনত পৰিছে। দুবছৰমানৰ আগতে তেওঁ ঢুকাল। ভালেদিন তেওঁ অসুখত ভুগি আছিল। খবৰ পাই মই দেখা কৰিবলৈ গৈছিলো। সেইদিনা তেওঁ মোৰ লগত এষাৰো কথা পতা নাছিল। আচলতে তেওঁ তেতিয়া কথা ক'ব পৰা অৱস্থাত নাছিল। ডিঙিত হোৱা কেন্সাৰ ৰোগে তেওঁৰ বাক্‌যন্ত্ৰ বিকল কৰি পেলাইছিল। যিজন মানুহে আগতে উদাত্তকণ্ঠে বিভিন্ন সভা সমিতি আৰু শ্ৰেণীকোঠাত বক্তৃতা দিছিল, তেওঁ সেইদিনা মাথোন যন্ত্ৰণাকাতৰ দৃষ্টিৰে মোৰ ফালে তধা লাগি চাই আছিল। কিবা ক'ব খুজিছিল। কিন্তু ক'ব পৰা নাছিল। তেওঁৰ অসহায় অৱস্থাটো দেখি মোৰ মনটো সেমেকি উঠিছিল।

ইতিমধ্যে কণ্ডাক্টৰ লৰাটোৱে দূৰৰ পৰাই হেঁপা মেলি মেলি ভাৰাবোৰ তুলিছে। কোনোবা এজন যাত্ৰীয়ে কৰ্কশ মাতেৰে কণ্ডাক্টৰক ধমক দিছে, ব'ল ব'ল! নামোতে দিম। ভাৰা নিদিয়াকৈ পলাই যাম নেকি?" মই মোৰ ভাড়া আগবঢ়াই দিলোঁ।

গাড়ীখন আহি নিতাইপুখুৰী পালেহি। ইঞ্জিন বন্ধ কৰি ড্ৰাইভাৰ নামি গ'ল। যাত্ৰীবোৰে হুৰমূৰকৈ নামিবলৈ ধৰিছে। মোৰ কাষত বহি অহা মহিলাগৰাকী কেতিয়ানো নামি গ'ল গমকে নাপালো। গড়গুগাৰ বৰনামঘৰৰ ওচৰত গাড়ীখন ৰখাইছিল। তাতে নামিল কিজানি! মোৰ কাষত এতিয়া বেলেগ এজন যাত্ৰীহে বহি আছে। যাত্ৰীবোৰ ক্ৰমে নামি শেষ হ'লত মই নামি আহিলো।

গাড়ীৰ পৰা নামি হঠাৎ দেখা পালো নৰেনক। নৰেনো এইখন গাড়ীতে আহিছিল হবলা! মইহে দেখা নাছিলো। নৰেন মোৰ পুৰণি ছাত্ৰ। নিতাইপুখুৰীৰ পৰা পূৱলৈ এমাইলমান দূৰত থকা ডিমৌ নদীৰ সিপাৰে সিহঁতৰ ঘৰ। নৰেন পঢ়াত সিমান ভাল নাছিল যদিও, বৰ অমায়িক ছাত্ৰ আছিল। সি মোক দেখি মাত লগালে, "চাৰ!" মই লক্ষ্য কৰিলো— পিছৰ চিটত বহি অনৰ্গল কথা কৈ অহা মানুহজন নৰেনৰ ওচৰতে ঠিয় হৈ আছে। মানুহজনে ইতিমধ্যে কথা কবলৈ এৰি চুপ হৈ পৰিছিল। মই মানুহজনলৈ চালো। মানুহজনৰ চকু দুটা কোটৰত সোমোৱা, নিস্তেজ। মুখখন শুকান। গালৰ হনু ওলোৱা। মানুহজনে ভাৱলেশহীন ভাৱে মোৰ ফালে চাই আছে। নৰেনে চিনাকী কৰি দিলে, "চাৰ! এখেত আমাৰ দেউতা।" মই নমস্কাৰ দিলো। মানুহজনেও নমস্কাৰৰ ভঙ্গীত হাত দুখন দাঙিলে। মই নৰেনক সুধিলো, "এতিয়া পিচে আহিলা ক'ৰ পৰা?" নৰেনে অলপ ইতস্ততঃ কৰি ক'লে, "ডিব্ৰুগড়ৰ পৰা আহিলো চাৰ। দেউতাৰ অসুখ। মেডিকেলত আছিল। আজি লৈ আহিলোঁগৈ।" মই আচৰিত হ'লো। অসুখীয়া মানুহেনো ইমান কথা পাতিব পাৰেনে! উৎসুক হৈ নৰেনক সুধিলো, "কি হৈছে? কি বেমাৰ?" নৰেনে অলপ দুখমনেৰে ক'লে, "ডাক্তৰে দেউতাৰ ডিঙিত কেন্সাৰ হৈছে বুলি কৈছে।" নৰেনৰ দেউতাক ইতিমধ্যে আমাৰ কাষৰ পৰা আঁতৰি গৈছিল। নৰেনে মোক আৰু জনালে যে, আজি কেইদিনমানৰ আগৰ পৰা মানুহজনৰ মগজুৰো বিকৃতি ঘটিছে।

# ৰহস্যময় অন্ধকাৰত পৰীক্ষা

শ্ৰীবিকাশ গগৈ
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

নিশা ৰাৰ বজাৰ পাছত পাকলে দিলীপলৈ অপেক্ষা নকৰি ভাত খাই শুই থাকিল।

দিলীপে পাকলক বিয়া কৰোৱাৰ আগতেই এদিন কৈছিল, পাকল, মোৰ চাকৰিৰ সৈতে তোমাৰ হয়তো সমন নিমিলিবও পাৰে। তেতিয়া কিন্তু মোক দোষ নকৰিবা। তেতিয়া পাকলে মাথো কৈছিল, "তোমাৰ চাকৰিৰ সৈতে মোৰ কি সমন্ধ, তুমি চাকৰি কৰা মানুহ চাকৰি কৰিবা, মই ঘৰ চম্ভালিম।"

ইতিমধ্যে পাৰুল আৰু দিলীপৰ বিয়া হোৱা দুমাহ পাৰ হৈ গৈছে। প্ৰথমে নতুন ঠাই, নতুন ঘৰ আৰু নতুন জীৱন পাকলৰ খুব ভাল লাগিছিল। এতিয়াও বেয়া লগা নাই। মাত্ৰ দিলীপ কাষত থাকিলেই হল। কিন্তু যোৱা কেইদিন মানৰ পৰা দিলীপৰ খাবলৈ-শুবলৈ সময় নাইকীয়া হৈছে।

দিলীপ ৰঞ্জন চৌধুৰী চি, আই, ডি, ইন্সপেক্টৰ। নামৰূপৰ বেংক ডকাইতি কেছৰ অপৰাধীক ধৰিবলৈ পুলিচ বিভাগ সক্ষম নোহোৱাত কেছটো ইন্টেলিজেন্স ডিপাৰ্টমেন্টলৈ ট্ৰেন্সফাৰ কৰা হয়। কাৰ্যভাৰ হাতত লোৱা দুমাহৰ পাছতে দিলীপে অপৰাধীক ধৰিবলৈ সক্ষম হয়। দুটাক ধৰিলে যদিও লগৰ এটাক ধৰিব নোৱাৰিলে। ইয়াৰ পিছত দিলীপে কিছুদিন জিৰণি ললেও ইন্টেলিজেন্স ডিপাৰ্টমেন্টৰ লোকৰ জিৰণি খুউব ক'ম। প্ৰতিদিনেই কেন্দ্ৰৰ পৰা মেছেজ আহিয়ে থাকে। দিলীপে দুদিনমানৰ পৰা গোপন সূত্ৰমতে অনুসন্ধানৰ কামত ব্যস্ত থাকিব লগা হৈছে। কেতিয়াবা সন্ধিয়াতে ওলাই গৈ পিছদিনা ৰাতি মাজনিশাহে ঘূৰি আহে। টোপনীয়াই টোপনিয়াই অপেক্ষা কৰি থকা পত্নীক দেখিলে লঘোনে থকাৰ বাবে খং কৰে।

বিছনাত পৰাৰ পাছত নানান অসংলগ্ন চিন্তাই ঘেৰি ধৰিলে পাকলক। দিলীপ আজি পুৱাতে ওলাই গৈছে। হয়তো আজি নাহিব। সাধাৰণতে ৰাতি বাৰ বজাৰ পাছত আহিব লগা হলে তেওঁ থানাতে থাকে। আজিও অহাৰ কোনো সম্ভৱনা নেদেখিল পাকলে। নিশাওটো ভলেমান হল। টোপনি যাবলৈ যত্ন কৰিলে পাকলে।

টোপনি যোৱাৰ আগমুহূৰ্তত পাকলে দুৱাৰত টোকৰ মৰা শুনিবলৈ পালে; কিন্তু কাণ পাতিও একো নুশুনাত মনৰ ভুল বুলি ভাবি পুনৰ শুই থাকিল।

সেয়া পাকলৰ মনৰ ভুল নাছিল। এক মিনিটৰো কম সময়ৰ পূৰ্বে ঘৰৰ পৰা কিছু দূৰত জীপ এখন নিঃশব্দে আহি ৰৈছিল। তাৰ পৰা ক'লা সাজ পৰিধান কৰা ব্যক্তিজনে পোনে পোনে ঘৰৰ বাৰান্দাত উঠিলেহি। তাৰ পাছত দুৱাৰত সৰু সৰু দুটা টুকৰ মাৰি ঠিয় দি ৰ'ল। কেইটামান মুহূৰ্ত পাৰ হৈ যোৱাৰ পাছত ব্যক্তিজনে দুৱাৰখন পৰীক্ষা কৰাৰ, দৰে হাতফুৰালে। খৰখৰাই উঠিল দুৱাৰৰ পৃষ্ঠভাগ। সেই খৰখৰনি পাকলে স্পষ্ট শুনিবলৈ পালে। ক্ৰমে খৰ্‌খৰনি বাঢ়ি যাবলৈ ধৰিলে। পাকলে বহুতো চিন্তা কৰিও ধৰিব নোৱাৰিলে, সেয়া কিহৰ শব্দ। অথচ শব্দৰ উৎস যে ঘৰৰ বাৰাণ্ডাৰ ফালৰ পৰা আহিছে সেয়া ঠিক। হঠাতে পাকলৰ দিলীপৰ সাৱধানবাণী দুষাৰমান মনত পৰাত ভয়ো লাগিল। দিলীপে কৈছিল, 'চোৱা পাকল, চি, আই, ডি, বিভাগৰ লোক হিচাপে যিদৰে অপৰাধীয়ে আমাৰ পৰা আঁতৰতে থাকে, সেইদৰে এক শ্ৰেণী অপৰাধী আমাৰ কাষ চাপিহে আহে। সিহঁতে সৰ্বক্ষণ আমাক চকুৰে চকুৰে ৰাখিব বিছাৰে। ভেশছন ধৰাত সিহঁত পাকৈত। গতিকে পত্নী হিচাবে তুমিও কিছু সাৱধানে থকা উচিত। যি কোনো অচিনাকি লোকৰ সৈতে হঠাৎ আন্তৰিকতা গঢ়ি নুতুলিবা। কোনে জানে, কোনে বা কি মতলব লৈ আহে।

খৰ্‌খৰণি শব্দ নিশ্চয় কোনোবা মানুহৰে কাম। গম পাইছে দিলীপ ঘৰত অনুপস্থিত আৰু পাকল অকলশৰীয়া হৈ আছে আৰু সেই সুযোগ লবলৈ ইতিমধ্যে খৰ্‌খৰনি একেলেথাৰিয়ে হৈয়ে আছে; কিন্তু শব্দটো হঠাৎ কিছুসময়ৰ বাবে ৰৈ পুনৰ ৰৈ ৰৈ হবলৈ ধৰিলে। অৱশেষত পাকলে এবাৰ চাই অহাকে ঠিক কৰিলে।

ভিতৰত খটকৈ চুইছৰ শব্দ হ'ল। লাইট জ্বলিল। ব্যক্তিজনে হাতখন নমাই আনিলে। বাৰাণ্ডাত তেতিয়াও আন্ধাৰ। ব্যক্তিজনে ইফালে-সিফালে চালে।

ছুকটো খুলি পাকলে বাহিৰলৈ ওলাল। বাওঁহাতত টৰ্চ আৰু সোঁহাতত এটা সৰু আধুনিক শক্তিশালি ৰিভলভাৰ। পাৰুলৰ টৰ্চৰ পোহৰ পোনেই গৈ গেটৰ সিপাৰে থকা ডাঙৰ জোপোহাটোত পৰিলগৈ। ইতিমধ্যে ব্যক্তিজন বেৰত চেপেটা লাগি ৰৈ আছে। জোপোহাটো ৰকাষতে ধুপুচকৈ সৰু শব্দ এটা হল। পাকল কিছু আগুৱাই গৈ টৰ্চৰ পোহৰ পেলাই স্থিৰ হৈ চাবলৈ ধৰিলে। ভালেমান সময়লৈকে কোনো শব্দ নোহোৱাত পাকল ঘূৰিল। তথাপিও আৰু দুবাৰমান ইফালে সিফালে টৰ্চৰ পোহৰ পেলাই চালে। বাৰাণ্ডাৰ বাল্বটো ফিউজ হৈ আছে কাৰণে বাৰাণ্ডাত অন্ধকাৰ। পাকল ঘূৰিল। দুৱাৰ জপাই ভিতৰলৈ আহি বিছনাত বহিলেহি। ৰিভলভাৰটো গাৰুৰ তলত থৈ টেবুলৰ পৰা পানী এগিলাচ তুলি অলপ খালে। তাৰ পাছত লাইট অফ কৰি শুই পৰিল। কোঠাটোত মাথোন বিচ্ছুৰিত হৈ থাকিল জিৰো পাৱাৰৰ বাল্বটোৰ পৰা অহা নীলাভ পোহৰখিনি।

ঘড়ীৰ মিনিটৰ কাটাই দুটামান ঘৰ অতিক্ৰম কৰাৰ পিছতে পাকলৰ দীঘল দীঘল শ্বাস-প্ৰশ্বাস শুনা গ'ল। বিছনাৰ তলৰ পৰা ৰহস্যময় ব্যক্তি এজনৰ আৱিৰ্ভাৱ হ'ল। ব্যক্তিজন কেইটামান মুহূৰ্ত বিছনাখনৰ কাষত থিয় হৈ থাকিল। আঠুৰাৰ ভিতৰত পাকল শুই আছে নিৰৱে।

ব্যক্তিজন যেন কিছুসময়ৰ বাবে জড়তাৰ কৱলত বন্দী হৈ ৰ'ল। ক্ষন্তেকৰ পিছতে হাতেৰে আঠুৱাৰ এচুকত টানিবলৈ ধৰিলে। সামান্য কুঁজা হৈ সোঁহাতখন আঠুৱাৰ মাজেৰে ভৰাই দিলে ব্যক্তিজনে। পিছমুহূৰ্তে ব্যক্তিজনৰ হাতত উঠি আহিল এটা ৰিভলভাৰ। কিছুসময়ৰ পাছত ৰিভলভাৰটো পুনৰ আগৰ স্থানত থৈ ব্যক্তিজনে লাইটটো নুমুৱাই দিলে। অন্ধকাৰে হঠাৎ আৱৰি ধৰিলে সমগ্ৰ কোঠাটো।

ব্যক্তিজনৰ ভৰিত লাগি হঠাৎ উফৰি পৰিল টুল এখন। সেই শব্দত পাকলে সাৰপাই উঠিল। লগে লগে বে'ড চুইছটো টিপি দিলে। আঠুৱাৰ ভিতৰৰ পৰাই পাৰুলে দেখিলে চুইছ বৰ্ডৰ সন্মুখত সম্পূৰ্ণ ক'লা সাজ পিন্ধা এজন

মানুহ হৈ আছে, হাতত বিভলভাৰলৈ। মানুহজনৰ মুখখনৰ চকু আৰু নাকৰ বিন্ধাংশ অংশৰ বাহিৰে সম্পূৰ্ণ কাপোৰে আবৃত।

আতংকত জড় হৈ পৰা পাৰ্কল বাহ্যজ্ঞান লুপ্ত হোৱাৰ দৰে হ'ল। অলপ সময় পাৰ্কল বিছনাতে বহি থাকিল। অধ্যয়ন কৰিবলৈ প্ৰচেষ্টা চলালে প্ৰৱাপবক। মানুহজন থিয় হৈ থাকোতেই পাৰ্কল বিছনাৰ পৰা নামিল।

কোন? কোন তুমি — ?

চুপ! মই কম, মই কোন। তাঁৰ আগতে শুনি লওঁক, খন্তেক পিছতে চি, আই, ডি, ইন্সপেক্টৰ দিলীপ ৰঞ্জন চৌধুৰী আহি পাবহি। মই জানো চৌধাৰী আপোনাৰ স্বামী। কিন্তু তাৰ বাবে মোৰ কোনো সমস্যা নাই। প্ৰধান কথা চৌধাৰী মোৰ শত্ৰু। নিৰুপায় মই। এই পৃথিৱীৰ দুজনৰ ভিতৰৰ এজন আতৰিবই লাগিব।

কি? পাৰ্কল আতংকত চিঞৰি উঠিল।

চুপ। মানুহজন গৰ্জি উঠিল। কথা মই ক'ম মেডাম। চিঞৰ-বাখৰ কৰিলে কথা বেয়া হ'ব কিন্তু — — —।

আকৌ পাৰ্কল চুপ হৈ থাকিল। মানুহজনে কবলৈ ধৰিলে। দিলীপ ৰঞ্জন চৌধাৰীয়ে মোৰ বন্ধুক গ্ৰেপ্তাৰ কৰি জেলত শাস্তিদি মোৰ সংবাদ বাহিৰ কৰিবলৈ চেষ্টা চলাইছে। মানুহজনে পিস্তলৰ নলীডাল পাৰ্কলৰ মুখত লগাই কবলৈ ধৰিলে। আপুনি ভদ্ৰ মহিলাৰ দৰে দুদিনৰ আগত চৌধাৰীয়ে দিয়া ফাইলটো ক'ত আছে কওঁক। কিন্তু মনত ৰাখিব যদি কণমানো ছলনাৰ আশ্ৰয় লয় তেন্তে পিস্তলৰ গুলি প্ৰথমে আপোনাৰ গাত সোমাব।

ফাইল? কিহৰ ফাইল?

উহুঁ, উহু, কোনো পলম নকৰিব। সোনকালে কলে সুখী হ'ম। সময় বৰ কম।

মানুহজনৰ কথাত পাৰ্কল চিন্তাত পৰিল।

ফাইল এটা গোপনে থৈ দিয়া কথা পাৰ্কলে জানে। কিন্তু মানুহজনে জানিলে কেনেকৈ! তদুপৰি সেইটো দি দিলে দিলীপৰ বিপদত পৰাৰ সম্ভৱনাই অধিক। মনত এটা বুদ্ধি খেলালে পাৰ্কলৰ। পাৰ্কলে আঙুলিয়াই দেখুৱালে টেবুলৰ বাকচটোলৈ। বাকচটোত বহুতো কিতাপ-পত্ৰই ঠাহ খাই আছে। দলিয়াই দিয়া ছাবিকোছা আলাসতে থাপমাৰি ধৰি মানুহজনে তলা খুলিববৈ অগ্ৰসৰ হল।

এয়ে সুযোগ। চকুৰ পচাৰতে গাৰুৰ তলৰ পৰা পাৰ্কলে উলিয়াই আনিলে বিভলভাৰটো।

হাত তোল দস্যু।

মানুহজন থমকি ৰ'ল। সোঁহাতখন পকেটত সোমোৱাৰ খোজোতেই পাৰ্কলে গৰ্জি উঠিল— খবৰদাৰ! গুলি চলাবলৈ মোৰ কণমানো সংকোচ নহব। তই মুখা খোল। মানুহজন নীৰৱ।

তিনিলৈকে গণ্তি কৰিম। এক; দুই …।

তিনি কোৱাৰ আগত মানুহজনে মুখাখন খুলি পেলালে। বিস্ময়ত পাৰ্কল হতকাক হৈ ৰ'ল। হাতৰ বিভলভাৰটোলৈ এবাৰ চালে। সঁৰি পৰিল বিভলভাৰটো। তাৰ পিছত কিবা এটা কব খুজিও দৌৰি গৈ মানুহজনক সাৱতি ধৰিলেগৈ। দস্যুৰূপী দিলীপে দুহাতেৰে পাৰ্কলক আকোৱালি ললে। প্ৰবল বেগে উচুপি উঠা পত্নীক শান্ত কৰিবলৈ দিলীপৰ বহু সময় লাগিল। অৱশেষত শান্ত হোৱাত দিলীপে সুধিলে - পাৰ্কল, খুউব ভয় খালা নহয়?

নাথাম কিয়? কি দৰকাৰ আছিল এইবিলাকৰ? যদি গুলিয়াই দিলোহেঁতেন!

গুলি থাকিলেহে গুলীয়াবা। কেতিয়াবাই বাহিৰ কৰি থলো, তোমাৰ বিভলভাৰৰ গুলী।

দিলীপে হাঁহিলে।

তুমি কেনি সোমালা? বহু সময় নিৰবে থকাৰ পিছত সুধিলে পাৰ্কলে।

তুমি দুৱাৰ খুলি মই দলিয়াই দিয়া শিলগুটিটোৰ অনুসন্ধানত ব্যস্ত থাকোতেই সোমালো। বাকীবোৰটো জানাই।

মুখা ক'ত পালা? পাৰ্কলে প্ৰশ্ন কৰিলে।

আজি অনুসন্ধানত যাওঁতে উদ্ধাৰ কৰিলো।

মোৰ হাততে থাকি গ'ল। প্ৰথমে দুৱাৰত টোকৰ মাৰিলো, কিন্তু তেতিয়াই প্লেনটো খেলালে। তোমাক বিভলভাৰটো উলিয়াবলৈ সুযোগ দিছিলো ময়েই বুজিছা।

***

[ ১৭ পৃষ্ঠাৰ পাছৰ পৰা ]

কেতিয়াবা অনৰ্গল কথা কৈ যায় আৰু কেতিয়াবা এষাৰো কথা নপতাকৈ মনে মনে থাকে। মোৰ এনে ভাৱ হ'ল— নিশ্চিত মৃত্যুৰ জীয়া যাতনাই মানুহজনৰ মুখৰ মাতষাৰ চিৰদিনৰ কাৰণে বন্ধ কৰি দিয়াৰ আগতেই মানুহজনে হয়তো সকলো কথা কৈ শেষ কৰি দিব খুজিছে! কথাষাৰ ভাবি অহেতুক কাৰণত মনটো মোৰ সেমেকি উঠিল। নয়ন আঁতৰি গ'ল। মই কলেজলৈ বুলি খোজ ললো। আজি বাৰু কি লেক্‌চাৰ দিমগৈ ক্লাচত!!!

***

## অমৃত বাণী—

ছাত্ৰ হ'ল বুদ্ধিজীৱী সম্প্ৰদায়ৰ আটাইতকৈ উৎসাহী অংশ। এওঁলোক বুদ্ধিজীৱী, এই কাৰণেই যে এওঁলোক অত্যন্ত সচেতন, দৃঢ় আৰু এওঁলোক সঠিকভাৱে শ্ৰেণী স্বাৰ্থৰ অগ্ৰগতি আৰু অৰ্থনৈতিক মতবাদৰ প্ৰতিফলন ঘটায়। —লেনিন।

মানুহৰ দুখ দুৰ্দশাত যিবিলাকৰ প্ৰাণে নাকান্দে, সেই বিলাকক মানুহ বুলিব পাৰিনে? পৰৰ দুখত যিজন কাতৰ হয়, পৰৰ দুখ দুৰ্গতি দূৰ কৰিবৰ বাবে যিজনে নিজকে বিলাই দিয়ে, তেওঁহে প্ৰকৃত মানুহ। —স্বামী বিবেকানন্দ।

হয় সন্মুখ ৰণত মৰি স্বৰ্গলাভ কৰা, নহয় জয়ী হৈ ৰাজ ভোগ কৰা। যি গৰাকীলোক আইন কানুন উলংঘা কৰি স্বেচ্ছাচাৰী হৈ কৰ্মত প্ৰবৃত্ত হয়, তেওঁ সিদ্ধি লাভ কৰিব নোৱাৰে। সুখো নাপায়। তেওঁৰ সদগতিও নহয়। —গীতা।

সংগ্ৰাহক: —শ্ৰীঅখিল দত্ত
স্নাতক ২য় বাৰ্ষিক (কলা)

# হেৰুৱা দিনৰ সপোন

দুৰ্লভ গগৈ
স্নাতক তৃতীয় বাৰ্ষিক

ট্ৰেইনখন আহি এটা ষ্টেচনত ৰৈ যোৱাত সন্ধ্যাৰ তন্ময়তা ভাগি গ'ল। তাই হাতৰ ঘড়ীলৈ চালে, নিশা দহ বাজিছে। কাষৰ আসনখনত প্ৰতীমে তেতিয়া টুপনিয়াবলৈ ধৰিছে। ষ্টেচনটোৰ নামটো আৰু ঠাই টুকুৰাৰ নামটো জানিবলৈ ইচ্ছা গৈছিল যদিও তাই নুসুধিলে। প্ৰতীমৰ টুপনিত ব্যাঘাট জন্মাবলৈ তাইৰ ইচ্ছা নগ'ল। যোৱা নিশাও প্ৰতীমে ভালদৰে শুবলৈ নাপালে। সিহঁতৰ কপাৰ্টমেণ্টৰ বাকী দুজন যাত্ৰী সেইটো ষ্টেচনতে নামি গ'ল।

ষ্টেচনত মৃদু ব্যস্ততাই বিৰাজ কৰিছে। দুই এজন যাত্ৰী নামি গৈছে দুই এজন উঠিছে। বহি, শুই সন্ধ্যাৰ আমনি লাগিছে। পুৱা চাৰিমান বজাত ৰেলখন গুৱাহাটী পোৱাৰ কথা। তাই মনতে হিচাপ কৰি চালে, আৰু ৬ ঘণ্টা এইদৰে থাকিবই লাগিব। গুৱাহাটীৰ মোমায়েকৰ ঘৰত সোমাবলগীয়া নোহোৱা হলে কোনোবা চুপাৰ এখনত গধূলি গধূলি ঘৰ পোৱাকৈ গুছি যাবগৈ পাৰিলেহেঁতেন। কিন্তু আকৌ জানো মোমায়েকৰ ঘৰলৈ আহিবলৈ সময় পাব ? মোমায়েকেও বহুত দিনৰ পৰা মাতি আছে। তাইৰ বিয়াতো যাব নোৱাৰিলে। প্ৰতীম আৰু তাইক দুয়োটাকে একেলগে চাবলৈ মন। তাই প্ৰতীমকো কথাটো কৈছে, তেওঁ সন্মতি দিছে, গতিকে সোমাই যোৱাটোকে তাই সিদ্ধান্ত ললে। প্ৰতীম উদাৰ মনৰ, সেই কাৰণেই তাইৰ ভাল লাগে। ঘৰ উত্তৰ প্ৰদেশৰ এখন চহৰত যদিও সৰুৰে পৰা অসমতে থকা, অসমতে শিক্ষা লাভ কৰি এতিয়া অসমতে চাকৰি কৰে। অসমীয়া ভাষা মাতৃভাষাৰ দৰে হৈ পৰিছে।

প্ৰথমতে তাই বিয়াত বহিবলৈ অস্বীকাৰ কৰিছিল যদিও মাক-দেউতাক আৰু মোমায়েকৰ হেঁচাত পৰিয়ে বাধ্য হ'ল। দুয়োটাই একেখন কলেজতে চাকৰি কৰে। অৱশ্যে প্ৰতীমৰ লগত তাই আশা কৰাতকৈ বেছিহে সুখী হৈছে। এখন বহল অন্তৰ, অফুৰন্ত মৰমে উপচি থকা এখন হৃদয়। কিন্তু ইমানখিনি পায়ো যেন তাই কিবা এটা নাপালে। ক'ৰবাত যেন ভুল হৈ গ'ল। তাই কথাবোৰ ভাবি থাকোতেই পুনৰ এটা দীঘলীয়া উকি মাৰি ট্ৰেইনখনে লাহে লাহে ষ্টেচন এৰি যাবলৈ ওলালে। তাইৰ চিন্তাত যতি পৰিল। কাষৰ চিট্‌ত প্ৰতীম তেতিয়া গভীৰ নিদ্ৰাত।

এনেতে হাতত এৰিষ্ট্ৰ'কেট লৈ সিহঁতৰ কম্পাৰ্টমেণ্টলৈ সোমাই অহা যাত্ৰীজন দেখি সন্ধ্যা উচপ খাই উঠিল।

নীলম ! সন্ধ্যাই ওঁঠ ফুটি ওলাই আহিব খোজা শব্দটো কোনোমতে চেপি ৰাখিলে। তাইৰ অৱস্থা ডেউকাভগা পক্ষীৰ দৰে হ'ল। লাজ, শংকাত তাই ম্ৰিয়মান হৈ গ'ল।

কিন্তু সমানে আচৰিত হ'ল তাইক দেখি তলমূৰকৈ আহি থকা যাত্ৰীজনো। পিছলৈ ঘূৰি চালে কিন্তু ইতিমধ্যে ট্ৰেইনখনে পূৰ্ণগতি লাভ কৰিছে নহলে হয়তো সি জপিয়াই নামি গ'লহেঁতেন। অগত্যা সি সন্ধ্যাৰ বিপৰীত ফালে থকা আসনখনতে বহি পৰিল।

অপৰাধী অপৰাধী দৃষ্টিৰে তাই নীলমলৈ চালে। গাৰুটোতে আঁউজি ভৰিকেইটা মেলি চকুকেইটা মুদি আছে। নাই, কোনো অভিব্যক্তিয়েই তাৰ মুখত ফুটি উঠা নাই। বাস্তৱজগতখনৰ কোনো বিষয়ৰ প্ৰতিয়েই যেন তাৰ আসক্তি নাই। তাৰ চৌদিশে যেন বিৰাট এটা শূন্যতা। এই পাঁচটা বছৰতে তাৰ বহুত পৰিবৰ্তন হৈ গৈছে।

অনুশোচনাত তাইৰ মনটো সেমেকি গ'ল। তাই প্ৰতীমলৈ চালে। প্ৰতীম তেতিয়াও নাক মাৰি শুই আছে। ৰাতিৰ নিস্তব্ধতাৰ মৰ্মভেদী আন্ধাৰ ৰজনীৰ সেঁওতা ফালি দুৰন্ত গতিত ট্ৰেইনখন আগবাঢ়িছে। এৰি অহা ষ্টেচনবোৰ আৰু দ্ৰুত গতিত পাৰ হৈ যোৱা গছ-গছনিবোৰ আন্ধাৰত বিলীন হৈ গৈছে, অতীত হৈ গৈছে।

সন্ধ্যাই জীৱনৰ পথত এৰি অহা ঢৌবোৰ পুনৰ লগ পাইছেহি, সেইবোৰে তাইৰ স্মৃতিৰ পটত কঁপনি তুলিছেহি। মনটো উৰি গৈছে দূৰ অতীতৰ এৰাস্মৃতি বিচাৰি। তাই পাহৰি থাকিব বিচাৰিলেও কোঠাটোলৈ নীলমৰ আগমণে সঘনাই মনত পেলাই দিছে তাইৰ অতীতখিনিক। পাঁচ বছৰমানৰ আগৰ কথাবোৰ জীৱন্ত উপন্যাসৰ পাতৰ দৰে তাইৰ আগত ভাঁহি উঠিল।

তাই সেইবাৰ অসমীয়া বিষয়ত মেজৰসহ 'সোণপৰ কলেজত' স্নাতক প্ৰথম বাৰ্ষিকত এডমিচন লৈছিলহি। আগতে সোণাৰিত পঢ়িছিল, কিন্তু সেইবাৰ পাহাৰীয়া নদীখনৰ কাষত থকা সিহঁতৰ ঘৰটো গৰাখহনীয়াই উটুৱাই নিয়াৰ সম্ভাৱনা দেখি সিহঁতৰ পৰিয়ালটো উঠি আহিছিল কলেজখনৰ কাষৰ এই গাওঁখনলৈ। পৰিয়াল বুলিবলৈ কেৱল তাই আৰু মাক বাপেক। ঘৰৰ আৰ্থিক অৱস্থা বৰ টনকিয়াল নাছিল বাবে দেউতাকে তাইক এই স্থানীয় কলেজখনতে পঢ়াবলৈ কৈছিল। প্ৰধানকৈ মাক-দেউতাকৰ তায়েই একমাত্ৰ সন্তান বাবে অশেষ কষ্ট কৰি হলেও পঢ়াইছিল। অৱশ্যে কলেজখনত তাই কোনো অস্বস্তিকৰ পৰিস্থিতিৰ সন্মুখীন হোৱা নাছিল। বৰঞ্চ ভালেই লাগিছিল। দুই এটা ৰেগিং, দুই এটা কটাক্ষ চাৱনি আৰু তাইক জোকাৱাৰ উদ্দেশ্যে পৰোক্ষ অৰ্থত কোৱা দুই এটা উদ্ধৃতি। এখন কলেজততো এইবোৰ একেবাৰে স্বাভাৱিক কথা, তাৰোপৰি কলেজখনৰ গাঁৱলীয়া পৰিবেশটো আৰু তাত পঢ়া ছাত্ৰ-ছাত্ৰী বিলাকৰ সহজ সৰল ৰুচিবোধৰ বাবে তাইৰ ভাল লাগিছিল। কাষেৰে বৈ যোৱা দিহীংখনৰ পাৰৰ মিচিং গাওঁবোৰ আৰু তাৰ সিপাৰে থকা বিস্তৃত ঘাঁহনি ইত্যাদিবোৰে তাইৰ মনত এক সেউজ প্ৰতিচ্ছবিৰ সৃষ্টি কৰিছিল। দিহীংখনৰ ফালৰ পৰা অহৰহ বৈ থকা মৃদু মলয়া জাকে তাইক কলেজখনৰ প্ৰাকৃতিক আবেষ্টনীৰ লগত চিনাকি কৰাই দিছিল।

প্ৰথম কেইদিনমান তাই অকলশৰীয়া অনুভৱ কৰিছিল যদিও আৰতি নামৰ সিহঁতৰ ঘৰৰ কাষৰ ছোৱালীজনীৰ লগত স্বাভাৱিক বন্ধুত্ব গঢ়ি উঠিছিল। কেইদিনমানৰ পাছত আৰতিয়ে তাইক অসমীয়া বিভাগৰ ছোৱালীবিলাকৰ লগত চিনাকি কৰাই দিছিল। সহজেই তাই সিহঁতৰ আন্তৰিকতাখিনি বুটলিবলৈ সক্ষম হৈছিল। লৰাকেইটাই প্ৰথমে কিছু ইতস্ততবোধ কৰিছিল যদিও এদিন সিহঁতিও চিনাকি হৈছিলহি। তাইক সিহঁতে নাম, ঘৰ, ডিভিজন, আগতে ক'ত পঢ়িছিল ইত্যাদি সৰু সুৰা প্ৰশ্ন সুধিছিল। তায়ো সেইবোৰৰ যথাযথ উত্তৰ দি গৈছিল। অৱশ্যে তায়ো দুই এটা প্ৰশ্ন সিহঁতক সুধিছিল। নীলম কিন্তু মনে মনে আছিল। তাইক সি নামটোও সোধা নাছিল। সি মাত্ৰ প্ৰশান্তহঁতৰ আঁৰত থাকি শুনি গৈছিল তাইৰ উত্তৰবোৰ আৰু উত্তৰ দিওঁতে লাজত ইষৎ ৰঙচুৱা হোৱা তাইৰ স্নিগ্ধ মুখখন চাই আছিল। মাজে মাজে প্ৰশান্ত প্ৰবিত্ৰহঁতৰ ফাঁকেৰে সৰকি অহা তাইৰ দৃষ্টিৰে তাক ধৰা পেলাইছিল। সি কিন্তু তাইৰ

দৃষ্টিৰ আঁৰ হবলৈও নিবিচাৰিছিল। এইদৰেই চিনাকিপৰ্ব শেষ হৈছিল। নীলমেও তাইক একো নুসুধিলে আৰু তায়ো। ফলত, সিহঁত দুটাৰ মাজত কোনো শব্দৰ আদান প্ৰদান নহ'ল।

বাস্তাত তাই আৰতিক নীলমৰ কথা সুধিছিল। আৰতিয়ে কৈছিল — "নাম নীলম, ধনী ঘৰৰ লৰা। বাপেক বিটায়াৰ্ড পুলিছ অফিচাৰ, ককায়েক ইঞ্জিনিয়াৰ, পঢ়া শুনাতো বেষ্ট, অৱশ্যে ধনী ঘৰৰ যদিও ভেম চেম নাই।

সেইদিনা আৰতিৰ কথাকেইটাই তাইৰ মনৰ গোপন অনুভূতিখিনিত চেঁচাপানী ঢালিছিল যদিও আৰতিৰ আগত তাই একো অভিব্যক্তি প্ৰকাশ কৰা নাছিল।

তাইৰ মৌনতালৈ লক্ষ্য কৰি পুনৰ আৰতিয়েই কৈছিল — "কিয়, তোৰ লগত চিনাকি হোৱা নাইনিকি?"

আৰতিৰ প্ৰশ্নত তাইৰ মনটো খোকোজা লাগি গৈছিল। তাই কোনোমতেহে কৈছিল — "নহয় মানে চিনাকি হব লগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱা নাই। মই তোক এনেয়ে কথাটোহে সুধিছোঁ।"

"কালিলৈ মই বাৰু চিনাকি কৰাই দিম। অৱশ্যে যদিহে তোৰ ইচ্ছা আছে।"

চিনাকি হোৱাৰ ইচ্ছা আছিল যদিও আৰতিৰ কথাত হস্তক্ষেপ কৰি তাই কৈছিল — "নাই নাই, চিনাকি কৰি দিব লাগিছে কিয়? একেখন কলেজৰ যেতিয়া এদিন নিশ্চয় চিনাকি হ'ম। তাতে আকৌ একেই ডিপাৰ্টমেণ্ট।"

কিন্তু যিমানে দিনবোৰ অতীতৰ পিনে ঢাপলি মেলিলে, সময়ৰ হিচাপবোৰ যিমানেই স্পষ্ট হৈ আহিল, নীলম আৰু তাইৰ মাজত চিনাকি হোৱাৰ সম্ভাৱনাখিনি সিমানেই অস্পষ্ট হৈ আহিছিল। প্ৰথম দিনাৰ সেই পৰিস্থিতিটোৱে দুয়োটাকে আঁতৰাই লৈ ফুৰিছিল।

তাই ভাবিছিল নীলম ধনী ঘৰৰ লৰা, নিজৰ অভিজাত্যটোক সদায় মূৰৰ ওপৰত তুলি লৈ ফুৰিবলৈ বিচাৰে। আনৰ পৰা কিঞ্চিৎ হলেও সন্মান পোৱাৰ উচ্চাকাংক্ষা তাৰ মনত আছে। কিন্তু তায়ো তেনে উচ্চাকাংক্ষা পূৰণ কৰি উচ্চাকাংক্ষীৰ প্ৰিয়পাত্ৰ হবলৈ নিবিচাৰিছিল।

আচলতে তাইৰ সেই ধাৰণা ভুল আছিল। চিনাকি পৰ্বৰ দিনা তাইক মাতিব নোৱাৰা দোষে নীলমক তাইৰ পৰা আঁতৰাই লৈ ফুৰিছিল। বহুতবাৰ নীলমে তাইক সকলো বুজাই ক'ম বুলি আহিও তাইৰ সন্মুখত একো ক'ব নোৱাৰি উলটি গৈছিল। কথোপ-কথন নহলেও দুয়োটাৰ মাজত যেন এটা পাৰস্পৰিক আকৰ্ষণ প্ৰথমৰ পৰাই অনুভূত হৈছিল। চিনাকিপৰ্বৰ দিনা নীলমৰ সেই নিৰ্ভীক চাৱনিয়ে তাইক ৰোমাঞ্চিত কৰি তুলিছিল আৰু তাইৰ সেই ক্ষণিক গোপন দৃষ্টিয়ে নীলমৰ হৃদয়তো আলফুলীয়া পৰশ এটা বুলাই দিছিল। সিদিনাৰ পৰাই এটাই আনটোৰ উপস্থিতিটোক বৰ প্ৰয়োজন অনুভৱ কৰিছিল। কিন্তু এদিন নীলমে তাইক সকলো মনৰ কথা খুলি কৈ দিছিল। সেইদিনা তাই অলপ সোনকালে কলেজ পাইছিলগৈ। নীলমক সদায় লগ পোৱাৰ হেপাঁহতেই নে অন্য কিবা কাৰণতেই বন্ধৰ দিনবোৰ তাইৰ বাবে বৰ নাযায় নুপুৱাই যেন লাগিছিল। সেয়ে দুদিন বন্ধৰ পিছত তাই নিৰ্দিষ্ট সময়তকৈ আগতেই কলেজ পাইছিলগৈ। লগৰকেইজনী আহি নোপোৱাত তাই মেজৰ ক্লাচৰ ৰুমটোতে বহি আছিল। নীলমৰো হয়তো তাইৰ দৰে একেই অৱস্থা হৈছিল সিও আনদিনাতকৈ সোনকালে আহিছিল। তাইৰ দৃষ্টি খিৰিকীয়ে প্ৰসাৰিত হৈ দীঘল পদূলিৰে আহি থকা নীলমৰ ওপৰত কেন্দ্ৰীভূত হৈ গৈছিল। লাহে লাহে নীলম আহি তাই থকা ৰুমটোত প্ৰৱেশ কৰিছিলহি। তেতিয়াও তাই ডেস্কখনতে থুতৰিটো লগাই বাহিৰলৈ চোৱাৰ চলেৰে তালৈকে চাই আছিল। কিন্তু নীলমৰ দৃষ্টি তাইৰ ওপৰত এনেভাৱে স্থিৰ হৈ গৈছিল যে লাজত তাই তলমূৰ কৰিবলৈ বাধ্য হৈছিল।



সেইদিনা নীলমে তাইক বহু কথাই কৈ পেলাইছিল। প্ৰথম দেখাৰে পৰাই তাইক ভালপোৱাৰ কথা, গোপনে গোপনে তাইৰ সান্নিধ্য বিচাৰি ফুৰাৰ কথা, তাই কলেজলৈ নোযোৱাৰ দিনা তাৰ ক্লাচত মন নবহাৰ কথা, বহুদিনৰ পৰাই তাৰ মনৰ কথাবোৰ ক'ম ক'ম বুলি ভাৱি থাকিলেও কেনেকৈ তাইৰ সন্মুখীন হলেই সকলো পাহৰি যায়, লাজত একো কব নোৱাৰা হয় ইত্যাদি বহু কথাই তাইক কৈছিল। তাই মাথো তলমূৰ কৰি লাজ লাজকৈ কথাবোৰ শুনি আছিল। কথাবোৰ কৈ কৈ আবেগত সি তাইৰ হাতখন নিজৰ হাতত তুলি লৈছিল। থুতৰিত ধৰি সি তাইৰ মুখখন ওপৰলৈ তুলি ধৰিছিল।

নীলমৰ স্পৰ্শত তাইৰ দেহ মনত অচিন পুলক জাগিছিল। ভৰিৰ পৰা মূৰলৈকে এক কব নোৱাৰা শিহৰণ বৈ গৈছিল। তাৰ কথাবোৰে তাইৰ হৃদয়ৰ গোপন অনুভূতিবোৰ চঞ্চল কৰি তুলিছিল। তথাপি তাই তলমূৰ কৰিছিল। নীলমৰ মৰমৰ গভীৰতা বুজিবলৈকে প্ৰতিবাদ কৰিছিল। নীলমৰ হাতৰ পৰা নিজৰ হাতখন আঁতৰাই আনি তাই কৈছিল— "দুখীয়া ঘৰৰ ছোৱালী, মা-দেউতাই বহুত কষ্টত পঢ়াইছে। যৌৱনৰ উদ্দাম গতিত পৰি প্ৰেমৰ নামত প্ৰতাৰণাৰ বলি হ'ব নিবিচাৰো। আমাৰ দৰে ছোৱালীবোৰৰ যৌৱনৰহে মূল্য আছে, জীৱনৰ মূল্য নাই। তুমি মোক বেয়া নাপাবা, মই এনে কৰিব নোৱাৰোঁ।" কিন্তু নীলমে তাইৰ কোনো যুক্তিকেই মানি লব নুখুজিলে। পুনৰ অনুচ্চ কণ্ঠে তাইক অনুৰোধ কৰিছিল — তুমি মোক বিশ্বাস কৰা সন্ধ্যা। প্ৰকৃত মৰমে সেইবোৰ নিবিচাৰে, মোক কেৱল তোমাৰ মৰম লাগে, তোমাক লাগে। তুমি মোৰ প্ৰতি ইমান নিষ্ঠুৰ নহবা সন্ধ্যা। তুমি মোক ভুল নুবুজিবা, প্লীজ সন্ধ্যা প্লীজ। তুমি মোক অস্বীকাৰ নকৰিবা সন্ধ্যা তুমিয়েই মোৰ প্ৰথম নাৰী যাক মই এনে প্ৰস্তাৱ এটা দিছো। কোৱা সন্ধ্যা মোক তুমি অলপো ভাল নোপোৱা?"

নীলমৰ কথাবোৰত তাইৰ মন গলি গৈছিল। আবেগৰ অতিশয্যাত তাই বিহ্বল হৈ পৰিছিল। মুখেৰে নামাতি তাই মাথো চকুৰে সন্মতি দিছিল।

সেই সময়তে আৰতিহঁত ৰুমটোলৈ সোমাই অহাত সি আত্ম তৃপ্তিৰ হাঁহি এটা মাৰি ওলাই গৈছিল।

নীলমক তাইৰ ভাল লাগিছিল। সি তাইক সীমাহীন মৰমৰ মাজত ডুবাই ৰাখিছিল। সকলো সময়তে সি তাইক চকুৰ আগত চাই থাকিবলৈ বিচাৰিছিল। তায়ো নীলমক পাহৰি থকাৰ কথা ভাৱিবই নোৱাৰিছিল। পৃথিৱীত হাজাৰটা প্ৰলয় আহিলেও যেন সিহঁতক বিছিন্ন কৰিব নোৱাৰিব। তাইৰ সান্নিধ্যক চিৰদিন আপোন কৰি লোৱাৰ প্ৰতিশ্ৰুতি দিছিল নীলমে। তাইৰ ঘৰৰ আৰ্থিক অৱস্থা ভাল নাছিল বাবে নীলমে তাইক কিতাপ পত্ৰ দি সহায় কৰিছিল। তাই লবলৈ অস্বীকাৰ কৰিলেও সি নামানিছিল। গতিকে বাধ্য ছোৱালীৰ দৰে গ্ৰহণ কৰিছিল। তাইৰ সৰু সৰু অভিমানবোৰ, গোপন স্থিৰ চাৱনি ইত্যাদিয়ে নীলমৰ ভাৱনাত ৰোমাঞ্চৰ আকাশ এখন আঁকি দিছিল। কেতিয়াবা তাইৰ অভিমানী মুখখন চাবলৈকে সি কলেজলৈ পলমকৈ গৈছিল। সেইবোৰতেই যেন তাৰ সীমাহীন তৃপ্তি।

এইবোৰতেই প্ৰকাশ পাইছিল সিহঁতৰ পাৰ-স্পৰিক প্ৰেম ভালপোৱা। এইদৰেই সিহঁতৰ স্বপ্নাতুৰ আত্মা দুটাই যুগ্মভাৱে দুটা বসন্ত অতিক্ৰমী বহু দূৰ আগবাঢ়ি গৈছিল।

কিন্তু সিহঁত দুটাৰ দুয়োটা পৰিয়ালৰ মাজত থকা অৰ্থনৈতিক পাৰ্থক্যখিনিয়ে সিহতৰ সম্পৰ্কটোৰ মাজত বাধা হৈ থিয় দিলে। দুয়োটাৰ মাজত যেন এটা অটল গহ্বৰ। নীলমহতৰ ঘৰখনত এটা দামী অভিজ্ঞাত্যৰ প্ৰলেপ আছিল। সিহতৰ ঘৰখনে তাইৰ ভালপোৱাক সহজভাৱে লব নোৱাৰিলে। ফলস্বৰূপে তাই নীলমৰ ওচৰৰ পৰা নিষ্ঠুৰ ভাৱে আঁতৰি আহিব লগীয়া হ'ল।

পূজাৰ বন্ধত নীলম গুৱাহাটীৰ দদায়েকৰ ঘৰত থাকিব লগীয়া হৈছিল বিশেষ কাৰণত। সি এটা নিৰ্দিষ্ট তাৰিখত ঘূৰি অহাৰ প্ৰতিশ্ৰুতি দি গৈছিল তাইক। তাই বন্ধৰ দিনবোৰত ক্লাচৰ কিতাপ পঢ়াৰ উপৰিও নীলমে দি যোৱা উপন্যাসখনো পঢ়িছিল। পঢ়াৰ মাজতেই নীলম ঘূৰি আহিব লগীয়া সেই নিৰ্দিষ্ট দিনটোলৈ অপেক্ষা কৰিছিল। এদিন বতৰটো অলপ গোমা আছিল। দিনমণিয়ে চটিয়াই দিয়া তীক্ষ্ণ উত্তাপৰ ৰ'দমুঠিও দুৰ্বল হৈহে পৃথিৱীত পৰিছিল। আগন্তুক বজ্ৰপাতৰ ভয়ত ত্ৰস্তমান হৈ চঞ্চল ডাৱৰবোৰে আশ্ৰয় বিচাৰি দৌৰিছিল আকাশৰ এটা দিগন্তৰ পৰা আনটো দিগন্তলৈ। সেই দিনটোতেই আহিছিল তাইৰ জীৱনলৈ অনাকাংক্ষিত নিষ্ঠুৰ মূহুৰ্তখিনি। গমগমাই সিহঁতৰ চোতালত হিৰ'হোণ্ডাখন ৰখাই নীলমৰ ককায়েকে গধুৰ জোতাৰ শব্দ কৰি সোমাই আহিছিল। ভিতৰৰ পৰা তাইৰ দেউতাকে কোনোবা গণ্য-মান্যলোকৰ আগমন বোধ কৰি কান্ধত গামোছাখন লৈ ওলাই আহিছিল। তাই ভিতৰৰ পৰা চাই আছিল। অজান আশংকাত তাইৰ অন্তৰাত্মা কঁপি উঠিছিল।

নীলমৰ ককায়েকে থিয়ৈ থিয়ৈ তাইৰ দেউতাকলৈ এক বিদ্ৰুপৰ দৃষ্টিৰে চাইছিল আৰু পকেটৰ পৰা কেইখনমান চিঠি উলিয়াই তাইৰ দেউতাকৰ সন্মুখলৈ দলিয়াই দি কৈছিল, "জীয়েৰৰ চিঠি চাই লোৱা, আৰু কালৈ দিছিল মাতি সুধি লোৱা। বাওনা হৈ চন্দ্ৰলৈ হাত মেলে। জীয়েৰক কবা, ভঙা পঁজা আৰু ওখ বিল্ডিংৰ মাজত বহুত পাৰ্থক্য আছে।"

দেউতাকে গত্তানুগতি থুকাথুকি মাতমাৰে কৈছিল, "আমি কেনেকৈ কম বোপাই, কোনে কালৈ চিঠি লিখিছে। হ'ব পাৰো মাক-বাপেক; আমিতো তাইৰ পিছে পিছে ঘূৰি ফুৰা নাই। তদুপৰি ডেকা-গাভৰুৰ মন, সিহঁতৰোতো স্বাধীনতা বোলা কথা এষাৰ আছে।"

"হুঁহ, স্বাধীনতা! গাভৰু! বৰ গাভৰু ওলাইছে। মোৰ ভাইটো এইখন কলেজত পঢ়া আজি চাৰি বছৰ হ'ল বুজিছা। কোনো গাভৰু নোলাল তাৰ মন ভুলাবলৈ আৰু এতিয়া তোমাৰ সেই অপেশ্বৰীজনী — আচলতে চৰিত্ৰ ভাল বুজিছা। শুনা আজিৰ পৰা মই যদি পুনৰ গম পাওঁ, কথা কিন্তু ভাল ন'হ'ব জীয়েৰক কৈ দিবা।

কথাখিনি কৈয়ে নীলমৰ ককায়েকে একেকোবেই হোণ্ডাখন ষ্টাৰ্ট দি পুনৰ ধমধমাই গুচি গ'ল। ইঞ্জিনটোৰে এৰি যোৱা শব্দবোৰত যেন যুদ্ধ জয়ৰ ঘোষণা প্ৰতিধ্বনি হৈ ৰ'ল। তাইৰ বৃদ্ধ দেউতাকে পুনৰ থুকাথুকি মাত্তেৰে কিবা এটা ক'ব বিচাৰিছিল যদিও ইঞ্জিনটোৰ শব্দই বাধা দিলে। তায়ো চিঞৰি চিঞৰি কিবা ক'বলৈ লৈও যেন বাকৰুদ্ধ হৈ গ'ল।

মাকৰ শেতাঁ পৰা চকুকেইটা চলচলীয়া হৈ গৈছিল। দেউতাকৰ মুখমণ্ডলত পৰাজয়ৰ অভিব্যক্তি ফুটি উঠিছিল। চকুৰ পৰা নিৰ্মল পানীবোৰ বাগৰি থকাৰ বাহিৰে তাই মাতএষাৰো মাতিব পৰা নাছিল। অনুতাপত তাইৰ অন্তৰ দহিবলৈ ধৰিলে।

তাই মাক-বাপেকৰ একমাত্ৰ সন্তান। কেৱল তাইক লৈয়ে মাক-বাপেক জীয়াই আছে। অথচ আজি তাইৰ বাবেই এজন পুত্ৰ সদৃশ যুৱকৰ ওচৰত অপমানিত হ'ল তাইৰ মাক বাপেক। যি মাক-বাপেকে তাইক চকুৰমনি যেন জ্ঞান কৰে, মৃদু অভিযোগৰ বাহিৰে প্ৰায় একোৱেই নকয় তেনে মাক-বাপেকক তাই আজি কি উপহাৰ দিলে!

অনুতাপ আৰু গভীৰ অপৰাধবোধত তাইৰ সেইদিনা অন্তৰ জ্বলি-পুৰি গৈছিল। তাই সেইদিনা সিদ্ধান্ত লৈছিল, প্ৰয়োজন হ'লে তাইৰ জীৱনযৌৱনকে আওকান কৰিব তথাপি মাক-দেউতাকৰ মনত আঘাত লাগিবলৈ নিদিয়ে। নীলমক তাইৰ জীৱনৰ পৰা আঁতৰাই পঠাব।



নীলমক পাহৰি থাকিব লাগিব বুলি ভাৱি ভাৱি তাইৰ মনটোৱে হাহাঁকাৰ কৰি উঠিছিল। বেদনাৰ নীৰৱ ক্ৰন্দনত গাৰুটোও তিতি গৈছিল। কাষৰ বিছনাখনৰ পৰা অহা মাকৰ দীৰ্ঘনিশ্বাসবোৰে কোঠাটোৰ আন্ধাৰখিনিৰ মাজত স্থিতি বিছাৰিছিল।

তাৰ পাছৰ পৰাই তাই নীলমক পাহৰি থাকিবলৈ চেষ্টা কৰিছিল। নীলমে এইবোৰ কথা একো গম পোৱা নাছিল। সেইবাবে তাৰ প্ৰতীক্ষাৰ অন্ত নাছিল। তাই কলেজলৈ যোৱাটো কমাই দিছিল। মাজে মাজে গৈছিল যদিও নীলমৰ পৰা আঁতৰি ফুৰিছিল। বহু দিনৰ অন্তত লগ পোৱাৰ হেঁপাহত থকা নীলমৰ হৃদয়খন হতাশাই আৱৰি ধৰিছিল। সি আৱতিক তাইৰ পৰিবৰ্তনৰ কাৰণ সুধিছিল। কেইবাখনো চিঠিও দি পঠিয়াইছিল আৰতিৰ হাতত। বহুতো অনুনয় বিনয় কৰিছিল। কিন্তু কেনেকৈ যে তাই নীলমৰ ওপৰত ইমান নিষ্ঠুৰ হব পাৰিছিল সেই কথা ভাবিলে আজিও তাইৰ নিজৰ নাৰীত্বৰ ওপৰত ধিক্কাৰ ওপজে। তাই তাক তাৰ অলক্ষিতে হৈ যোৱা কথাবোৰো ন'কলে। চিঠিবোৰৰো কোনো প্ৰত্যুত্তৰ নিদিলে। তাৰ পাছতো নীলমৰ বৃথা চেষ্টা।

সময়ৰ গতিত সিহঁত পুনৰ দুটা সুঁতিত পৰিণত হ'ল। লাহে লাহে তাই স্বাভাৱিক হ'ব পাৰিলে। কিন্তু নোৱাৰিলে নীলমে। সি নীৰৱ চকুলোৰ ওচৰত মূৰ দোঁৱাইছিল। তাইক পাহৰি থাকিবলৈকে, অতীতে আমনি কৰাৰ বাবে সি মদ খাইছিল। কলেজ এৰি সি সামৰিক বাহীনিৰ কামত সোমাই পৰিছিল। হয়তো বিলাতী মদৰ গোন্ধ আৰু খাৰ-বাৰুদৰ মাজতেই তাইক পাহৰি থাকিবলৈ চেষ্টা কৰিছিল।

কিন্তু তাই! তাই জানো সঁচাকৈ নীলমক পাহৰি থাকিব পাৰিছিল? কেতিয়াবা নীলমৰ স্মৃতিয়ে তাইক ইমান বেছি আঘাত দিছিল যে পঢ়ি থকা কিতাপখনৰ ওপৰতেই টোপ টোপকৈ চকুলোবোৰ সৰি পৰিছিল। মাজনিশাৰ সপোনত হঠাতে উচুপি উঠিছিল। বিশেষকৈ তাইক পাহৰিবৰ বাবেই সি মদ খাই, সেই কথাই তাইক বৰ আঘাত দিছিল।

তাৰ পাছৰ পৰাই তাইৰ জীৱনটোও অধিক পঙ্কিলতাৰ ফালে গতি কৰিছিল। বহু কষ্টেৰে শিক্ষাৰ লগত সম্পৰ্কতো ৰক্ষা কৰি আছিল। ভাগ্যে স্নাতক ডিগ্ৰীটো লোৱাৰ পাছত মোমায়েকে তাইক এম, এ,টো পঢ়োৱাৰ দ্বায়িত্ব ললে। মোমায়েকৰ সেইকণ দয়াত তাই এম, এ টোও কিছু সুখ্যাতিৰেই ললে। সোণাপুৰ কলেজখনৰ অধ্যক্ষজন তাইৰ মোমায়েকৰ সুসম্পৰ্কীয় আছিল, গতিকে চাকৰিটোও সহজেই পাইগ'ল। অধ্যাপিকা হিচাবে নিযুক্তি পোৱা তাইৰ আজি ছুবছৰেই হ'ল। দুমাহৰ আগত বিয়াও হৈ গ'ল ইংৰাজী বিভাগৰ অধ্যাপক প্ৰতীমৰ লগত।

নীলমৰ খবৰ আজি পাঁচ বছৰে তাই পোৱা নাই। প্ৰয়োজনো বোধ কৰা নাই। কিন্তু অবাঞ্চনীয় ভাৱেই লগ পাই গ'ল আজি। বহুত পৰিবৰ্তন হৈছে সি এই পাঁচটা বছৰত। উদাস হৈ পৰিছে। গাল দুখন সোমাই মুখৰ হনু ওলাই গৈছে। তাই আজি ভাবিবলৈ বাধ্য হৈছে, জীৱনত যেন ভুল কৰিলে। প্ৰলয়ঙ্কৰী ধুমুহাৰ দৰে যেন তাই নীলমৰ সকলো সত্বাক হত্যা কৰিলে। তাইৰ শিৰত লাগি থকা সেন্দুৰকণ আৰু কাষৰ আসনখনত শুই থকা প্ৰতীমৰ প্ৰতিচ্ছবিখন দেখি নীলমে হয়তো বৰ কষ্ট পাইছে। তাই মূৰটো আচন্দ্ৰাই কৰা যেন লাগিল। চিঞৰি চিঞৰি কৈ দিবৰ মন গ'ল, "নাই, নাই, এইয়া মোৰ ভুল নহয়, এইয়া আমি জীয়াই থকা সমাজখনৰ পঙ্গু দৃষ্টিভঙ্গী।" কিন্তু তাই নিচিঞৰিলে। মুখৰ পৰা মাত্ৰ অস্পষ্ট সুৰত ওলাই আহিল "নীলম তুমি মোক ক্ষমা কৰি দিয়া।"

সপোন সপোন লগা তাইৰ মধুৰ অতীতখিনিৰ

ৰোমন্থনত পাহৰি গৈছিল বাস্তৱৰ কথা। স্থিতি-বোৰৰ অনুভূতি যেন তাইৰ যুগ্ম জীৱনৰ ফুলশয্যাৰ ৰাতিটোতকৈ মধুৰ, তৃপ্তিদায়ক। ৰেলখন লাহে লাহে ৰৈ যাবলৈ ধৰিলে। অলপ আঁতৰৰ পৰাই ষ্টেচন-টোৰ মৃদু কোলাহলখিনি তাই শুনিবলৈ পালে। সিহঁতৰ গন্তব্যস্থল পালেহি। তাই নীলমলৈ চালে। সি টোপনী গৈ আছে যদিও গালেদি বৈ পৰা শুকান সুঁতি দুটা লাইটৰ পোহৰত স্পষ্ট হৈ পৰিছে। তাইৰ খুউব ইচ্ছা গৈছিল, তাইৰ কোমল হাত দুখনিয়ে তাৰ চকুত লাগি থকা অৱশিষ্ট পানীখিনি মোহাৰি দিবলৈ। মন গৈছিল এবাৰ হেঁপাহ পলুৱাই তাৰ চকুলৈ চাবলৈ। কিন্তু এতিয়া নীলমৰ প্ৰতি সেই অধিকাৰ নাই তাইৰ।

ৰেলখন ৰৈ গ'ল। তাই লৰালৰিকৈ প্ৰতীমক জগাই দিলে। বস্তু-বাহিনিবোৰ লৈ নামিবলৈ সাজু হ'ল। শেষবাৰৰ বাবে তাই নীলমক চাই ললে। বহুতো যাত্ৰীৰ লগতে প্ৰতীম আৰু তা-ইকো নমাই থৈ ট্ৰেইনখন গুচি গ'ল। নীলমো গুচি গ'ল। তেতিয়া গছৰ পাতৰ আঁৰত শুইথকা চৰাইবোৰে কিৰিলি পাৰি শেষ প্ৰহৰৰ জাননী দিছে। দিগন্তৰ সিপাৰে নামি যাবলৈ লোৱা জোনটোৰ বিৰহত গছৰ পাতবোৰৰ পৰা নিয়ৰবোৰ অবিৰাম গতিত সৰি পৰিছে। পৰিত্যক্ত ষ্টেচনটোত বহুতৰ মাজত থাকিও যেন তাই অকলশৰীয়া। অদূৰত তেতিয়াও অস্পষ্টকৈ জিলিকি থকা ট্ৰেইন-খনলৈ চাই নীলমৰ বেদনাসিক্ত মুখখন পুনৰ তাইৰ চকুত ভাঁহি উঠিল। নিজৰ অলক্ষিতেই তাই চকু-যোৰ চলচলীয়া হৈ গ'ল। ❀❀❀





# অব্যক্ত প্ৰেম

তুলুমনি গগৈ
উঃ মঃ ২য় বাৰ্ষিক।

প্ৰতিদিনৰ দৰে আজিও সেই ল'ৰাজনক বাছ ষ্টেণ্ডত ৰৈ থকা দেখিলোঁ। মই নাজানো কিয় সেই ল'ৰাজনে সদায় কলেজলৈ যাওঁতে মোৰ পিছ লয়। কিন্তু এইটো জানো যে, প্ৰায় দুমাহ আগৰ পৰা সদায় ল'ৰাজন বাছষ্টপেজত ৰৈ থাকে আৰু মই উঠা বাছতেই উঠে। মই নামিলে তেওঁ অৱশ্যে নানামে, গৈ থাকে। ল'ৰাজন সদায় ক'লৈ যায় মই ক'ব নোৱাৰোঁ। কলেজত পঢ়া ল'ৰা যেনো লাগে; কাৰণ পিছ জেপত সদায় এখন বহী থাকেই। কিন্তু এটা কথাত বৰ আচ-ৰিত লাগে, মই যিখন বাছত উঠোঁ, তেওঁও সেই-খনতে উঠে যদিও মোৰ লগত একে চিটত বহা-তো দূৰৰে কথা মোৰ ওচৰৰ খালী হোৱা চিটতো কেতিয়াও নবহে; লাগিলে থিয় হৈয়ে থাকিব। দূৰৰ পৰাই মোলৈ মৰম লগাকৈ চাই থাকে। প্ৰথম কেইদিন মোৰ তেওঁক দেখিলেই খং উঠিছিল। আজি-কালিৰ ল'ৰাৰ কোনো বিশ্বাস নাই! কিন্তু এই এমাহমানৰ পৰা ক'ব নোৱাৰাকৈয়ে ল'ৰাজনৰ প্ৰতি মোৰ অন্তৰত কিবা যেন মৰম সোমাইছে। ল'ৰাজনৰ সেই মৰমলগা চকুৰ চাৱনিত মই যেন কিবা এটি বিচাৰি পাইছোঁ। মইয়ো আজি-কালি লুকাই-চুৰ-কৈ তেওঁলৈ চাওঁ। নাচাওঁ নাচাওঁ বুলিও চাওঁ। তেওঁক ভাল লাগে। বহু কথা পাতিবৰ মন যায়। কিন্তু মই তেওঁক মুখেৰে একো ক'ব নোৱাৰোঁ। এটা গভীৰ দুৰ্বিসহ যন্ত্ৰণাত চাটি-ফুটি কৰি মই যেন নিঃশেষ হৈ যাব ধৰিছোঁ। প্ৰথম প্ৰেমৰ আবেশ বোলে যথেষ্ট গভীৰ হয়।

হঠাৎ পৰহি নিশাৰ ঘটনা এটাই মোক ভন্টিৰ আগত বেয়াকৈ ধৰা পেলাই দিলে। এখোজ দুখোজকৈ বাছষ্টপেজৰ সেই ল'ৰাজন মোৰ ওচৰলৈ আহিছিল। মোৰ সমস্ত মৰম, ভালপোৱা তেওঁক উজাৰি দিছিলোঁ। কিন্তু কি হ'ব, সেইয়া আছিল মাজনিশাৰ এক সপোনহে। প্ৰকৃততে কাষতে থকা ভন্টিজনীকহে মই সাৱটি লৈছিলোঁ। তথাপি সপোন যে ইমান মধুৰ হ'ব পাৰে মই আগতে জনা নাছিলোঁ। ভন্টিয়ে সাৰ পাই ঘটনাটোত বৰ আমোদ পাইছিল আৰু বাৰে বাৰে সুধিছিল, মই কাৰোবাৰ প্ৰেমত পৰিছোঁ নেকী? মোৰ অসহায় অৱস্থাতো নিশ্চয় তাই বুজিছিল।

পিছদিনা বাছষ্টপেজত ল'ৰাজন অলপ দূৰৈত ৰৈ আছে। চকুত আগৰ সেই একে চাৱনি। মোৰ দেহৰ মাজেদি পাৰহৈ গৈছিল এক ৰমণীয় শিহৰণ। ইখন সিখনকৈ বাছ আহিছিল যদিও বাছত মানুহৰ যথেষ্ট ভিৰ। বাছৰ কিবা ধৰ্মঘট আছে বুলি বাতৰিত পাইছিলোঁ, গতিকে বাছ কম। ভিৰ কমক বুলি অলপপৰ বাট চালোঁ। ল'ৰা-

জনো কোনো এখন ৰাছত উঠা নাই; বৈ আছে আগৰ সেই একে ঠাইতেই। হঠাতে জানো ক'ৰ পৰা ফেৰফেৰীয়া বলিয়া বতাহ এজাক নামিলে, লগতে আনিলে কিন্‌কিনীয়া বৰষুণ এজাকো। বাছষ্টপেজত কেৱল ল'ৰাজন আৰু মই। ছাটিটো ননাৰ বাবে নিজৰ ওপৰতেই খং উঠিছিল। তেনেতে দেখিলো ল'ৰাজন মোৰ পিনে আগবাঢ়ি আহিল ঠিক আগনিশাৰ সপোনত অহাৰ দৰে। তেওঁৰ হাতৰ ছাঁতিটো মেলি দিলে মোৰ মূৰৰ ওপৰত। ল'ৰাজনৰ মুখলৈ চোৱাৰ সাহস মোৰ নাছিল। তথাপি কেৰাহিকৈ চালোঁ, তেওঁৰ ওঁঠৰ একোণত আছিল এক তৃপ্তিৰ হাঁহি। সময় পাৰহৈ গৈছিল পল, অনুপলকৈ। মনত ভাবিছিলোঁ এই সময়ত 'সময়' বোলা মহাকালৰ চকৰিটো বৈ যোৱা হলে। মোৰ হ'লে খঙো উঠিল, লগতে অলপ অভিমানো হ'ল। তেওঁতো কিবা এটা কৰিব পাৰে। তেওঁৰ মৰমবোৰ প্ৰকাশ কৰাৰ বাবে।

এখন বাছ আহিল। মানুহবোৰ যে কেনেকৈ ওলমিব পাৰিছে এই বৰষুণটো! হঠাতে ল'ৰা জনে হাতৰ ছাতিটো মোৰ হাতলৈ আগবঢ়াই দিলে, লগতে এটা বগা এনভলপপো গুজি দিলে মোৰ আনখন হাতত। তাৰ পাছত ল'ৰি গৈ বাছখনত উঠিল। মোৰ সন্মুখৰ পৰা বাছখন আঁতৰি প'ল। নিমিষতে ঘটা ঘটনাটোত মই বিমোৰ হৈ পৰিলোঁ। কলেজলৈ যোৱাৰ আৰু ইচ্ছা ন'হল। ঘৰলৈ আহি এনভলপটো মেলিলো। এখন চিঠি ওলাই পৰিল।

মৰমৰ

———

তোমাক দেখাৰে পৰা কি জানো হৈছে, মৰমখিনিয়েচোন তোমালৈ বুলিয়েই দেউকা মেলিব বিচাৰে। মই নিজ মুখেৰে কথাখিনি ক'ব নোৱাৰা বাবে ভুল বুজিবা। কাৰণ জন্মৰে পৰা মই কথা ক'ব পৰা শক্তিৰ পৰা বঞ্চিত হৈছোঁ। এই অৱস্থাতো মোক যদি গ্ৰহণ কৰা মোৰ কাষ চাপিবা। ন'হলে আগৰ দৰে দূৰতে ৰ'বা। দূৰৰ পৰাও তোমাক চাই মোৰ ভাল লাগে। মৰমেৰে

ইতি—
পাৰ্থজীত।

পিছদিনা। মোৰ হিয়াত লানি নিচিগা আশাৰ ঢৌ সৃষ্টি হৈ আছে। তেওঁ নিশ্চয় আনমনা হৈ আছে, সেয়েহে মোক দেখা নাই। বাছষ্টপেজৰ চিৰ পৰিচিত কোণলৈ য'ত তেওঁ থিয়হৈ আছে তালৈ বুলি আগবাঢ়িলো। আগদিনা দিয়া ছাতিটো তেওঁক আগবঢ়াই দিলোঁ। লগতে আগবঢ়াই দিলো এটা এনভলপ যাৰ মাজত বন্দী হৈ আছে মোৰ সেউজীয়া প্ৰেম। বহি থকা ৰিক্সাখনকে চলাবলৈ ইংগিত দিলো চালকক। তেওঁ মোলৈ একেথৰে চাই থকাতেই থাকিল।

যথেষ্ট দূৰ আহিলোঁ, তেওঁ বাৰু চিঠিখন পঢ়িছেনে? তেওঁ বাৰু মোক গ্ৰহণ কৰিবনে? হায়! নিয়তিৰ পৰিহাসত মোৰও বাক্‌যন্ত্ৰ জন্মৰে পৰাই তেওঁ দৰেই অচল।





# দুৰ্কপলীয়া

দেবানন্দ বৰুৱা
স্নাতক ৩য় বৰ্ষ

অজিত আজি ৰবিনৰ ঘৰলৈ যাব। কালি আবেলি ৰবীনে কোৱা কথাকেইটা মনত পৰি তাৰ মনটো সতেজ সতেজ লাগিছে। "ঐ দোষ্ট, একদম পাহৰি গলি নহয়? কাইলৈ এবাৰ আমাৰ ঘৰলৈ যাবিচোন। কেইবাদিনৰেপৰা আমাৰ প্ৰেছৰ মেছিনটো বেয়া হৈ আছে। তই চালে কিবা এটা হ'ব যেন লাগে। আহিবি ভাই।" সানুনয়ে কোৱা কথাকেইষাৰত যেন কিবা এটা নতুনত্ব আছে। ৰবীন কিমান সলনি হ'ল। আঃ সি আৰু ৰবীনে যে একে বেঞ্চতে বহি পঢ়িছিল। য'লৈকে যায় দুয়োটায়ে একেলগে গৈছিল। এতিয়া ৰবীনে ইঞ্জিনিয়াৰিং পঢ়িছে আৰু বি, এ, পাছ কৰি অজিত ঘৰতে সোমাই আছে।

অজিতে আজি-কালি কাকো লগ নধৰে। আবেলি এনেয়ে ওলায় যায়; চিয়ো'ৰ দোকানত বহে। চিয়োৰ লগত ইটো-সিটো কথা পাতি তাৰ ভাল লাগে। সৰু দোকানখনৰ আগৰ বেঞ্চখনৰ এটা চুক অধিকাৰ কৰি সি চাই থাকে চিয়ো দোকানীয়ে নিপুন হাতেৰে বুঢ়া আৰু তৰ্জনী আঙুলি দুটাৰ মাজত তামোলটো ঘূৰাই ঘূৰাই বাকলি গুচুৱা আৰু কুন্দুৱা চাই বৰ ভাল লাগে। গ্ৰাহক আহিলে চিয়োৱে তললৈ চাইয়ে বস্তু দিয়ে। কোন গ্ৰাহকে মাহেকত পইচা দিয়ে, কোন গ্ৰাহকে নগদ দিয়ে; তালৈ তাৰ পুৰা নজৰ থ'কে। মুখলৈ চালেই যেন সি গন্ধ পায়, কোন গ্ৰাহকক কি লাগে। কাক চাৰমিনাৰ চিগাৰেট লাগে, কাক থিন এৰাকটৰ পেকেট লাগে মানুহজন দেখিয়েই যেন বুজিব পাৰে। তাৰ মাজে-মাজে সি নিপুন হাতেৰে তামোলটো কুটুকৈ দুফাল কৰি টিঙত ভৰাই, পাণবোৰ বাল্টিৰ পানীত জুবুৰিয়াই, কাটি বগা-চালু কানিখনৰ তলত থৈ দিয়ে। মানুহটো আদহীয়া মিঠাবৰণীয়া, কথাবোৰত ৰস থকা। ওচৰৰ বেঞ্চখনত অন্য মানুহ বহিলে অজিত আৰু চিয়ো দোকানীৰ কথা বন্ধ হয়। লাহেকৈ অজিত উঠি আহে কাকো নয়তাকৈ।

আজি পুৰাই পুৰাই তাৰ বৰ সোনকালে টোপনি ভাঙি গ'ল। সি এভামুৰি দি উঠিল। ওচৰৰ খিৰিকীখন খোলাই আছে। সদায় থাকে। তাৰ ভয় নালাগে। বাহিৰত অলপ অলপ পোহৰ হৈছে। সি উঠি বাহিৰৰ পৰা আহি আকৌ শুই থাকিল। আঠুৱাখনৰ এডাল ৰছি খোল খাই থাকিল। মহ এটাই কোন-কোন কৰিছে কাণৰ ওচৰত। এনেয়ে সি গালত চৰ এটা মাৰিলে। মহটো নমৰিল। আকৌ ভৰিত পৰিল ইটো ভৰিৰে খজুৱাই দিলে তাৰ পাছত তাৰ টোপনি আহিল।

"অজিত, চাহ দিলো" —এসময়ত মাকে কলে।

এইবাৰ সি ঘপহ কৰে উঠি পিছ চোতা-

লৈলে গৈ দাঁতকেইটা এঙাৰ এটুকুৰাৰে মাজি মুখ ধুৱলৈ ললে। চোতালৰ মাজত ডাঙৰ টৌ এটাত এলকাথিন পাইপ এডালেৰে মিউনিছিপেলিটিৰ পানী চিৰ-চিৰকৈ পৰি আছে। আমুলস্প্ৰেৰ খালী টিন-টোৰে সি পানী লৈ মুখখন ধুলে। তাৰ পছত ভিতৰলৈ গৈ গম ললে, দেউতাক আগফালেহে আছে। ৰুটি দুখনৰ লগত ভাজি অলপ লৈ খাই গিলাচৰ চাহখিনি ঢোক ঢোককৈ পি সি ওলাই প'ল। মাকে মুঢ়াটো বেবৰ দাঁতিত থৈ সুধিলে, "ঠাণ্ডা হ'ল নেকি ?" ইতিমধ্যে সি তাৰ কোঠাৰ ভিতৰ সোমাইছিলগৈ। সি আঠুৰাৰ ৰাকী বছি-কেইডাল খুলি, টোপোলা এটাৰ দৰে কৰি আঁঠু-ৰাখন ভৰিৰ পথানত থৈ বেডকভাৰখন মেলি দিলে। মাকে চিলাই দিয়া পুৰণি বিছনা চাদৰ জাতীয় কাপোৰখন ঢাক খাই গ'ল। আলনাৰ পৰা সি ছাৰ্ট এটা ললে। কলাৰটো ডিঙিত লাগি থকা অংশ বৰ লেতেৰা। নীলা ৰঙবটোৰেই অলপ ভাল। তাকো ওপৰ জেপটোৰ তলৰ চিলাই ওচৰত আই ওলোৱাৰ দৰে হৈছে। সেইটোকে সি পিন্ধিলে। জোতা সি বহুত দিন পিন্ধা নাই ; আজি পিছে পিন্ধিবই লাগিব। ছেণ্ডেলযোৰ ছিগিল। অলপ মেৰামতি কৰা হলেই হয় ; তাকে কৰিবলৈকে মুছি এটা দেখা নাই। যেতিয়া দৰকাৰ হয়, সিহঁ-তৰ দেখা-দেখি নাই ; এনেয়ে আকৌ দহটামান ঘূৰি ফুৰিব। মোজাযোৰৰ গোৰোহাটো ফটা ; পিন্ধিলে বহল হৈ পৰে। জোতাযোৰে ঢাকি ৰাখি-ব চিন্তা নাই। এতিয়া যোৱাটোহে চিন্তা। দেউ-তাক আগফালে আছে, মাক ভিতৰত আছে। চেবেককৈ শব্দ এটা হ'ল। বোধকৰো মাকে দাই-লত তেল মাখিছে। গোন্ধ এটা ভাঁহি আহিছে। লোভ লগা গোন্ধ। সি লাহেকৈ ওলাই আহিল। কোঠাটোত য'তে ত'তে কাকত, মকৰা জাল। ওচৰতে বাঁহৰ বাস্কেট এটা আছে। তাত এটুকু-ৰাও কাগজ নাই। বাস্কেতটোৰ ওচৰে-পাজৰে মো-হাৰি সামৰি গোল কৰা টুকুৰা। দূৰৰ পৰা দলি-য়ালে বাস্কেতটোত নপৰে। মাকে কেতিয়াবা সাৰে; ন'হলে কোঠাটো ৰাহি হৈয়ে থাকে। সি তাৰ কোঠাট তাঁৰ বাহিৰে অন্য কাকো সোমাব নিদিয়ে। বেয়া পায়। এনেয়ে। সি ভৰিৰে চেণ্ডেলযোৰ চোঁচোঁৰাই বাৰাণ্ডাৰ পৰা কোঠাত থৈ আহিলে। দুৱাৰখনৰ হুকটো লাহেকৈ মাৰি সি আগফাল পালে-হি। দেউতাকে বনবোৰ উভালি চাফা কৰিছে। কঁকালৰ চুটি চুৰিয়াখন কোঁচাই, খালী পিঠিখন বাটৰ ফালে দি বহি আছে। সি সন্তৰ্পণে ওলাই আ-হিল। দেউতাকে ডিঙিটো বেকাঁ কৰি ঘূৰি চালে; তাৰ পাছত আকৌ কামত লাগিল। চাৱনিটো-ৰেই যেন আক্ৰমনসূচক। যেন কৈছে, "নৱাবৰ বেটা গ'ল। মাকে নষ্ট কৰিলে, ভিতৰতে চাহ-ভাত যোগাই। ৰায়বাহাদুৰ মানুহ। সংসাৰৰ ল'ৰাই চাকৰি কৰিছে, তাৰলৈহে চাকৰি নাই। ঘূৰি ফু-ৰিব ৰাতি-দিন নাই।"

গেটৰ বাহিৰ ওলাই সি উভতি চাই দে-খিলে দেউতাক উঠি গ'ল। বোধকৰো তেখেতৰ স্কুললৈ ওলাবৰ সময় হ'ল।

এতিয়াহে সি পেণ্টটোলৈ চালে। ঠিকেই আছে। চলি যাব।

অজিতে ৰবীনৰ ঘৰ পাই কলিং বেলটোত দুবাৰ হেঁচা দিলে। তাৰ পাছত "কিনো দিগ-দাৰ কৰি থাকে" এনে ভাৱত ছোৱালী এজনী ওলাই আহিল। তাই বোধকৰো ঠাই মুচি আছিল। সোঁহাতখন গাৰপৰা আঁতৰত ৰাখি বাওঁহাতেৰে কা-পোৰ ভাল কৰি কৰি তাই সুধিলে—

—কাক বিছাৰিছে ?

—"ৰবিন আছে ?"

—"গা-ধুইছে বহক" ! বুলি একে ভংগীৰেই ড্ৰইং ৰুমৰ দুৱাৰখন মেলি তাই গুছি গ'ল।



কোনখনত বহিব ? চোফাত নে চকীত ? নে ডিভানখনত ? ইমান ধুনীয়া ! ইমান মসৃন ! চুট-টাই-পেন্ট পিন্ধি ঘোঁৰাত উঠি থকা সেয়া ৰবী-নৰ দেউতাক। ডেকা কালৰ ছবি চাগৈ। তলতে মস্ত কচু এজোপা। টাবত থৈছে। কেলেই থৈছে ! নখজুৱাবনে ? পাতবোৰ ইমান ডাঙৰ ডাঙৰ। কাৰোবাৰ ভৰিৰ শব্দ শুনি অজিত সংযত হৈ বহিল। ধুমুহাৰ দৰে সোমাই আহিল ৰবিন।

—"হায় দোষ্ট, ভুল হ'ল। গা-ধুবলৈ গলো জান।"

—"বাৰু ব'ল, কি চাব লাগে।" অজিতে গহিনাই ক'লে।

—ৰ-ৰ ; চাহ খা। চুলাৰ বুতাম মাৰি মাৰি ৰবিনে ক'লে।

—"আগতে কাম। পাছত খাম। চাহ খায়েই আহিছোঁ। ব'ল।"

অজিতৰ কথামতে দুয়ো গ'ল প্ৰেছ অভিমুখে। অজিতে দেখিলে মেছিনটো স্তব্ধ হৈ আছে। সি ছুইচটো টিপিলে, গ্ৰিয়েৰডালো লগাই চালে, আৰু কিবা কিবি কৰি চালে। জ্বলিব লগা ৰঙা ইণ্ডি-কেটৰটো জ্বলা নাই। সি হাতৰ টোলবক্সটোৰ পৰা স্কুড্ৰাইভাৰটো লৈ অ'ত ত'ত খুট-খাট কৰি এস-ময়ত ছুইচটো অন কৰি দিলে। লগে লগে লাইট বোৰ জ্বলি উঠিল। আৰু এটা ছুইচ টিপোতে মেছিনটো চলিবলৈ ধৰিলে। ওচৰতে থকা ৰবিনৰ হাঁহি ওলাই আহিল। সি অজিতক প্ৰথমে হাত ধুবাবলৈ নিলে, তাৰ পাছত তাক আকৌ ড্ৰইংৰুমত বহুৱালে, চাহ আহিল। অজিতে পাপৰ এটুকুৰা চোবালে। বৰ ডাঙৰ শব্দ হ'ল নেকি ? এইবাৰ সৰু টুকুৰা এটা মুখত লৈ চোবায় চাহৰ লগত গিলি দিলে। আকৌ চাহৰ কাপটো ডাঙি মেণ্ডতে দেখিলে ৰবি-নৰ দেউতাকৰ লগত কোনোবা এজনে কথা পাতি পাতি পাব হৈ গৈছে। অলপ পাছতে ৰবিনে কোৱা শুনিলে, 'দেউতা, আংকল ; মেছিন ভাল হৈ গ'ল। দেউতাকৰ লগৰ মানুহজনে ৰবীনৰ পিঠিত থপৰি-য়াই থপৰিয়াই ক'লে, "চাব্বাছ ! ভেৰিগুড, ভেৰিগুড, মাই বয় !" তাৰ পাছত ৰবীনৰ দেউতাকে ক'লে, "এনে ল'ৰাক ইঞ্জিনিয়াৰিং পঢ়াই ভাল কাম কৰিছে। এদিন সি বৰ ডাঙৰ ইঞ্জিনিয়াৰ হ'ব চাব।"

ঘৰ পাই অজিতে স্বস্তিৰ নিশ্বাস এৰিলে। সেই পিছফালৰ টৌটোত তেতিয়া পানীৰে ভৰি পৰিছিল। ওপৰত টিংটো ওপণ্ডি ইফালে-সিফালে লৰি আছিল। সি পানী অলপ লৈ মুখখন ধুলে, ওচৰত মাকে বাঢ়নীৰে সৰা চিনবোৰৰ ওপৰত আম-লখী কেইটামান সৰি পৰি আছিল। অ'ত ত'ত দুটা এটা পাতো পৰি আছিল।

সি কোঠাটোৰ বিছনাখনৰ পৰা গাৰুটো উলিয়াই বিচনাখনৰ মূৰ শিতানৰ কাঠডালত থৈ তাত মূৰ দি ভাবিলে— তাৰ কিয় এনে হ'ল? সেই ৰবীনে ইঞ্জিনিয়াৰ হৈ এদিন তাৰ আগেদিয়ে গাড়ী চলাই যাব, বিজু ডাক্তৰ হৈ তাক এদিন চাবলৈ আহিব !

সেই স্কুলৰ দিনবোৰ !

লগৰবোৰে ইফালে-সিফালে চাওঁতেই সি টপ কৰে অঙ্কটো কৰি অতাঁইছিল। বিজ্ঞানৰ মডে-লেৰে ঘৰ ভৰাই পেলাইছিল। ক'ত বিজ্ঞানৰ মডে-ল সাজি প্ৰদৰ্শনিত প্ৰাইজ পাইছিল। বিজ্ঞানৰ কিতাপ পঢ়িছিল; প্ৰবন্ধ লিখিছিল। কিন্তু সি চায়েন্সত চিট নাপালে।

ক'তা তাৰ দেখুন ভুল কৰা মনতে নপৰে। অতমুহঁতক সি কিমান অংক শিকাইছিল, অথচ সিহঁতেহে চায়েন্সত চিট পালে। আলমাৰীৰ বৈজ্ঞা-নিক মডেলবোৰে বহুত দিনৰ মূৰত তাক যেন উপহাস কৰিবলৈ ওলাই ওলাই আহি যেন কৈছে, "ছাৰ্টিফিকেট নোহোৱাকৈ ইঞ্জিনত হাত দিব নাপাই নহয়।" সি প্ৰেছৰ মেছিনটো ভাল কৰি ভাল

ক্লাম কৰা নাই।

"অজিত চাহ হুঁ" মাকে মৰমেৰে ক'লে।

সি গিলাছটো মাটিত থৈ আকৌ ভাবত বুৰ গ'ল। অলপ পাছত গিলাচটো নিবলৈ আহি দেখে সি চাহ খোৱাই নাই।

"কি হ'ল ? চাহ দেখোন চেঁচা হ'ল। শুনিছনে অজিত ?"

"কি ?"

"তোক অথনি হেড মাষ্টৰে মাতি পঠাইছিল। ঘৰলৈকে যাবি।"

বোধকৰো দেউতাকে চাকৰিৰ বিষয়ে হেড মাষ্টৰৰ লগত কথা পাতিছে।

গিলাচটো লৈ সি একে উশাহতে চাহখিনি পি পেলালে। থালথমৰ নাৰিকলৰ লাঙ্কটোলৈ চাই সি ভাবিলে, খাবলে নাখায়। ইতিমধ্যে পকৰা ক্ৰেইটামানে লাৰুটো আক্ৰমণ কৰিছে। ※※

## —অমৃত বাণী—

"বিয়ে তোমাৰ ভোকৰ ভাত, পিয়াহৰ পানী আৰু সৰ্বশ্ৰেষ্ঠ ভাষাক ধ্বংশ কৰিব খোজে তাক বিজুলি বজ্ৰপাত আৰু আগ্নেয় অস্ত্ৰেৰে আঘাত কৰা।"—অথৰ্ববেদ।

জীৱনত কৃতকাৰ্য্য হোৱাতো গৌৰৱৰ কথা নহয়, কিন্তু অকৃতকাৰ্য্যৰ পৰা সফলতা লাভ কৰিবলৈ চেষ্টা কৰাতহে আমাৰ গৌৰৱৰ প্ৰকাশ পায়। —কাৰ্লাইল।

সংগ্ৰহঃ থানুৰাম দাস
স্নাতক ৩য় বাৰ্ষিক।

কিছুমান মানুহে পোহৰতকৈ আন্ধাৰহে বেছি ভাল পায়, কিয়নো তেওঁলোকৰ কামবোৰ আন্ধাৰৰ দৰেই ভয়াবহ।" —বাইবেল।

সত্যৰ দৰ্শন অহিংসাৰ বিনে হ'ব নোৱাৰে, সেয়ে কোৱা হয়—
"অহিংসাই পৰম ধৰ্ম।" —মাহাত্মা গান্ধী।

"ঘৃণা নকৰিবা নিজৰ সৰ্বনাশ হ'ব, অহংকাৰ নকৰিবা পতন হ'ব, ঘৃণা নকৰিবা নিজেও ঘৃণিত হ'বা।" —স্বামী বিবেকানন্দ।

সংগ্ৰহঃ শ্ৰীমতী দেৱযানী গগৈ





# এক মিনিট সময়তে

মিণ্টু বুঢ়াগোহাঁই
স্নাতক ১ম বাৰ্ষিক।

হঠাৎ অৰুণে গৈ টেপটোত কেছেট এটা লগাই দিলে। চিঞৰি চিঞৰি টেপৰ পৰা 'মোকাবলা', মোকাবলা' বুলি বাজি উঠিল। ঠাইডোখৰ গমগমীয়া হৈ পৰিল। নানা ঠাইৰ পৰা অহা পিকনিকৰ পাৰ্টিবোৰৰ হুলস্থুলত পৰিবেশটো অধিক আনন্দময় হৈ উঠিছে। সঁচাকৈয়ে পৰিবেশটো ইমান ভাল লাগিছে। তাতে আমি গোটেইখিনি লগৰ ল'ৰা-ছোৱালী। আজি আকাশখনো নিৰ্মল। ওচৰতে পাহাৰটো। পাহাৰটো গাতে লাগি থকা নিজৰাৰ পাৰে পাৰে শাৰী-শাৰী গছ। জুৰিৰ পাৰে-পাৰে পৰি থকা ডাঙৰ ডাঙৰ শিলবোৰ! সঁচাকৈ বৰ ভাল লাগিছে পাই! আমি ইটোৱে সিটোৱে আলোচনা কৰিবলৈ ধৰিলো।

মোৰ লগৰে এজন শ্ৰেণী বন্ধু পবিত্ৰই চিঞৰি ক'লে, "ঐ অৰুণ, সেইটো বন্ধ কৰ আৰু এই ধুনীয়া ঠাইডোখৰত এপাক ফুৰোগৈ আহ।" অৰুণে সেই মোকাবলা মোকাবলা চিঞৰটো বন্ধ কৰি ফুৰিবলৈ ওলালে। লগতে মোৰ বন্ধু ৰাতুল, শিৱানন্দ, দীপক, গৌতম আৰু ময়ো ফুৰিবলৈ ওলালোঁ। কাৰিকৰক সকলো যোগাৰ কৰি দি আমাৰ আনন্দৰ খানাটো তৈয়াৰ কৰিবলৈ ক'লো। দ্বীপেন, দুলেনেও 'অৰ্দ্ধৰ' আমিও যাওঁ আৰু', তইঁতে আমাক এৰি থৈ যাব নেকি বুলি সিহঁতেও আমাৰ লগতে ফুৰিবলৈ ওলাল।

বাঃ কি সুন্দৰ জুৰিৰ দৃশ্য! ডাঙৰ ডাঙৰ শিলৰ ওপৰত আমি ইটোৰ পৰা সিটোলৈ বগাবলৈ ধৰিলোঁ। আজি বৰ আনন্দৰ মাজেৰে সময়বোৰ পাৰহৈ গৈছে। কাৰণ আনদিনা এনেদৰে লগৰ ল'ৰা-ছোৱালীৰ স'তে আনন্দ কৰিবলৈ সময় নাপাওঁ। হঠাৎ ৰাতুলে কলে, "অ'ই আমি পাহাৰত বগাওঁগৈ বৈ বৰ ভাল লাগিব"। সিহঁত আটাইমখা পাহাৰত বগাবলৈ বুলি ঢাপলি মেলিলে। মই সিহঁতক নাযাওঁ বুলি কৈ এচতা ওখ শিলৰ ওপৰত ওপৰলৈ মুখ কৰি শুই পৰিলো।

ক'তো ডাৱৰ অকনমান নথকা সূৰুযৰ উজ্বল পোহৰত নীলাহৈ থকা নিৰ্মল আকাশখনলৈ চাই বৰ ভাল লাগিছে। তাতে নিজৰাৰ জিৰ জিৰ শব্দ কাণত বাজি আছে। নানা পক্ষীৰ সুৰলা গীত। সঁচাকৈয়ে মন-প্ৰাণ টানি ধৰে। সূৰুযৰ কোমল পোহৰ, মৃদু পৱন, পক্ষীৰ কাকলি, জুৰিৰ খলখলনি শুনি মোৰ চকুহাল আপোনা-আপোনি মুদ খাই খাই গৈ আছিল।

হঠাৎ মোৰ কাষত দুজন মানুহ আহি ওলালহি। মানুহ যদিও মহাভাৰত-ৰামায়ণৰ দেৱতা-

সকলৰ দৰে সুন্দৰ চেহেৰাৰ । তেওঁলোকে মোক জোৰ কৰি ধৰি লৈ যাবলৈ বিচাৰিলে ! তৎক্ষণাত মোৰ চকুহালত ক'লা কাপোৰ মাৰি লৈ গুছি আহিল । মোক ক'লৈ আনিলে নিজে ক'ব নোৱাৰো । মাত্র এটা কথাই জানিব পাৰিছো যে জুৰিৰ খলকনি মই শুনিয়েই গৈ আছোঁ । তাৰ পৰা মই অনুমান কৰিছোঁ— মোক জুৰিৰ পাৰে পাৰে নি আছে ।

যেতিয়া মোৰ চকুকেইটা খুলি দিলে তেতিয়া মই এক বিতোপন ঘৰ দেখি আচৰিত হ'লো । এক সুন্দৰ ৰাজপ্রসাদ । ঘৰটোৰ চাৰিও-ফালে চালো । কিন্তু মোৰ মুখৰ আগতে এজন ৰজা আৰু তেওঁৰ মন্ত্রীবর্গ বহি আছে । মোক লৈ যোৱা মানুহ দুজনে কিবা বিং বাং কথা ক'লে । কি ক'লে মই বুজি নাপালো । মহাৰাজে তপৰাই মোক অসমীয়া ভাষাতে সুধিলে, "তোমাৰ ঘৰ অসম ৰাজ্যত ? মই তেতিয়াহে বুজিলো সেই লগুৱা দুজনে বাং বিংকৈ মোৰ ঘৰ অসমত আৰু ভাষা অসমীয়া বুলি কৈছিল । ৰজাক মই তপৰাই উত্তৰ দিলো, "হয়, অসম ৰাজ্যত ।" ৰজাই তেতিয়া ক'লে যে, অসমীয়া মানুহৰ আগৰ যি শক্তি, যি মিলাপ্রীতি এতিয়া সেইবোৰ নাইকীয়া হৈ যাব ধৰিছে । মানুহে মানুহক চিনি পাবলৈ টান হৈছে । অহিংসা শব্দৰ অর্থ পাহৰি গৈছে ।

এনেদৰে আৰু নানা ধৰণৰ অসমৰ বিপর্যয়ৰ কথা বর্ণনা কৰি যাবলৈ ধৰিলে । বহু বেলি অসমৰ কথা বর্ণনা কৰি এক প্রশ্ন সুধিলে— অসমত কিয় বিপ্লৱ হৈছে ? মই অবাক হৈ পৰিলো । কিয়নো অসমৰ প্রতিটো ঘটনাৰ বিষয়ে তেওঁলোকে জানেদেখোন ! মই কি উত্তৰ দিম কি নিদিম বুলি ভাবি কলোঁ, মহাৰাজ ! অসমৰ সম্পদ অসমীয়াসকলে ভোগ কৰিবলৈ নোপোৱাৰ কাৰণেই বিপ্লৱ হৈছে । মহাৰাজে পুনৰ কলে, উচিত শিক্ষা দিয়াৰ সত্বেও শিক্ষিত যুৱক কিছুমানে চৰকাৰৰ অধিনত চাকৰি পোৱা নাই কিয় ? মই হাঁহি কলো, মহাৰাজ ! যাৰ ধন আছে তাৰ চাকৰিও আছে । দুখীয়া ঘৰৰ জনৰ উচিত শিক্ষা থাকিলেও ধন নাথাকিলে চাকৰি নাপায় । টকা থকাজনে উচিত শিক্ষা নাথাকিলেও চাকৰি পায় ।

হঠাৎ কোনোবাই মোৰ কাণত ধৰি কাণমলা দিলে । তৎক্ষণাত মহাৰাজ আৰু মোক ধৰি নিয়া দুজন অন্তর্ধান হৈ পৰিল । মই দেখা পালো মোৰ ওচৰতে দীপক আৰু গৌতম বৈ আছে । গৌতমেই মোৰ কাণত ধৰিছিল । সিহঁত ঘূৰি আহি পুনৰ এইখিনি পাইছেহি । মই চকু দুটা মেলি সিহঁতলৈ চাই এনেয়ে হাঁহি এটা মাৰিলো । বাঃ, এক মিনিত সময়তে কি যে আচৰিত সপোন দেখিলো ! ❋❋





## কবিতা ঃ

# ঃ কবিতা কানুন

( কবিতা কবিৰ সৃষ্টিশীল খনিকৰী
শিল্পী হাতত সৃষ্টি হোৱা অমৰ অনুভূতি,
মধুৰ বচনভংগী কবিতা কবিৰ জীয়াই থকাৰ
অৱাধ প্ৰেৰণা ——————— )

ৰবীন্দ্ৰ নাথ ঠাকুৰ

" মানৱ মনৰ ভাৱ কল্পনা যেতিয়াই অনুভূতিৰঞ্জিত
যথাবিহিত শব্দসম্ভাৰেৰে বাস্তৱ সুষমামণ্ডিত
চিত্রাত্মক ও ছন্দোময় ৰূপ
লাভ কৰে তেতিয়াই তাৰ
নাম কবিতা হিচাপে "
পৰিগণিত হয় ॥

" ঠাকুৰ ৰবীন্দ্ৰ নাথ "

১। শ্ৰীযুত ললিত তামুলি (অধ্যাপক) ঃ— খেল বিভাগৰ উপদেষ্টা।
২। শ্ৰীযুক্তা মানসী গগৈ (অধ্যাপিকা) ঃ— সাংস্কৃতি বিভাগ।
৩। শ্ৰীদেবানন্দ বৰুৱা (সহকাৰী সাধাৰণ সম্পাদক)।
৪। শ্ৰীমুকুল সন্দিকৈ (উপসভাপতি)

(যোগা—যোগ কৰিও সময়মতে ফটো নোপোৱাৰ বাবে প্ৰকাশ কৰিব পৰা নগল)।

# কবিতা

## সংবাদ মোৰ মনৰ


অনীল দত্ত
স্নাতক ২য় বৰ্ষ


(১)

এতিয়া বন্দুকে গৰজিলেই
মই সাৰ পাই উঠো
খামুচি ধৰো মনৰ আশাবোৰ।
গভীৰ নিশা
হৃদয়খনে কথা পাতে জন্ম মৃত্যুৰ সৈতে
ভাবিছো
কোৱাৰি চেলেকা
সেই শ্বাপদৰ দলটোৱে
আজি বা কোন নৱ-পুস্পিতাৰ দেহত
ৰাওচি জুৰে।

(২)

এতিয়া মোৰ দেশৰ চৌপাশে
গৰজি উঠিছে মৃত্যুৰ হাবিয়াস
তথাপি
জীয়াই থকাৰ তাড়নাত
হেৰাই যাব ধৰা প্ৰেমৰ দুহাতেৰে
দুখৰ পথাৰতো সিঁচি দিছোঁ
সোণালী দিনৰ বীজ।
সৃষ্টি হওক
সেউজীয়া দলিচাত
কোনেও ৰুধিব নোৱাৰা
নতুন এটি বিপ্লৱ।

---

## এনিশাৰ সপোন


দুৰ্লভ গগৈ।
স্নাৰ্তক তৃতীয় বাৰ্ষিক


বহুদিনৰ অপেক্ষাৰ শেষত
ময়েই এদিন তোমাক বিচাৰি গৈছিলো
জোনাকবোৰৰ মাজত।
এটা কফিনৰ ভিতৰত নি:সাৰ নিশব্দে
তুমি শুই আছিলা। তেতিয়াও তোমাৰ হাঁহিটো
আধামেলা খোপাটোতে ওমলি আছিল,
বুকুৰ পৰা খহিপৰা ৰিহাখনৰ ভাঁজবোৰত
আমাৰ মৰমবোৰ ডকা বান্ধিছিল,
ভাগৰতে মই তোমাৰ কাষত বহি একেথৰে চাই আছিলো
টোপনিৰ কেঁচা আমেজত
ক্লান্ত হৈ পৰা তোমাৰ চকুযুৰিলৈ।
তোমাৰ ওঁঠযুৰিৰ শেঁতা পাহীদুটা
চুই তোমাৰ দুৰ্বাৰ বাসনাত
মোৰ মন ভাগি পৰিছিল।
ওচৰতে কৰবাত বজ্ৰপাত পৰিছিল,
চেতনাৰ খচমচনিত তোমাৰ কফিনটোও হেৰাই থাকিল
ছয়াঁময়া সপোনৰ মাদকতা বিচাৰি
মই আকৌ টোপনিয়াইছিলো
কিন্তু তেতিয়া উষা আহি শিতানৰ খিৰিকিখন খুলিছিলহি
বাহিৰত মূষলধাৰে বৃষ্টি আহিছিল।
ৰৰষুণে ধোৱা ফুলনিখনৰ মাজত তোমাক বিচাৰি নাপাই
মোৰ উন্মাদ চকুযোৰ সেমেকি উঠিছিল।

---

## এই নদীয়েদি

পপী দুৱৰাগঁগে
স্নাতক ২য় বৰ্ষ

অযুত শব্দ জুৰি /
স্বপ্নৰ পানচৈত উঠি / কতজন আহিল ভাহি /
পোৱা আৰু নোপাৱাৰ বন্যাত / কতজন গ'ল উটি /
এই নদীয়েদি।/

কেতিয়াবা / এনেয়ে ভাললগা /
কোনো এক প্ৰীতিময়ী অকুমাৰী ছোৱালীৰ দৰে/
নাচি নাচি গীত গাই / মচি নিয়ে / মনত চামনি পতা দুখৰ
মামৰ।/

কেতিয়াবা আবেলি বেলিয়ে / লাহৰি গগনা বজোৱা
নিজান ঘাটত/বিৰিৰিণ্ডি উঠে /
আঘোণৰ মুঠি মুঠি সোণগুটি হাঁহি /
আৰু কেতিয়াবা /
জঁই পৰা বেদনাৰ বলুকাত ঠেও ধৰি বৈ যায় জীৱনৰ
অচিনাকি ছন্দ।/

তথাপি কিয় জানো মোৰ /
ভাল লাগে এই নদী নিৰৱধি /
হয়তো পাব পাৰি / ইয়াৰ পাৰতে বহি /
সুগন্ধি কবিতাৰ সুবাসিত স্পৰ্শ /
অথবা / দিব পাৰি জলাঞ্জলি / জীৱনৰ যত গ্লানি
এই নদীয়েদি।/

## স্মৃতি

ৰিজু দত্ত
স্নাতক ১ম বৰ্ষ

এনেকৈয়ে ,
এনেকৈয়ে আমনি কৰে
অতিতৰ স্মৃতিয়ে
নিৰিবিলি ক্ষণৰ মনটো।
শেৱালিৰ সুবাসে ভৰা
কিয়ে চিকুণ শৰতৰ পুৱা ?
বালিমাহী চৰাইৰ সতে
উৰি ফুৰা মনটো
আকৌ যেন উৰা মাৰে
শিশুৰ মাতত মুখৰিত হোৱা
সেই পথাৰখনলৈ।

## প্ৰশ্নবোধক

শ্ৰীমতী জিতুমণি বৰগোহাই
স্নাতক তৃতীয় বাৰ্ষিক

আই ! আৰু কিমান সহিবি
তোৰ সন্তানৰ
কেঁচা তেজৰ গোন্ধ ,
বন্দুক কামানেৰে
আলি নিয়া বুকুৰ
আৰ্ত্ত চিঞৰ ?
আৰু কিমান সহিবি তোৰ
পংগু সন্তানৰ যন্ত্ৰণা ,
নিস্পেষিত নিৰ্যাতিত
জনতাৰ হাঁহাকাৰ ,
ধৰ্ষিতা জীয়াৰীৰ
চকুলোৰ বেদনা ?
আই ! কোনে আজি
মচিব তোৰ
চকুলোৰ নিজৰা।



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

জয় জয়তে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ চাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি ছাত্ৰ সমাজৰ সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি প্ৰতিবেদনৰ পাতনি মেলিছো।

ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণ সম্পাদকৰ গুৰু দায়িত্বভাৰ মোৰ ওপৰত ন্যস্ত কৰাৰ আগতে ভাবিছিলো— সাধাৰণ সম্পাদকৰ দায়িত্বত থাকি মহাবিদ্যালয়খনৰ ছাত্ৰ সমাজৰ উন্নয়ণৰ বাবে বহুত কৰিম, কিন্তু ভবা মতে কৰিব পৰা ন'হল। "আলচিলে নহয় সিদ্ধি, ৰাটত আছে কণা ৰিধি"— বচন ফাঁকিয়ে মোৰ কাৰ্য কালত পথৰ কণ্টকৰূপে আৱৰি ধৰিলে। সেয়ে মোৰ কাৰ্য কালত কি কৰিলো, কিমান সফল হলো বা কিমানখিনি কৰিবলৈ বাকী ৰৈ গ'ল, ভাৰ ৰিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰতে এৰিলো।

মহাবিদ্যালয় এখনৰ ছাত্ৰসকলে "ছাত্ৰ একতা সভা" গঠন কৰাৰ লগতে ছাত্ৰ একতা সভাক বিভিন্ন দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত পূৰ্ণাংগ সহযোগিতা আগবঢ়োৱাটো একান্ত কৰ্তব্য। এখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাখন প্ৰগতিবাদী আৰু সক্ৰিয় হ'বলৈ হ'লে ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া আৰু সকলো ছাত্ৰ-ছাত্ৰীৰ সহায়-সহযোগিতা তথা গঠনমূলক দিহা-পৰামৰ্শ, সমালোচনা একান্তই প্ৰয়োজনীয়। কিন্তু আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ইয়াৰ অভাৱ পৰিলক্ষিত হয়। সেয়ে এই সুযোগতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি এটা অনুৰোধ জনাওঁ যে, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলক নিৰ্বাচন কৰিয়েই কৰ্তব্য শেষ বুলি নধৰি তেওঁলোকে যাতে সকলো সময়তে ছাত্ৰ একতা সভাক সহায় সহযোগেদি আগবঢ়াই নিবলৈ যত্নপৰ হয়।

মহাবিদ্যালয়ত নিয়মিতভাবে অনুষ্ঠিত হৈ অহা মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, নৱাগত আদৰণি সভা আদি অনুষ্ঠিত কৰাৰ উপৰিও মোৰ কাৰ্যকালতে প্ৰোন প্ৰথম বাৰৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু নিতাইপুখুৰীৰ শাখা সাহিত্য সভাৰ যৌথ প্ৰচেষ্টাত "শিল্পী দিৱস" অনুষ্ঠিত কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পুলিছে ছাত্ৰ-ছাত্ৰীৰ ওপৰত চলোৱা অমানুষিক অত্যাচাৰৰ প্ৰতিবাদত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান ক্ৰমে আমাৰ মহাবিদ্যালয়তো কলা পতাকা উত্তোলনেৰে প্ৰতিবাদ সাব্যস্ত কৰা হয়। আমাৰ কাৰ্য্যকালৰ বৰ্ষতে পলমকৈ হ'লেও মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদযাপন কৰা হয়। ৰূপালী জয়ন্তীত ছাত্ৰ একতা সভা তৰফৰ পৰা স্বেচ্ছাসেৱকৰ দায়িত্ব বহন কৰা হয়।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত মহাবিদ্যালয়ৰ অভাৱ-অভিযোগৰ সন্দৰ্ভত কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰি অহা হৈছে। আমাৰ মহাবিদ্যালয়ৰ অভাৱ-অভিযোগসমূহ হ'ল ঃ

(ক) মহাবিদ্যালয়ৰ সুচল ঠাইত উপযুক্ত চাইকেল ষ্টেণ্ড এটা নোহোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ চাইকেলবিলাক ৰ'দে- বৰষুণে তিতি থাকে। সেয়ে অনতিপলমে এটা উপযুক্ত চাইকেল ষ্টেণ্ড নিৰ্মাণ কৰা অত্যন্ত প্ৰয়োজন।

(খ) মূল পথৰ পৰা মহাবিদ্যালয়লৈ সোমোৱা ৰাস্তাটোৰ অৱস্থা বাৰিষা কালত অতি দুখলগা হয়, যাৰ ফলত খোজকাঢ়িবলৈকে অসুবিধা হৈ পৰে। সেয়ে উক্ত ৰাস্তাটো খৰালী কালতে পকী কৰা অতি প্ৰয়োজন।

(গ) মহাবিদ্যালয়ত ছাত্ৰৰ জিৰণিৰ বাবে জিৰণি চ'ৰা নথকাটো পৰিতাপৰ বিষয়। যি বা এটা ছাত্ৰী জিৰণি চ'ৰা আছে, সিও উন্নতমানৰ নহয়। সেয়ে ছাত্ৰ-ছাত্ৰীৰ বাবে দুটা উপযুক্ত তথা উন্নতমানৰ চ'ৰা নিৰ্মাণ কৰিব লাগে।

(ঘ) মহাবিদ্যালয়ত পৰ্যাপ্ত পৰিমাণৰ খেলা-ধূলাৰ সামগ্ৰী ছাত্ৰ-ছাত্ৰীসকলে যাতে নিয়মিতভাৱে লাভ কৰে তাৰ ব্যৱস্থা কৰিব লাগে।

(ঙ) ছাত্ৰ একতা সভাৰ কাৰ্যালয়টো পকীকৰণ কৰিব লাগে।

(চ) পুথিভঁৰালত পৰ্যাপ্ত পৰিমানৰ পাঠ্যপুথি আৰু আনুষাংগিক পুথিৰ যোগান ধৰিব লাগে। লগতে বাতৰি কাকত, আলোচনী নিয়মীয়াকৈ পঢ়িবৰ বাবে এটা উন্নতমানৰ অধ্যয়ণ কক্ষৰো ব্যৱস্থা কৰিব লাগে।

(ছ) মহাবিদ্যালয়ৰ চৌহদত বেৰাৰ ব্যৱস্থা কৰিব লাগে।

(জ) মহাবিদ্যালয়ৰ চৌহদত শৌচাগাৰ নিৰ্মান আৰু প্ৰস্ৰাৱগাৰ বৃদ্ধি কৰিব লাগে।

(ঝ) মহাবিদ্যালয়ত টেলিফোনৰ ব্যৱস্থা কৰিব লাগে।

(ঞ) মহাবিদ্যালয়ত এটা পেক্ষাগৃহ নিৰ্মান কৰিব লাগে।

(ট) সকলো শ্ৰেণীকোঠাত বিজুলী পাংখাৰ ব্যৱস্থা কৰিব লাগে।

(ঠ) দূৰণিবৰ্তীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰাবাস নিৰ্মাণ কৰিব লাগে।

উল্লেখযোগ্য যে ইতিমধ্যে কৰ্তৃপক্ষই চৰকাৰী সাহাৰ্য লাভ কৰি এটা জনজাতি ছাত্ৰাবাস আৰু এটা আইল-বহল শ্ৰেণীকোঠাৰ নিৰ্মাণ কাৰ্য চলাই আছে। প্ৰস্ৰাৱগাৰো বৃদ্ধি কৰিছে। আন আন অভাৱ-অভিযোগসমূহ তৎকালে দূৰ কৰাৰ ক্ষেত্ৰত কৰ্তৃপক্ষই মনোনিবেশ কৰিব বুলি আশা কৰিলো।

সদৌ শেষত মোৰ কাৰ্যকালত ছাত্ৰ একতা সভাৰ কাৰ্য সম্পাদন কৰাৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত ডম্বৰুধৰ নেওগ চাৰ, ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত ৰাণীকান্ত গগৈ চাৰ, আলোচনী বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দিগন্ত গগৈ চাৰ, বাকীসকল শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী, মহাবিদ্যালয়ৰ কৰ্মচাৰী আৰু কাৰ্যনিৰ্বাহক সতীৰ্থসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। আমাৰ মহাবিদ্যালয়খনি যাতে আগশাৰীৰ মহাবিদ্যালয় ৰূপে সদায় জিলিকি থাকে আৰু ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃত শিক্ষাৰে নিজকে গঢ় দি আনৰ মাজতো যাতে জ্ঞানৰ পোহৰ বিলাবলৈ সক্ষম হয় তাকে কামনা কৰিছো।

মোৰ কাৰ্য্যকালত জানি বা নাজানি যদি কাৰোবাৰ ওচৰত দোষ কৰিলো— সেই দোষ নিজ গুণে মৰষিব বুলি আশা কৰিলো। মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উন্নতিৰ কামনাৰে—

শ্ৰীবাবুলাল শইকীয়া
সাধাৰণ সম্পাদক।
ছাত্ৰ একতা সভা,
হেঃ চঃ দেঃ গোঃ মহাবিদ্যালয়।

## কুইজ

১। কুকুৰা যুঁজ অসমত দেখা পোৱা যায়। মাছৰ যুঁজ ক'ত দেখা পোৱা যায় ?
২। চিনেমা জগতৰ প্ৰথম সবাক ছবি কি ?
৩। পৃথিৱীৰ আটাইতকৈ দামী শিল্পী কোন ?
৪। পৃথিৱীৰ আটাইতকৈ সৰু স্বাধীন ৰাজ্য কোনখন ?
৫। ষ্টাম্প আৰু মুদ্ৰাৰ পিছতেই কোন বস্তু সংগ্ৰহৰ ৰবি আটাইতকৈ জনপ্ৰিয় ?
৬। ভাৰতৰ প্ৰথম মহিলা বিমান চালক কোন ?
৭। পৃথিৱীৰ আটাইতকৈ ডাঙৰ পুথিভঁৰাল কোনটো ?
৮। বৰ্তমান অসমৰ বাহিৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিবেশন ক'ত হৈছিল আৰু সেই সভাৰ সভাপতি কোন আছিল ?
৯। অসমীয়া গদ্য সাহিত্যৰ জনক কোন ?
১০। মহাভাৰত কোনে অসমীয়া পদ্যত ৰচনা কৰিছিল ?
১১। অসমীয়া ভাষাৰ প্ৰথম নিদৰ্শন কি ?
১২। অসমীয়া ৰোমাণ্টিক সাহিত্যৰ বাটকটীয়া কোন ?
১৩। অসমৰ প্ৰথম দৈনিক বাতৰি কাকত কোনখন ?
১৪। পঞ্চপল্লৱ কি কি ?
১৫। প্ৰাক-শংকৰী যুগৰ শ্ৰেষ্ঠ অসমীয়া কবি কোনে ?

### উত্তৰ ঃ

১। থাইলেন্ডত।
২। The Jazz Singer.
৩। মাইকেল জেকচন।
৪। ভেটিকান চিটি
৫। পোষ্টকাৰ্ড সংগ্ৰহৰ ?
৬। প্ৰেম মাথুৰ (১৯৪৮ চনত)
৭। ইউনাইটেড ষ্টেট লাইব্ৰেৰী অৱ কংগ্ৰেছৰ পুথিভঁৰাল।
৮। চিলঙত, ১৯৫৩ চনত আৰু সেই সভাৰ সভাপতি আছিল সূৰ্য কুমাৰ ভূঞা।
৯। শ্ৰীমন্ত শংকৰদেৱ
১০। ৰাম সৰস্বতীয়ে।
১১। খৃঃ অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচনা কৰা চৰ্যাপদবোৰ।
১২। চন্দ্ৰকুমাৰ আগৰৱালা।
১৩। ১৯৩৭ চনত বাগমীবৰ নীলমণি ফুকনে উলিওৱা 'বাতৰি'।
১৪। আম, আহত, বট, অশ্বথ, ডিমৰু।
১৫। মাধৱ কন্দলি।

সংগ্ৰাহক ঃ শ্ৰীমতী ৰশ্মিৰেখা গগৈ
স্নাতক ২য় বৰ্ষ

## ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

জয় জয়তে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ১৯৯৪-৯৫ চনৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি-চ'ৰাৰ সম্পাদিকা হিচাপে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্ব্বাচিত হোৱাৰ সুবিধা দিয়াৰ বাবে মহা-বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰা পাছতে 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে ছাত্ৰী জিৰণি চ'ৰাৰ উদ্যোগত বেডমিণ্টন, টেবুল টেনিছ, কেৰম আৰু ডবাখেল প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। বহুতো ছাত্ৰীয়ে এই খেলসমূহত যোগদান কৰিছিল। সমূহ প্ৰতিযোগীলৈ মোৰ হিয়াভৰা শুভেচ্ছা থাকিল।

মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱা আজি ৩০ বছৰেই হ'লহি। কিন্তু ছাত্ৰী জিৰণি চ'ৰাটোৰ অৱস্থা ~~এতিয়াও একেবাৰে অৱাজীন' হৈয়ে আছে। জিৰণিৰ সময়ত মানসিক আনন্দৰ ঠাইত মানসিক অশা-~~ন্তিহে হয় বুলি কলেও বঢ়াই কোৱা নহয়। আশা কৰিছোঁ— কৰ্তৃপক্ষই এই অভাৱ দূৰ কৰি ছাত্ৰীসকলৰ সামান্য উপকাৰ কৰে যেন।

বিভাগীয় খেলসমূহ পৰিচালনা কৰাত ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত বানীকান্ত গগৈচাৰ আৰু ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ফনিধৰ শইকীয়া চাৰে সহায়-সহযোগ, দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'লো। বিভাগীয় কাম-কাজ সম্পাদন কৰোঁতে প্ৰতিটো ক্ষেত্ৰতে সহায় কৰা ককাইদেউ তপন, বিনোদ, গনেশ, বাবুল, দেৱা, ৰঞ্জন, চপাৰিস্মিতা আৰু বিজু বাইদেউ তথা বান্ধৱী পুৰবীলৈ শুভেচ্ছাৰ লগতে অশেষ ধন্যবাদ থাকিল।

অৱশেষত, মহাবিদ্যালয়ৰ সৰ্বাংগিন উন্নতি কামনা কৰিলোঁ আৰু মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ক্ৰুটি অথবা ব্যৰ্থতাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ।

ইতি

শ্ৰীমতী পূৰ্ণিমা চাংমাই

সম্পাদিকা, ছাত্ৰী জিৰণি-চ'ৰা।



## ছাত্ৰ জিৰণি-চ'ৰাৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভনীতে অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে যিসকল বীৰ শ্বহীদে জীৱন আহুতি দিলে সেই মহান শ্বহীদসকললৈ মোৰ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছোঁ।

১৯৯৪-৯৫ চনৰ বছৰটোৰ বাবে ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে কাৰ্যনিৰ্বাহ কৰিবলৈ সুযোগ দিয়া সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমানৰ পাছতে মহাবিদ্যালয়ৰ "ক্ৰীড়া সপ্তাহ" উলহ-মালহেৰে অনুষ্ঠিত হয়। এই ক্ৰীড়া সপ্তাহত বহুতো ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিভা আৰু দক্ষতা প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হয়। ছাত্ৰ জিৰণি চ'ৰা বিভাগৰ দায়িত্বত থকা খেলসমূহ হ'ল— বেডমিণ্টন, টেবুল টেনিচ, কেৰম আৰু ডবা। এই প্ৰায়বোৰ খেলতে যথেষ্ট সংখ্যক খেলুৱৈয়ে অংশ গ্ৰহণ কৰিছিল। খেলসমূহ অনুষ্ঠিত কৰাত যথেষ্ট অসুবিধা হৈছিল। কাৰণ মহাবিদ্যালয়ৰ ছাত্ৰৰ সংখ্যালৈ চাই ছাত্ৰ জিৰণি চ'ৰাটো যথেষ্ট সৰু। ইয়াৰ উপৰি ঘৰটোৰ মজিয়াখন কেঁচা হোৱাৰ বাবে টেবুল টেনিচ খেলত অসুবিধাৰ সৃষ্টি হয়। এই ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ জিৰণি চ'ৰা মজিয়া পকী-কৰণ, আৱশ্যকীয় বৈদ্যুতিকৰণ আৰু প্ৰয়োজনীয় খেলৰ সামগ্ৰী যোগান ধৰি ছাত্ৰসকলৰ খেলৰ মানদণ্ড উন্নত কৰাত সহায় আগবঢ়াব বুলি আশা কৰিছোঁ।

এই সুযোগতে মোৰ কাৰ্যকালত বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক মহোদয় শ্ৰী শিৱ ৰঞ্জন শৰ্মা চাৰে যি সহায় আগবঢ়ালে তাঁৰ বাবে তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰলো। লগতে বিভিন্ন দিশত মোক সকলো সময়তে সহায় কৰা ছাত্ৰবন্ধু শ্ৰীজিতেন বড়ি, বিনোদ কোঁৱৰ, নাৰায়ণ চাহ, নজমল আহমেদ, ক্ষীৰোদ বৰুৱা, শৈলেন মেধি আৰু ইন্দ্ৰ বড়িলৈ শলাগিৰ শৰাই আগবঢ়ালো।

সদৌ শেষত, অনাগত দিনত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি চ'ৰাৰ এক সুন্দৰ বাতাবৰণ আৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

শ্ৰী কল্যাণ বড়ি

সম্পাদক,

ছাত্ৰ জিৰণি চ'ৰা, হেঃ চঃ দেঃ গোঃ মহাবিদ্যালয়।

# ফলাফল

## নৱবিংশতিতম মহাবিদ্যালয় সপ্তাহ

## ১৯৯৪–৯৫ বৰ্ষ

### তৰ্ক আৰু সাহিত্য বিভাগ ঃ

ইংৰাজী কবিতা আবৃত্তি :

১ম স্থান—শ্ৰীমতী ৰশ্মিসন্ধ্যা দত্ত

২য় ,, —শ্ৰী ৰঞ্জন গগৈ

৩য় ,, —শ্ৰী বিনোদ সন্দিকৈ

অসমীয়া কবিতা আবৃত্তি—

১ম স্থান—শ্ৰীমতী বিজু দত্ত

২য় ,, —শ্ৰীমতী বিজু বৰঠাকুৰ

৩য় ,, —শ্ৰীমতী ৰুপা শইকীয়া

—শ্ৰীজিয়াউৰ ৰহমান

তৰ্ক প্ৰতিযোগিতা—

১ম স্থান—শ্ৰীদিলীপ গগৈ

২য় ,, —শ্ৰীবেৰকান্ত দত্ত

৩য় ,, —শ্ৰীতপন বৰগোহাঁই

আকস্মিক বক্তৃতা—

১ম স্থান—শ্ৰী অজেন্দ্ৰ গগৈ

২য় ,, —শ্ৰীপ্ৰশান্ত কোঁৱৰ

৩য় ,, —শ্ৰীবেৰকান্ত দত্ত

স্ব-ৰচিত ইংৰাজী কবিতা—

উদগনিমূলক—শ্ৰীৰঞ্জন গগৈ

শ্ৰীমতী বিজু বৰঠাকুৰ

কুইজ প্ৰতিযোগিতা—

১ম স্থান—শ্ৰীৰঞ্জন গগৈ

—শ্ৰীবিনোদ সন্দিকৈ

১ম স্থান—শ্ৰীজুনজুন ডেকাবৰুৱা

—শ্ৰীগৌতম চেতিয়া

২য় স্থান—শ্ৰীমতী ৰশ্মিসন্ধ্যা দত্ত

—শ্ৰীমতী তনুজা ফুকন

—শ্ৰী দুলাল বৰুৱা

—শ্ৰীমতী বিজু বৰঠাকুৰ

৩য় স্থান—শ্ৰীদিলীপ গগৈ

শ্ৰী দুৰ্লভ গগৈ

শ্ৰী পৰাগ দিহিঙ্গীয়া

শ্ৰী বেৰকান্ত দত্ত

স্বৰচিত অসমীয়া কবিতা—

১ম স্থান—শ্ৰীমতী ৰশ্মিৰেখা গগৈ

২য় স্থান—শ্ৰী দুলাল বৰুৱা

শ্ৰীমতী বিজু বৰঠাকুৰ

৩য় স্থান—শ্ৰীমতী গৌৰীকা গগৈ

উদগনিমূলক—শ্ৰী মিণ্টু বুঢ়াগোহাঁই

শ্ৰী বিবন গগৈ

স্ব-ৰচিত গল্প—

১ম স্থান—শ্ৰীমতী তুলুমণি গগৈ

২য় ,, —শ্ৰী দুৰ্লভ গগৈ

৩য় ,, —শ্ৰী বিকাশ গগৈ

উদগনিমূলক—শ্ৰী মিণ্টু বুঢ়াগোহাঁই

থলিতে লিখা ৰস-ৰচনা—

উদগনিমূলক—শ্ৰী দুৰ্লভ গগৈ



থলিতে লিখা কবিতা—

১ম স্থান—শ্ৰী দুৰ্লভ গগৈ

২য় ,, —শ্ৰীমতী মিনাক্ষী ভূঞা

—শ্ৰীমতী বিজু বৰঠাকুৰ

৩য় ,, —শ্ৰীমতী ৰশ্মিৰেখা গগৈ

—শ্ৰী দুলাল বৰুৱা

একাংকিকা নাটৰ পাণ্ডুলিপি—

উদগনিমূলক—শ্ৰী দুলাল বৰুৱা

শ্ৰী মিণ্টু বুঢ়াগোহাঁই

শ্ৰীমতী বিজু বৰঠাকুৰ

ৰচনা প্ৰতিযোগিতা—

১ম স্থান—শ্ৰী দুৰ্লভ গগৈ

২য় ,, —শ্ৰীমতী ৰশ্মিৰেখা গগৈ

৩য় ,, —শ্ৰী দুলাল বৰুৱা

উদগনিমূলক—শ্ৰীমতী জ্যোতিকা টাও

বছৰৰ শ্ৰেষ্ঠ লেখক— শ্ৰী দুৰ্লভ গগৈ

### খেল বিভাগ ঃ

১০০ মিটাৰ দৌৰ (ল'ৰা) :

১ম স্থান—শ্ৰী খগেন গগৈ

২য় ,, —শ্ৰী প্ৰাঞ্জলপ্ৰতীম কোঁৱৰ

৩য় ,, —শ্ৰী ললিত চন্দ্ৰ টায়ে

১০০ মিটাৰ দৌৰ (ছোৱালী) :

১ম স্থান—শ্ৰীমতী ৰিংকুমণি টায়ে

২য় ,, —শ্ৰীমতী জ্যোতি চেতিয়া

৩য় ,, —শ্ৰীমতী পৰিস্মিতা আৰন্ধৰা

২০০ মিটাৰ দৌৰ (ল'ৰা) :

১ম স্থান—শ্ৰী খগেন গগৈ

২য় ,, —শ্ৰী ললিত চন্দ্ৰ টায়ে

৩য় ,, —শ্ৰী প্ৰাঞ্জলপ্ৰতীম কোঁৱৰ

২০০ মিটাৰ দৌৰ (ছোৱালী) :

১ম স্থান—শ্ৰীমতী ৰিংকুমণি টায়ে

২য় ,, —শ্ৰীমতী ৰঞ্জুমণি ভঁৰালী

৩য় ,, —শ্ৰীমতী ৰশ্মি গগৈ

১৫০০ মিটাৰ দৌৰ (ল'ৰা) :

১ম স্থান—শ্ৰী চিৰঞ্জীৱ দাস

২য় ,, —শ্ৰী তনু দত্ত

৩য় ,, —শ্ৰী পদ্ম গগৈ

১৫০০ মিটাৰ দৌৰ (ছোৱালী) :

১ম স্থান—শ্ৰীমতী অনামিকা শইকীয়া

২য় ,, —শ্ৰীমতী ৰিংকুমণি টায়ে

৩য় ,, —শ্ৰীমতী নিৰু বৰগোহাঁই

লং জাম্প (ল'ৰা) :

১ম স্থান—শ্ৰী মেঘনাথ ভৌমিক

২য় ,, —শ্ৰী পদ্ম গগৈ

৩য় ,, শ্ৰী যদু দত্ত

লং জাম্প (ছোৱালী) :

১ম স্থান—শ্ৰীমতী মিনাক্ষী ভূঞা

২য় ,, —শ্ৰীমতী চাহেদা বেগম

৩য় ,, —শ্ৰীমতী জ্যোতি চেতিয়া

হাই জাম্প (ল'ৰা) :

১ম স্থান—শ্ৰী মেঘনাথ ভৌমিক

২য় ,, —শ্ৰী পদ্ম গগৈ

৩য় ,, —শ্ৰী খগেন গগৈ

চটপুত থ্ৰো (ল'ৰা) :

১ম স্থান—শ্ৰী অজিত হাজৰিকা

২য় ,, —শ্ৰী যতিনাথ দেউৰী

৩য় ,, শ্ৰী নিৰ্মল বড়ি

ছটপুত্ত খেো (ছোৱালী) ঃ

১ম স্থান—শ্ৰীমতী জ্যোতি চেতিয়া

২য় ,, —শ্ৰীমতী শিখাৰাণি দেউৰী

৩য় ,, —শ্ৰীমতী মিনাক্ষী ভূঞা

ডিছকাছ খেো (ল'ৰা) ঃ

১ম স্থান—শ্ৰীযতি নাথ দেউৰী

২য় ,, —শ্ৰীৰমেশ্ব দেউৰী

৩য় ,, —শ্ৰীযদু দত্ত

ডিছকাছ খেো (ছোৱালী) ঃ

১ম স্থান—শ্ৰীমতী অনামিকা শইকীয়া

২য় ,, —শ্ৰীমতী মিনাক্ষী ভূঞা

৩য় ,, —শ্ৰীমতী পৰিস্মিতা আৰন্ধৰা

জেভেলিন খেো (ল'ৰা) ঃ

১ম স্থান—শ্ৰীযতিনাথ দেউৰী

২য় ,, —শ্ৰীখগেন গগৈ

৩য় ,, —শ্ৰীগকুল সন্দিকৈ

জেভেলিন খেো (ছোৱালী) ঃ

১ম স্থান—শ্ৰীমতী পৰিস্মিতা আৰন্ধৰা

২য় ,, —শ্ৰীমতী শিখাৰাণী দেউৰী

৩য় ,, —শ্ৰীমতী মিনাক্ষী ভূঞা

মাৰাথান ৰেছ ঃ

১ম স্থান—শ্ৰীঅজেন্তু গগৈ

২য় ,, —শ্ৰীমনোৰঞ্জন গগৈ

৩য় ,, —শ্ৰীজীৱন গগৈ

৪ৰ্থ ,, —শ্ৰীজীৱ ফুলকোঁৱৰ

শ্ৰেষ্ঠ খেলুৱৈ—শ্ৰীখগেন গগৈ

শ্ৰেষ্ঠা খেলুৱৈ—শ্ৰীমতী ৰিংকুমণি টায়ে

## —ছাত্ৰ জিৰণি চ'ৰা বিভাগ—

কেৰম (ছিংগল) ঃ

চেম্পিয়ন—শ্ৰী প্ৰবোধ বৰুৱা

ৰানাৰ্চ —শ্ৰী নবীন গগৈ

বেডমিণ্টন ঃ

চেম্পিয়ন—শ্ৰী শিৱানন্দ শৰ্মা

ৰানাৰ্চ —শ্ৰী বিনোদ কোঁৱৰ

ডবা ঃ

চেম্পিয়ন—শ্ৰী বিনোদ কোঁৱৰ

ৰানাৰ্চ —শ্ৰী নীলকান্ত বড়া

টেবুল টেনিছ ঃ

চেম্পিয়ন—শ্ৰী বিনোদ কোঁৱৰ

ৰানাৰ্চ —শ্ৰী নেকিব আহমেদ

শ্ৰেষ্ঠ খেলুৱৈ ঃ

শ্ৰী বিনোদ কোঁৱৰ

## —ছাত্ৰী জিৰণি চ'ৰা বিভাগ—

কেৰম ছিংগল ঃ

চেম্পিয়ন—শ্ৰীমতী দীপাঞ্জলী চাংমাই

ৰানাৰ্চ —শ্ৰীমতী প্ৰণীতা দত্ত

বেডমিণ্টন ঃ

চেম্পিয়ন—শ্ৰীমতী দিপাঞ্জলী চাংমাই

ৰানাৰ্চ —শ্ৰীমতী মিনাক্ষী দত্ত

কেৰম (ডবলছ) ঃ

চেম্পিয়ন—শ্ৰীমতী পৰিস্মিতা আৰন্ধৰা

শ্ৰীমতী মিনাক্ষী দত্ত

ৰানাৰ্চ —শ্ৰীমতী শ্যামলী কোঁৱৰ

শ্ৰীমতী প্ৰণীতা দত্ত

ডবা ঃ

চেম্পিয়ন—শ্ৰীমতী পৰিস্মিতা আৰন্ধৰা

ৰানাৰ্চ —শ্ৰীমতী প্ৰণীতা দত্ত

টেবুল টেনিছ ঃ

চেম্পিয়ন—শ্ৰীমতী দিপাঞ্জলী চাংমাই

ৰানাৰ্চ —শ্ৰীমতী চাহেদা বেগম



## সংগীত আৰু সাংস্কৃতিক বিভাগ ঃ

লোকগীত—

১ম স্থান—শ্ৰীপ্ৰাঞ্জল শৰ্মা

২য় ,, —শ্ৰীভৱেশ্বৰ টায়ে

৩য় ,, —শ্ৰীমতী স্বৰ্ণ শইকীয়া

জ্যোতি সংগীত ঃ

১ম স্থান—শ্ৰীপ্ৰাঞ্জল শৰ্মা

২য় ,, —শ্ৰীদিলীপ গগৈ

শ্ৰীমতী সংগীতা শৰ্মা

ৰাভা সংগীত ঃ

১ম স্থান—শ্ৰী প্ৰাঞ্জল শৰ্মা

২য় ,, —শ্ৰীদিলীপ গগৈ

পাৰ্বতী প্ৰসাদ ঃ

১ম স্থান—শ্ৰীপ্ৰাঞ্জল শৰ্মা

২য় ,, —শ্ৰীপুৰন্দৰ বুঢ়াগোহাঁই

শ্ৰীমতী জ্যোতি চেতিয়া

আধুনিক গীত ঃ

১ম স্থান—শ্ৰীপ্ৰাঞ্জল শৰ্মা

২য় ,, —শ্ৰীপুৰন্দৰ বুঢ়াগোহাঁই

শ্ৰীৰতন দেউৰী

মিছিং ঐনিতম ঃ

১ম স্থান শ্ৰীমতী জ্যোতিকা টাও

২য় ,, — ,, ৰিংকু টায়ে

বিহু নৃত্য ঃ

১ম স্থান—শ্ৰীমতী উৰ্মিলা বড়া

২য় স্থান— ,, পূৰ্ণলিমা চাংমাই

,, পৰিস্মিতা আৰন্ধৰা

ছদ্মবেশ ধাৰণ ঃ

১ম স্থান—শ্ৰীমতী ৰশ্মি গগৈ

২য় স্থান—শ্ৰীমতী বৃষ্টি ফুকন

একক অভিনয় ঃ

১ম স্থান—শ্ৰীপ্ৰশান্ত কোঁৱৰ

২য় স্থান—শ্ৰীবিকাশ বৰুৱা

শ্ৰীনৰ ফুকন

মূক অভিনয় ঃ

১ম স্থান—শ্ৰীতপন ৰবগোহাঁই

২য় স্থান—শ্ৰীজয়ন্ত লাহন

ব্যংগ অভিনয় ঃ

১ম স্থান—শ্ৰীৰঞ্জিত বড়া

শ্ৰীবিনোদ কোঁৱৰ

শ্ৰীমতী মিনাক্ষী দত্ত

২য় স্থান—শ্ৰী তপন ৰবগোহাঁই

শ্ৰী টুটু বড়া

বৰগীত ঃ

১ম স্থান—নাই

২য় স্থান—শ্ৰীমতী স্বৰ্ণ শইকীয়া

নাটক ঃ

শ্ৰেষ্ঠ নাটক—'অভিশপ্ত ফুলিয়াজান'।

পৰিচালক —শ্ৰীমতী মুনমুন ফুকৰা।

অভিনয়ত ঃ প্ৰশান্ত কোঁৱৰ, ৰঞ্জিত বড়া, জিয়াউৰ ৰহমান, বিনোদ কোঁৱৰ, তপন ৰবগোহাঁই, নৰ ফুকন, স্বৰ্ণ শইকীয়া।

শ্ৰেষ্ঠ অভিনেতা ঃ শ্ৰী ৰঞ্জিত বড়া।

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ঃ

ইতিহাসে গৰকী যোৱা আমাৰ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ জ্ঞানানুৰাগী সুপ্ৰিয় সতীৰ্থসকলৰ কষ্টসাধ্য স্বীকাৰোক্তিৰ ফলত মই ১৯৯৪-৯৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰূপে তুমুল প্ৰতিদ্বন্দ্বিতাৰে নিৰ্ব্বাচিত হলো। যিসকলে মোক নিৰ্বাচনত জয়-যুক্ত কৰাই এই মহান অনুষ্ঠানটিৰ সাংস্কৃতিক দায়িত্ব পালনৰ সুবিধা দিলে তেওঁলোকলৈ মোৰ আৰম্ভনিতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ছাত্ৰ একতা সভাই পালন কৰিবলগীয়া প্ৰতিটো কাৰ্যসূচীতে মই সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিলো। ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বাৰ্ষিক মহাবিদ্যালয়-সপ্তাহ আৰু ডিগবৈত অনুষ্ঠিত আন্ত: মহাবিদ্যালয় সংগীত প্ৰতিযোগিতাৰ নানান প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। ইয়াৰ উপৰিও মোৰ কাৰ্যকালতেই হেঃ চঃ দেঃ গো মহাবিদ্যালয়ৰ ৰূপালী-জয়ন্তী উদ্‌যাপন কৰা হয়। এই উদ্‌যাপনত আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা মহেন্দ্ৰ বৰঠাকুৰৰ "মোৰ আই" নাটখনি মঞ্চস্থ কৰা হয়। এই ক্ষেত্ৰত মোক সক্ৰিয়ভাৱে সহায় কৰিছিল আমাৰ মহাবিদ্যালয়ৰ মোৰ বন্ধু শ্ৰীপ্ৰশান্ত কোঁৱৰ আৰু অধ্যাপক শ্ৰীযুত শিৱৰঞ্জন শৰ্ম্মাচাৰে। উৎসাহ আৰু প্ৰেৰণা যোগাইছিল মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত ডম্বৰুধৰ নেওগ চাৰে।

মোৰ কাৰ্যকালত যিসকল শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীয়ে বিভিন্ন দিশত সহায়-সহযোগ, দিহা-পৰামৰ্শ আগবঢ়ালে তেখেত সকলৰ ওচৰত মই চিৰকৃতজ্ঞ। অধ্যাপক শ্ৰীযুত ফণীধৰ শইকীয়া, শ্ৰীযুত দিগন্ত গগৈ, শ্ৰীযুত সুধীৰ ৰঞ্জন দাস, শ্ৰীযুত শিৱৰঞ্জন শৰ্মা, শ্ৰীযুত নোমল কোঁৱৰ, শ্ৰীযুত অপূৰ্ব্ব গোহাঁই, অধ্যাপিকা শ্ৰীযুতা মালৱিকা দিহিঙীয়া বৰুৱা, শ্ৰীযুতা মানসী গগৈ, শ্ৰীযুতা অঞ্জলী গগৈ, শ্ৰীযুতা ভদ্ৰাৱতী গগৈ —এই সকলোৰে প্ৰতি মই চিৰকৃতজ্ঞ। শিক্ষাগুৰুসকলৰ উপৰিও বন্ধু প্ৰশান্ত বিনোদ, হৰেণ, পুলিন, ৰাতুল, বিশ্বজিত, গণেশ, বাবুলাল, নবীন, বান্ধৱী মিনাক্ষী, চাহেদা, অৰ্চনা, ৰশ্মি এইসকলোৰে প্ৰতি আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। মোৰ এই প্ৰতিবেদনত বৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিছোঁ। বৰ্ষ বিলাকৰ মহাবিদ্যালয়ৰ নৱ-নিৰ্ব্বাচিত ছাত্ৰ একতা সভা আৰু মোৰ প্ৰিয় সংগীত বিভাগটোৰ উজ্জ্বল কামনাৰে মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

শ্ৰী ৰঞ্জিত বড়া  
সাংস্কৃতিক সম্পাদক,  
হেঃ চঃ দেঃ গোঃ মহাবিদ্যালৰ ছাত্ৰ একতা সভা



# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভনিতেই যিসকল বীৰে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি দেশ মাতৃৰ হকে জীৱন উৎসৰ্গি শ্বহীদ হ'ল সেইসকল মহান শ্বহীদলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ।

দ্বিতীয়তে মোৰ প্ৰতি আস্থা ৰাখি উত্তেজনাপূৰ্ণ নিৰ্ব্বাচনত চাৰিজনৰ মাজৰ পৰা মোক যিসকল ছাত্ৰ-ছাত্ৰীয়ে ১৯৯৪-৯৫ চনৰ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাবে সাংবিধানিক নীতিৰে নিৰ্ব্বাচিত কৰিলে, সেইসকল ছাত্ৰ-বন্ধুলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শিৱসাগৰ জিলাৰ উত্তৰ-পূৰ দিশত প্ৰকৃতিৰ এক মনোৰম পৰিবেশৰ মাজত শিক্ষা-সাংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ঐতিহাসিক নিভাইপুখুৰীত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়খন অৱস্থিত। এনে এখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাঃ সম্পাদক হিচাপে গুৰুত্বপূৰ্ণ পদটোৰ অধিকাৰী হৈ মহাবিদ্যালয়খনলৈ কি সেৱা আগবঢ়াব পাৰিলো অথবা নোৱাৰিলো সি বিচাৰ্য বিষয় আৰু তাক সংশ্লিষ্ট সকলোৱে বিচাৰ কৰিব। সহঃ সাঃ সম্পাদকৰ দায়িত্ব গ্ৰহনেৰে মহাবিদ্যালয়খনক উন্নয়নৰ অৰ্থে যৎপৰোনাস্তি চেষ্টা কৰিছিলো। অৱশ্যে সীমাবদ্ধ ক্ষমতা আছিল প্ৰতিবন্ধক।

মই সৰ্ব্বজন মতত অটল বিশ্বাস ৰাখি মোৰ দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰি গৈছিলো। সাঃ সম্পাদকৰ অনুপস্থিতিত মইও বহুকেইটা কাৰ্যসূচী সফল ভাৱে ৰূপায়ণ কৰি আহিছো। তাৰ ভিতৰত অন্যতম কাৰ্যসূচীটো হৈছে সু-সাহিত্যিক এসময়ৰ অসম সাহিত্য সভাৰ সভাপতি ড° মহেশ্বৰ নেওগদেৱৰ মৃত্যুত তেওঁৰ আত্মাৰ চিৰ শান্তি বিচাৰি শোক সভা পাতিছিলো।

মোক সকলো সময়তে সহায়-সহযোগ আগবঢ়োৱা মোৰ প্ৰস্তাৱক আৰু সমৰ্থক শ্ৰীমতী ৰিজু কোঁৱৰ আৰু শ্ৰীমতী ভাৱতী গগৈক আছুতীয়াকৈ মৰম আৰু আন্তৰিক শুভেচ্ছা যাঁচিলো। বিশেষ ভাৱে মোক দিহা-পৰামৰ্শ দিয়াৰ বাবে অধ্যক্ষ মহোদয় শ্ৰীযুত ডম্বৰুধৰ নেওগ, প্ৰবক্তা শ্ৰীযুত ললিত তামুলি, শ্ৰীযুত বাণীকান্ত গগৈ, শ্ৰীযুত নোমল কোঁৱৰ আৰু শ্ৰীযুত দিগন্ত গগৈ চাৰলৈ সশ্ৰদ্ধ কৃতজ্ঞতা আগবঢ়াইছো।

माননীয় শিক্ষাগুৰুসকলৰ উপৰিও বন্ধু— তপন, ৰাতুল, দুৰ্গা, নৱ, বিশ্বজিত, ৰঞ্জিত, বদন, ভবেশ, চৈতন্য, জিতুল, জয়প্ৰকাশ আৰু বান্ধৱী বিজু, বিনিতা, জুলী, চাহেদা, মণিকা, ৰিজু, বাসন্তী, দীপা, ভানু আৰু ভাইটি গৌতম, পঙ্কজ, দীপক, খগেন, পুলিন, ৰাতুল আৰু মিণ্টু আৰু অজানিতে কলমৰ আগলৈ নাম নহা সকলৰ প্ৰতিও কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত, এটাই অনুৰোধ যে, প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ মহান উদ্দেশ্য আগত ৰাখি, যাতে মহাবিদ্যালয়খনৰ উন্নতিৰ হকে নিষ্ঠাৰে কাম কৰি আগুৱাই যায়।

"জয় আই অসম"

ধন্যবাদেৰে—  
শ্ৰীদেবানন্দ বৰুৱা  
সহঃ সাঃ সম্পাদক।  
ছাত্ৰ একতা সভা ১৯৯৪-৯৫ চন।

# ক্ৰীড়া বিভাগৰ সাম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে মহাবিদ্যালয়ত অধ্যয়ণ কৰি থকা অৱস্থাত যিসকল বন্ধু-বান্ধৱীয়ে অকালতে প্ৰাণ হেৰুৱালে সেইসকলৰ স্মৃতিত সোঁৱৰিছোঁ।

জয় জয়তে নিতাইপুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈকে মোৰ আন্তৰিক হিয়াভৰা ওলগ জনালোঁ। বিশেষকৈ মহাবিদ্যালয়ৰ নিৰ্ব্বাচনত জয়ীহৈ যিসকল কাৰ্যনিৰ্বাহক সদস্য তথা উপদেষ্টা মণ্ডলীয়ে মোক ক্ৰীড়া বিভাগৰ সম্পাদক ৰূপে মনোনীত কৰিছিল তেখেতসকললৈও মই আন্তৰিক ধন্যবাদ যাচিছোঁ। মহাবিদ্যালয়ৰ ক্ৰিয়াবিভাগৰ সম্পাদক হিচাবে মনোনীত হৈ মই যিবিলাক কাম কৰিব বিচাৰিছিলো, সেই সকলোবিলাক কাম বাস্তৱত ৰূপায়ণ কৰিব নোৱাৰাৰ বাবে সদৌটিৰ ওচৰত প্ৰথমেই ক্ষমা বিচাৰিছোঁ।

আজিৰ যুগ প্ৰগতিৰ যুগ। উন্নত দেশ বিলাকত যেনেদৰে শিক্ষাৰ ক্ষেত্ৰত কোটি কোটি টকা খৰচ কৰি আহিছে, ঠিক তেনেদৰে খেলা-ধূলাৰ ক্ষেত্ৰটো তুলনামূলক হিচাপে কম নহয়। আমাৰ ভাৰতবৰ্ষই খেলা-ধূলাৰ ক্ষেত্ৰত আন বিলাক দেশৰ তুলনাত সিমান পাৰদৰ্শিতা দেখুৱাব পৰা নাই। যদি আমি ভাৰতবৰ্ষ তথা অসম খেলা ধূলাৰ ক্ষেত্ৰত কিয় ইমান পিছপৰা বুলি নিজকে প্ৰশ্ন কৰো তেন্তে তাৰ উত্তৰ বিচাৰি চালে আমি নিজেই দোষী হ'ম। কাৰণ আমাৰ মহাবিদ্যালয়ৰ ক্ষেত্ৰতেই চাওঁক— আমাৰ মহাবিদ্যালয়ত বছেৰেকত এবাৰ খেল-ধেমালী পতাৰ বাহিৰে ইয়াত কোনো ধৰণৰ খেলা-ধূলাৰ অনুশীলন কৰিবৰ বাবে বিশেষ সুবিধা নাই।

দ্বিতীয়তে দেখা যায় ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেলা-ধূলাৰ প্ৰতি যেনেদৰে আগ্ৰহ থাকিব লাগে তেনেদৰে আগ্ৰহ দেখা নাযায়। আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰিড়া সপ্তাহবোৰতেই সেই কথা দেখা দেখিকৈ ওলাই পৰে। যিখন মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাৰ/তেৰশ সেইখন মহাবিদ্যালয়ত খেলা-ধূলাত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দুখ লগা ভাবে কম। ই বৰ পৰিতাপৰ বিষয়।। বিভিন্ন সময়ত দেখা যায় একেকেইজন প্ৰতিযোগীয়েই বিভিন্ন প্ৰতিযোগিতাত অশং গ্ৰহণ কৰে। মই ভাবোঁ প্ৰতিযোগিতাত হৰা বা জিকা এই দুটা শব্দ বিৰাজমান। সেয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পুৰস্কাৰ লাভ কৰাটোৱেই আচল কথা নহয়। আচল কথা হ'ল খেলা-ধূলাৰ প্ৰতি আগ্ৰহ থকাটোহে।

খেলপথাৰত স্থানীয় নিতাইপুখুৰী উঃ মাঃ বিদ্যালয়ৰ খেল বিভাগৰ প্ৰশিক্ষক শ্ৰীযুত নৰেণ গগৈদেৱ, স্থানীয় ক্ৰীড়ানুৰাগী শ্ৰীকুমুদ শৰ্ম্মা, ধনীৰাম চাংমাই আদি কৰি কেইবাজনো ব্যক্তিয়ে মোক প্ৰথমৰ পৰা শেষলৈকে ক্ৰীড়াসপ্তাহত শাৰীৰিক ভাৱে সহায় আগবঢ়াইছিল।

১৯৮৯-৯০ বৰ্ষত মই ক্ৰীড়া বিভাগৰ সম্পাদক হিচাবে কাৰ্যনিৰ্ব্বাহ কৰিছিলো। সেই বৰ্ষতে আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈ দলে ডিঃ বিঃ আন্তঃ মহাবিদ্যালয় ক্ৰীয়া প্ৰতিযোগিতাত "শ্ৰেষ্ঠ দল" হিচাবে বিবেচিত হয়। অতীত গৌৰৱ অক্ষুন্ন ৰাখি যোৱা ১৯৯৩-৯৪ চনত আৰু এইবাৰ (১৯৯৪-৯৫) যোৱা ২৮/৯/৯৫ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈ দলে বোকাখাটত অনুষ্ঠিত ডিং বিঃ আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত 'ৰাণাৰ্চ আপ' সন্মান লাভ কৰিবলৈ সক্ষম হয়।

এইখিনিতে মই দুখ প্ৰকাশ কৰিছো যে— ইমান এটা গৌৰৱ কঢ়িয়াই অনাৰ পিছতো মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই তথা বিভাগীয় সম্পাদকে খেলুৱৈ দলটিৰ প্ৰতি কোনো সহাৰি নজনালে। খেলুৱৈসকলক উৎসাহ নিদিয়াটো বৰ পৰিতাপৰ বিষয়; কিয়নো ক্ৰীড়া জগতৰ ফালৰ পৰা আমাৰ মহাবিদ্যালয়ৰ নাম ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় বিলাকৰ ভিতৰত অতি উজ্জ্বল।

এইখিনিতে আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে এই বছৰ আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাখনি 'কলিকতাত' অনুষ্ঠিত হ'ব আৰু উক্ত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ হৈ আমাৰ মহাবিদ্যালয়ৰ কেইজনমান নবীন খেলুৱৈ নিৰ্ব্বাচিত হৈছে বুলি জানিব পাৰিছোঁ। মই আশা কৰিছোঁ উক্ত প্ৰতিযোগিতাত তেওঁলোকে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি যাতে আন্তঃ ৰাষ্ট্ৰীয় পৰ্যায়ত উপনীত হ'ব পাৰে।

উল্লেখযোগ্য যে, ১৯৯৪-৯৫ বৰ্ষৰ খেল বিভাগৰ সম্পাদকজনে কিবা প্ৰকাৰে পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰাৰ বাবে ছাত্ৰ একতা সভাৰ জৰুৰী বৈঠকৰ সিদ্ধান্ত অনুসৰি খেল বিভাগৰ এই গধুৰ দায়িত্ব মোৰ হাতত অৰ্পন কৰে। এই দায়িত্ব বহন কৰি মই আন্তঃ মহাবিদ্যালয় ফুটবল দলটি গঠনৰ অনুশীলনৰ কাৰ্য প্ৰথম পদক্ষেপ হিচাপে গ্ৰহণ কৰিছিলোঁ। এই কাৰ্যত আগুৱাই যাওঁতে মই বহু-সমস্যাৰ সন্মুখীন হৈছিলোঁ। যদিও নিজস্ব চেষ্টা আৰু বন্ধু কেশৱ গগৈ আৰু স্থানীয় ক্ৰীড়া-অনুৰাগী ব্যক্তিৰ সহযোগত বাটৰ কণ্টক আঁতৰি গৈছিল আৰু আমি আগবাঢ়ি গৈছিলোঁ। 'বোকাখাত'ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয়ৰ ফুটবল প্ৰতিযোগিতাৰ 'কোৱাটাৰ' ফাইনেল খেললৈ; য'ত আমি 'ৰাণাৰ্চ আপ' সন্মান অৰ্জন কৰিছিলো।

এই খিনিতে পুৰ্বে নিৰ্ব্বাচিত খেল বিভাগৰ সম্পাদক মঃ নেকিব আহমেদ মোৰ ভাতৃ প্ৰতিমক স্নেহ যাচিলোঁ। কাৰণ তেওঁৰ দায়িত্ব বৈঠকতে মোৰ হাতত অৰ্পন কৰাৰ পাছত কৰ্মক্ষেত্ৰত আগুৱাই যোৱাত মোক সহায় আগবঢ়াইছিল।

ই অপ্ৰিয় হলেও সত্য যে আমাৰ কিছুমান খেলুৱৈয়ে খেল আৰম্ভ হোৱাৰ আগমুহূৰ্ত্তত কিছুমান ৰাগিয়াল দৰ্ব্য সেৱন কৰি খেল পথাৰত প্ৰৱেশ কৰিছিল। যিবোৰ দৰ্ব্য আমাৰ খেলজগতৰ

বাবে অনুপযোগী ; যাৰ স্পষ্টীকৰণ দিলে হয়তো আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনেই অপ্ৰিয় যেন লাগিব। অথচ ই সত্য। মই আশা কৰিছোঁ অদূৰ ভৱিষ্যতে যেন খেলুৱৈসকলে এই ৰাগীয়াল দৰ্ব্য সেৱনৰ পৰা বিৰত থাকি ক্ৰীড়াজগতলৈ আৰিহণা যোগাব পাৰে।

সদৌ শেষত মোক প্ৰথমৰ পৰাই প্ৰতি ক্ষেত্ৰতে সহায়-সহযোগ আগবঢ়োৱাৰ বাবে বিভাগীয় উপদেষ্টা আৰু শিক্ষাগুৰু শ্ৰীযুত ললিত তামুলীদেৱ, ছাত্ৰ একতা সভাৰ স্থায়ী সভাপতি শ্ৰীযুত বাণী কান্ত শগৈদেৱ, শ্ৰীযুত দিগন্ত গগৈদেৱলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ বন্ধু সৰ্ব্বশ্ৰী কেশৱ গগৈ, জিতেন গগৈ, প্ৰমোদ গগৈ, মনোৰঞ্জন গগৈ, নৱ ফুকন, বাবুলাল শইকীয়া, কল্যাণ বড়ি, খগেন গগৈ, জয়ন্ত বৰুৱা, নীল বড়া আৰু কেইজনমান বন্ধু তথা ভাতৃৰ নাম মই নাজানো— এই সকলোলৈকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোক বিভিন্ন সময়ত সহায়-সমযোগ কৰা বাবে নিতাইপুখুৰী হে: চ: দেঃ গোঃ মহাবিদ্যালয়ৰ যিসকল শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ একতা সভাৰ ৰিষয়ৰবীয়া আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন সময়ত সহায় - সহযোগিতা, দিহা-পৰামৰ্শ আগবঢ়াইছিল এই সুযোগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত অলিম্পিক শিখা প্ৰজ্বলন কৰা শ্ৰীখগেন গগৈ, শ্ৰীঅজন্ত গগৈ, শ্ৰীমতী পৰিস্মৃতা আৱন্ধবালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

পৰিশেষত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ খেলা-ধূলাৰ ক্ষেত্ৰখনৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ ক্ৰীড়া / খেলবিভাগৰ প্ৰতিবেদন সামৰিলোঁ। অজানিতে হৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছো।

এজন সুদক্ষ খেলুৱৈ জাতিৰ গৌৰৱ, দেশৰ সম্পদ, এই মূলমন্ত্ৰেৰে "জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়"।

শ্ৰী নবীন গগৈ
সম্পাদক, ক্ৰীড়া/খেল বিভাগ।
হে: চঃ দেঃ গোঃ মহাবিদ্যালৰ ছাত্ৰ একতা সভা
১৯৯৪ ৯৫ চন



# Hem Chandra Dev Goswami College Magazine

Annual Publication
1994 - 95

## ENGLISH SECTION

Prof In-Charg :
Shri Sudhir Kumar Das M. A.

Editor
Shri Nabin Ch. Gogol.

বাবে অনুপযোগী ; যাৰ স্পষ্টীকৰণ দিলে হয়তো আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনেই অপ্ৰিয় যেন লাগিব। অথচ ই সত্য। মই আশা কৰিছোঁ অদূৰ ভৱিষ্যতে যেন খেলুৱৈসকলে এই ৰাগীয়াল দৰব্য সেৱনৰ পৰা বিৰত থাকি ক্ৰীড়াজগতলৈ আৰিহণা যোগাব পাৰে।

সদৌ শেষত মোক প্ৰথমৰ পৰাই প্ৰতি ক্ষেত্ৰতে সহায়-সহযোগ আগবঢ়োৱাৰ বাবে বিভাগীয় উপদেষ্টা আৰু শিক্ষাগুৰু শ্ৰীযুত ললিত তামুলীদেৱ, ছাত্ৰ একতা সভাৰ স্থায়ী সভাপতি শ্ৰীযুত বাণী কান্ত শইগেদেৱ, শ্ৰীযুত দিগন্ত গগৈদেৱলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ বন্ধু, সৰ্ব্বশ্ৰী কেশৱ গগৈ, জিতেন গগৈ, প্ৰমোদ গগৈ, মনোৰঞ্জন গগৈ, নৱ ফুকন, বাবুলাল শইকীয়া, কল্যাণ বড়ি, খগেন গগৈ, জয়ন্ত বৰুৱা, নীল বড়া আৰু কেইজনমান বন্ধু তথা ভাতৃৰ নাম মই নাজানো— এই সকলোলৈকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোক বিভিন্ন সময়ত সহায়-সমযোগ কৰা বাবে নিতাইপুখুৰী হে: চ: দেঃ গোঃ মহাবিদ্যালয়ৰ যিসকল শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন সময়ত সহায়-সহযোগিতা, দিহা-পৰামৰ্শ আগবঢ়াইছিল এই সুযোগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত অলিম্পিক শিখা প্ৰজ্বলন কৰা শ্ৰীখগেন গগৈ, শ্ৰীঅজন্ত গগৈ, শ্ৰীমতী পৰিস্মৃতা আৰন্ধৰালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

পৰিশেষত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ খেলা-ধূলাৰ ক্ষেত্ৰখনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ ক্ৰীড়া / খেলবিভাগৰ প্ৰতিবেদন সামৰিলোঁ। অজানিতে হৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছো।

এজন সুদক্ষ খেলুৱৈৰ জাতিৰ গৌৰৱ, দেশৰ সম্পদ, এই মূলমন্ত্ৰেৰে "জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়"।

শ্ৰী নবীন গগৈ
সম্পাদক, ক্ৰীড়া/খেল বিভাগ।
হে: চঃ দেঃ গোঃ মহাবিদ্যালৰ ছাত্ৰ একতা সভা
১৯৯৪ ৯৫ চন



# Hem Chandra Dev Goswami College Magazine

Annual Publication
1994 - 95

## ENGLISH SECTION

**Prof In-Charg :**
**Shri Sudhir Kumar Das M. A.**

**Editor**
**Shri Nabin Ch. Gogoi.**

# *H. C. D. G. College Magazine*

10 th Issue — 1994-95

## ENGLISH SECTION

## : CONTENT :

* Democracy in Ancient India :
Principal I/C D. D. Neog /page—1—4
* Influence of India on World Literature :
by Sudhir Kumar Das / page—5—8
* Political Theory—A Perspective View :
by Phanidhar Saikia / page—9—12
* Gatt and Indian Economy :
by Sanjeev Bargohain / page—13—16
* Love :
by Hemanta Khanikar / page—18
* Wonderful World :
by Biju Borthakur / page—18
* My Dream Girl :
by Ranjan Gogoi / page—19
* What are you afraid of :
by Goutom Chetia / page—19
* Ragging a Social Disease :
by Anil Dutta / page—20
* Editorial
Editor Nabin Chandra Gogoi / page—22—23

HEMCHANDRA DEVA GOSWAMI COLLEGE MAGAZINE
1994—95

Publisher :
H. C. D. G. College Students' Union

Editorial Board :
President :
Dambarudhar Neog, Principal in-Charge.

Adviser :
Sudhir Kumar Das

Editor :
Nabin Chandra Gogoi

Members :
Mukul Handiqui
Mintu Boraghain
Durlav Gogoi
Babulal Saikia
Rasmirekha Gogoi

Cover Page :
Tarun Gogoi

Printers :
Baruah Printers
Baruah Bhavan
Babupatty : Sibsagar
Phone — 22533

# Democracy in Ancient India

By Prof. D. D. Neog, M.A.
Principal I/c Deptt. History.

Foreign as well as the indegeneous Sources available give evidences of the existance of Kingless or republican states both in the North and the South of India for a very long time in the remote past. The Brahmanical, the Buddhist and the Jain texts and other indigeneous literatures refer to the republics prevailed in ancient India. In the Mahabharata, there are references of some States stated as " Invincible states in which the rule of equality was observed." The Greek Scholars who accompanied Alexander, the Great mentioned in their "respective accounts of the existence of republics In India. But the real time of the existance (arising) of Indian republics is yet to be known. After the early vedic period the republican states seemed to have been existed, the evedences of which are available from the hymns of the Rig and the Arthava Vedas and the views had and the tradition recorded in the Mahabharata and the account of Magesthenese, the Greek ambassador of the Court of Chandragupta Maurya of Magadha, respectively.

Prof. Rhys Davids in his treaties "Buddhist India" clearly states that the republican states existed in the time of Gautama Buddha. He listed ten such republics which hc termed clan oligarchies as referred by the Buddhist scholars. Some of the republican states were the Sakyas of Kapilabasta., Moriyas of Piphalivana, the Videhas of Mithila, the Licchavis of Vaisalis, who is said federated with other clans and formed the famous Uajjian Confeclercy.

The Buddhist 'Sanghas' have a wider meaning as "Ganas" as the famous Gramarian Panini belonged probably to 4th Century B.C. clearly states that 'Sangha' denotes a "Gana"

The term 'Gana' used to denote a form of Government sharply distinguished from the monarcy. "Some provinces are ruled by "Ganas" so stated in a passage of Avadana Sataka. The Jain Ayaranga sutta refers to some states ruled by "Ganas". In the Acharanya Sutta of Hindu literature we find the term Ganarajani, the states ruled by "Gana"s or numbers. Ganarajya will naturally means 'rule by many'. The heads of republics were designated as 'Rajan', 'Ganarajan' or the Sangha Mukhya'.

Kautilya in his 'Arthasastra' describes the republican states as 'Sanghas'. Religious Sangha was a copy of the political Sangha opined so by Dr. K.P. Joyswal. Sangha Originally meant a republic is also confirmed by the anciant Buddhist work Palipitakas. Thus the available Sources clearly show that the 'Ganas' and the "Sanghas" were the terms used to mean the republican states of ancient India.

The Buddhist Sanghas were extremly democratic in its organisation. Gautama Buddha being himself a great champion of democracy organised his Buddhist Sanghas on democratic basis. Three Principles of democracy viz. Liberty, equality and Fraternity found and important place in the organization or the Buddhist Sangha. Any one enjoyed the Liberty to express his views freely and every issue was decided by a majority. Buddhist Sutras and Pali texts threw light on the working of the Buddhist Sanghas with genunie democratic principles. As riligious Sanghas were borrowed from the political sanghas (Dr. K.P. Joyswal) we may eliminate the religious aspect to have a clear picture of the working of the political Sanghas from the procedures followed in a religious Sanghas. The under mentioned facts will clearly so the same.

The meetings of the Sangha were held in a Hall or 'Santhagara' and the seats on seriously basis were allotted by a special officer in charge of the allotment of seats who had about ten years experiences as a monk The seats in the dias were probably occupied by the executives and the members were seated in front of them group wise. Quorum system was also strictly followed. Buddha himself fixed a minimum Quorum not less than five members.

The Buddhist texts clearly mentioned the different members for the Quorum for different purposes. There



were five kinds of Sanghas as found in Buddhist records theQuorum of which consisted of four, five, ten, twenty or more than twenty. The lowest numbers which can Constitute a Sangha was not entitled to performing important (political) act.

